Indira Gandhi National Open University
School of Humanities

# BAALA-135
## Modern Indian Language-Assamese

## Block 3

## Grammar and Writing Skills

| | |
|---|---|
| **UNIT-I** Basics of Assamese Grammar | 151-163 |
| **UNIT-II** Verbs of Assamese Language | 164-180 |
| **UNIT-III** Writing skill development (paragraph writing, letters to editor, new media writing) | 181-203 |

# BLOCK INTRODUCTION

## খণ্ড-৩ (ব্যাকৰণ আৰু লিখন দক্ষতা)ঃ

ইয়াত সৰ্বমুঠ তিনিটা খণ্ড আছে আৰু এই খণ্ডসমূহৰ যোগেদি অসমীয়া ব্যাকৰণৰ প্ৰাথমিক জ্ঞান দান কৰাৰ লগতে ইয়াৰ ব্যৱহাৰ সম্পৰ্কেও ধাৰণা দিবলৈ প্ৰয়াস কৰা হৈছে। দ্বিতীয় গোটত অসমীয়া ক্ৰিয়াপদৰ বিষয়ে বিশেষভাৱে আলোচনা কৰা হৈছে। অন্তিম গোটটোত অসমীয়াত লিখন দক্ষতা বৃদ্ধিৰ বিষয়ে আলোচনা কৰা হৈছে। এই গোটটোত শিকাৰুসকলে পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি লেখা, নতুন মাধ্যমৰ বাবে লিখা আদি সম্পৰ্কত এটা ধাৰণা কৰিব পাৰিব।

## Block 3 (Grammar and Writing Skills) :

Consists of three units and it introduces the learner to the basics of Assamese Grammar and its uses. The verbs in Assamese language have been discussed exclusively in the second unit. The last unit deals basically with writing skills. The learner will get to know the practical use of Assamese language by learning aboutparagraph writing, letters to the editor, writing in new media etc.

# খণ্ড-৩ গোট-I ঃ অসমীয়া ব্যাকৰণৰ মৌলিক প্ৰসংগ (Basics of Assamese Grammar)

## গাঁথনি

৩.১.১ পাতনি
৩.১.১.১ পৰিচয়
৩.১.১.২ উদ্দেশ্য
৩.১.২ অসমীয়া ভাষাৰ পদ প্ৰকৰণ, বচন, লিংগ আৰু কাৰক
৩.১.২.১ পদ প্ৰকৰণ
৩.১.২.২ লিংগ বিচাৰ
৩.১.২.৩ বচন বিচাৰ
৩.১.২.৪ কাৰক প্ৰকৰণ
৩.১.২.৫ সামৰণি
৩.১.৩ শব্দটোকা
৩.১.৪ অনুশীলনী
৩.১.৪.১ বৈয়াকৰনিক অনুশীলনী
৩.১.৪.২ পঠন অনুশীলনী
৩.১.৪.৩ লিখন অনুশীলনী
৩.১.৫ উত্তৰ সংকেত
৩.১.৬ অতিৰিক্ত পঠন উপদেশ

ignou
THE PEOPLE'S
UNIVERSITY

## ৩.১.১ পাতনি

### ৩.১.১.১ পৰিচয়

এই কথা আগতেই উনুকিয়াই থোৱা হৈছে যে অসমীয়া এটা আৰ্যমূলীয় ভাষা। ভাৰতবৰ্ষত কথিত আৰ্যমূলীয় প্ৰধান ভাষাটো আছিল সংস্কৃত। সংস্কৃত ভাষাৰপৰা ঠাল-ঠেঙুলি মেলি সময়ত মাগধী, সৌৰসেনী, মহাৰাষ্ট্ৰী প্ৰভৃতি প্ৰাকৃতসমূহৰ উদ্ভৱ হয়। পূৰ্বাঞ্চলত কথিত মাগধীৰ পৰাই পুলি-পোখা মেলি অসমীয়া, বাংলা, উড়িয়া আদি পূৰ্বাঞ্চলৰ ভাষাসমূহৰ উৎপত্তি হয়। বহল অৰ্থত অসমীয়াৰ গঠন ৰীতি সংস্কৃতৰ নিচিনাই। কিন্তু অসমত আৰ্যভিন্ন ভাষাসমূহে থলুৱা জনগোষ্ঠীসমূহৰ মাজত প্ৰভূত্ব বিস্তাৰ কৰি থকা কাৰণে অসমীয়া ভাষাত সেই ভাষাসমূহৰ ভালেখিনি প্ৰভাৱ পৰিছে। ফলত অসমীয়াৰ ধ্বনিগত আৰু ৰূপগত নানা পৰিৱৰ্তন সাধিত হৈছে।

সংস্কৃত ভাষা অতিশয় চহকী ভাষা আছিল। ইয়াত নানা যুগজয়ী কাব্য, নাটক, প্ৰহসন, কথা আদি লিখা হৈছিল। সংস্কৃত ভাষাৰ প্ৰণালীবদ্ধ ব্যাকৰণো এই ভাষাতে লিপিবদ্ধ কৰা হৈছিল। পাণিনি নামে প্ৰসিদ্ধ বৈয়াকৰণিক এজনে সংস্কৃত ভাষাৰ যি সংক্ষিপ্ত ব্যাকৰণ লিখি থৈ গৈছে, তাক বিংশ শতাব্দীৰ পশ্চিমীয়া পণ্ডিতসকলেও উচ্চ পৰ্যায়ৰ প্ৰণালীবদ্ধ ব্যাকৰণ বুলি ভূয়সী প্ৰশংসা কৰে। এই সংস্কৃতীয়া ব্যাকৰণ ৰচনাৰ পৰম্পৰা অনুসৰণ কৰি ঊনবিংশ শতিকাত অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰা হয়। অৱশ্যে সেই সময়ত ভাৰতৰ অন্যান্য প্ৰান্তৰ নিচিনাকৈ অসমতো ইংৰাজী ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰ হয়। আমেৰিকাৰপৰা খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ মিছনেৰীসকলে অসমীয়াত নানা ধৰ্মমূলক পুথি-পাঁজি লিখিবলৈ লয়। এই মিছনেৰীসকলেই অসমীয়া ভাষাৰ উন্নতি সাধনৰ নিমিত্তে অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনাৰ প্ৰয়াস কৰে। স্বাভাৱিকতে এই মিছনেৰীসকলে ইংৰাজী ব্যাকৰণ ৰচনাৰ পৰম্পৰা অনুসৰণ কৰে। ঊনবিংশ শতাব্দীৰ বিদগ্ধ অসমীয়া পণ্ডিত হেমচন্দ্ৰ বৰুৱা আদিয়ে যেতিয়া আধুনিক অসমীয়া ব্যাকৰণ ৰচনাৰ প্ৰয়াস কৰে তেতিয়া তেওঁলোকৰ আগত সংস্কৃত আৰু ইংৰাজী দুয়োটা পৰম্পৰাৰ ব্যাকৰণেই বিদ্যমান আছিল। ফলত সেই সময়ত ৰচনা কৰা অসমীয়া ব্যাকৰণত দুয়োটা পৰম্পৰাৰ মিশ্ৰ

প্ৰভাৱ প্ৰতিফলিত হয়। বিংশ শতিকাৰ বৰ্তমান দশকলৈকে বিদ্যালয়ৰ পাঠ্যপুথি হিচাপে যিমানবোৰ অসমীয়া ব্যাকৰণ ৰচনা কৰা হৈছে তাৰে সৰহ ভাগতে হেমচন্দ্ৰ, সত্যনাথৰ ব্যাকৰণ ৰচনাৰ আৰ্হিকে অনুসৰণ কৰা হৈছে। ফলত বিংশ শতিকাৰ নৱম দশকৰ আধুনিক অসমীয়া ব্যাকৰণত ভালেখিনি অলাগতিয়াল কথাই ঠাই পাইছে। বহুত অনাৱশ্যক কথা আমি পঢ়ি আৰু পঢ়াই আহিছোঁ। অজস্ৰ ভ্ৰান্ত ধাৰণা আমি বিনা বাক্যব্যয়ে মনতে পোষণ কৰি আহিছোঁ। আধুনিক ব্যাকৰণকাৰৰ দৃষ্টিকোণৰপৰা তাৰে কেইটামান কথা তলত আলোচনা কৰা হৈছে।



### ৩.১.১.২ উদ্দেশ্য

১। অসমীয়া ব্যাকৰণৰ মৌলিক প্ৰসংগসমূহৰ সৈতে পৰিচয় কৰি দিয়া।

২। **অসমীয়া ভাষাৰ পদ প্ৰকৰণ, বচন, লিংগ আৰু কাৰক সম্পৰ্কে এটা সাগ্ৰিক ধাৰণা দিয়া।**

## ৩.১.২ অসমীয়া ভাষাৰ পদ প্ৰকৰণ, লিংগ বচন আদি

### ৩.১.২.১ পদ প্ৰকৰণ

মানুহে কথা কওঁতে এটা বা ততোধিক ধ্বনিক একোটা সমষ্টি বা গোটৰ নিচিনাকৈ উচ্চাৰণ কৰে আৰু তাৰ দ্বাৰা একোটা অৰ্থ প্ৰকাশ কৰে। লিখোঁতেও তেনেকৈ এক বা একাধিক আখৰ মিলাই একোটা গোটৰ নিচিনা কৰি লৈ অৰ্থ প্ৰকাশ কৰে। এনে ধ্বনি বা আখৰৰ অৰ্থপূৰ্ণ গোটক শব্দ বোলে। মানুহ শব্দটোত ৫টা ধ্বনি বা আখৰ আছে; ম্-আ-ন্-উ-হ্। 'ই' শব্দটোত ধ্বনিও এটা, আখৰো এটা। কথিত ভাষাত শব্দ একোটাৰ উচ্চাৰণৰ আগে-পিছে সামান্য বিৰতি (pause) থাকে। লিখিত ভাষাত শব্দৰ আগত আৰু পিছত খালি ঠাই (space) থাকে।

বাক্যত ব্যৱহাৰ কৰিবলগীয়া হ'লে শব্দৰ লগত কিছুমান ধ্বনি বা চিন লগ লাগে। যেনে— ওপৰৰ প্ৰথম পৰিচ্ছেদত মানুহ শব্দৰ লগত '-এ' যুক্ত হৈছে; তেনেকৈ 'কৰ' শব্দৰ লগতো '-এ' যুক্ত হৈছে। এনেকৈ শব্দৰ লগত যুক্ত হোৱা ধ্বনি বা চিনসমূহক বিভক্তি বোলে। শব্দত বিভক্তি যুক্ত হ'লে অৰ্থাৎ শব্দ বাক্যত ব্যৱহাৰ কৰিবপৰা ৰূপ পালে তাক পদ বোলে। মানুহ এটা শব্দ; ওপৰৰ পৰিচ্ছেদত ব্যৱহৃত 'মানুহে' এটা পদ। তেনেকৈ 'কৰ' এটা শব্দ; ওপৰৰ বাক্যত ব্যৱহৃত 'কৰে' এটা পদ।

অসমীয়াত পদ ছয় প্ৰকাৰৰ— বিশেষ্য, সৰ্বনাম, বিশেষণ, ক্ৰিয়া, ক্ৰিয়া-বিশেষণ আৰু অব্যয়। কিছুমান ব্যাকৰণে ইংৰাজী ব্যাকৰণৰ প্ৰভাৱত অসমীয়াতো পদ আঠ প্ৰকাৰ বুলি বৰ্ণনা কৰে। আন কিছুমান ব্যাকৰণে অব্যয়ক পদ বুলি নধৰে আৰু অসমীয়াত পদ পাঁচ প্ৰকাৰ বুলিহে আলোচনা কৰে। যিবিলাক পদৰ কাৰক আৰু বচন অনুসৰি ৰূপৰ পৰিৱৰ্তন হয়, সেইবিলাকক বিশেষ্য বোলে। ১ম দফাত ব্যৱহৃত 'মানুহ', 'কথা', 'উচ্চাৰণ' আদি একো একোটা বিশেষ্য পদ। বিশেষ্যৰ সলনি যিবোৰ পদ ব্যৱহাৰ হয় সেইবোৰক সৰ্বনাম পদ বোলে। ৰূপগতভাৱে সৰ্বনাম পদবোৰো একপ্ৰকাৰ বিশেষ্য পদেই। যিবোৰ শব্দ বিশেষ্যৰ আগত বহি বিশেষ্য পদৰ গুণ বুজায়, সেইবোৰক বিশেষণ বোলে। যিবোৰ শব্দৰ কাল, বিভাব, পুৰুষ অনুসৰি ৰূপৰ সলনি হয়, সেইবোৰক ক্ৰিয়া বোলে। আকৌ যিবোৰ পদে ক্ৰিয়াৰ কাৰ্য সম্পাদনৰ ধৰণ প্ৰকাশ কৰে, সেইবোৰক ক্ৰিয়া-বিশেষণ বোলে। 'ভালকৈ', 'সৰুকৈ', 'লাহে লাহে' আদিবোৰ ক্ৰিয়া বিশেষণ। যিবোৰৰ কোনো ৰূপগত পৰিৱৰ্তন নহয়, সেইবোৰক অব্যয় বোলে। যেনে— 'নাই', 'অথবা', 'কিন্তু' ইত্যাদি।

**আত্মমূল্যায়ন**

ক) শব্দ কাক বোলে?

.............................................................................................................

.............................................................................................................

খ) 'মানুহ' শব্দটোত কি কি ধ্বনি আছে?

.............................................................................................................

.............................................................................................................

গ) বিভক্তি কাক বোলে?

..........................................................................................................

..........................................................................................................

ঘ) পদ কাক বোলে? পদৰ দুটামান উদাহৰণ দিয়ক।

..........................................................................................................

..........................................................................................................

ঙ) অসমীয়াত পদ কেই প্ৰকাৰ আৰু কি কি?

..........................................................................................................

..........................................................................................................

চ) ইংৰাজীত পদ কেই প্ৰকাৰ?

..........................................................................................................

..........................................................................................................

ছ) বিশেষ্য পদৰ কিহত কিহত ৰূপ হয়?

..........................................................................................................

..........................................................................................................

জ) বিশেষ্যৰ লগত সৰ্বনামৰ ভেদ কিমান?

..........................................................................................................

..........................................................................................................

ঝ) ক্ৰিয়া কাক বোলে? পাঠৰ আলমত ক্ৰিয়াৰ দুটামান উদাহৰণ দিয়ক।

..........................................................................................................

..........................................................................................................

ঞ) বিশেষণ আৰু ক্ৰিয়া-বিশেষণৰ মাজত প্ৰভেদ কি?

..........................................................................................................

..........................................................................................................

### ৩.১.২.২ লিংগ বিচাৰ

মানুহ বা পশু-পক্ষীৰ যেনেকৈ মতা-মাইকীৰ ভেদ থাকে কিছুমান ভাষাত শব্দৰো তেনেকৈ মতা-মাইকীৰ ভেদ থাকে। শব্দৰ মতা-মাইকীৰ ভেদ বিচাৰক ব্যাকৰণত লিংগ বিচাৰ বোলে। ব্যাকৰণত লিংগ সাধাৰণতে তিনি প্ৰকাৰ— পুংলিংগ, স্ত্ৰীলিংগ আৰু ক্লীৱলিংগ।

সংস্কৃত, হিন্দী আদি ভাষাত বানানৰ প্ৰকৃতি অনুযায়ী কিছুমান শব্দ পুংলিংগ, কিছুমান শব্দ স্ত্ৰীলিংগ, আন কিছুমান ক্লীৱলিংগ। সংস্কৃতত 'দাৰ' শব্দ পুংলিংগ অথচ ইয়াৰ অৰ্থ 'তিৰোতা'। হিন্দীত 'পুলিচ' স্ত্ৰীলিংগ, অথচ 'পুলিচ' বুলিলে সাধাৰণতে মতা মানুহকে বুজায়। অৰ্থাৎ সংস্কৃত, হিন্দী আদি ভাষাত শব্দৰ ব্যাকৰণগত লিংগৰ লগত সেই শব্দই বুজোৱা বস্তু বা প্ৰাণীৰ প্ৰকৃত যোনী বিচাৰৰ কোনো সম্বন্ধ নাই। দ্বিতীয়তে এইবোৰ ভাষাত বিশেষ্যৰ নিচিনাকৈ বিশেষণ আৰু ক্ৰিয়াৰো লিংগভেদ আছে। হিন্দীত 'আচ্ছা লড়কা'ৰ বিপৰীতে 'আচ্ছী লড়কী' হয়। তেনেকৈ 'লড়কা আতা হ্যায়'ৰ বিপৰীতে 'লড়কী আতী হ্যায়' হয়। ইয়াৰ পৰা নিসন্দেহে বুজা যায় যে এইবোৰ ভাষাত শব্দৰ লিংগ বিচাৰ ব্যাকৰণৰ নিয়মেৰে বন্ধা।

অসমীয়াত কিন্তু তেনেকুৱা নহয়। অসমীয়াত প্ৰকৃত অৰ্থত লিংগ নাই। ইয়াত যি আছে সি কেৱল মতা-মাইকীৰ অৰ্থগত ভেদ বুজোৱা উপায় মাত্ৰ। 'ল'ৰা' শব্দই প্ৰকৃততে 'মতাক' বুজায় আৰু ইয়াক পুংলিংগ বুলি কোৱা হয়। 'ছোৱালী' শব্দই 'তিৰোতাক' বুজায় আৰু ইয়াক 'স্ত্ৰীলিংগ' বুলি কোৱা হয়। এটা বাক্যত 'ল'ৰা' শব্দ গুচাই 'ছোৱালী' শব্দ বহুৱালে বাক্যটোৰ অৰ্থহে পৰিৱৰ্তন হ'ব, বাক্যটোৰ গঠনত কোনো ভুল নহয়। দ্বিতীয়তে বিশেষ্য বা সৰ্বনাম শব্দটো পুংলিংগই হওক বা স্ত্ৰীলিংগই হওক,

তাৰ আগত বহা বিশেষণ আৰু পাছত বহা ক্ৰিয়াপদৰ কোনো পৰিৱৰ্তন নহয়। অৰ্থাৎ অসমীয়াত 'ভাল ল'ৰাই খায়' বা 'ছোৱালীয়ে খায়' দুয়োটাই হ'ব পাৰে। সেই ফালৰপৰা অসমীয়াত পদৰ লিংগ বিচাৰ বিশেষ প্ৰয়োজনীয় বা গুৰুত্বপূৰ্ণ কথা নহয়। অসমীয়াত 'ল'ৰা', 'ৰজা', 'শিক্ষক' আদি পুংলিংগ নে স্ত্ৰীলিংগ সেই কথা নাজানিলেও চলে। অৰ্থৰ দাবী অনুসৰি কেতিয়াবা 'ল'ৰা', 'ৰজা', 'শিক্ষক' আৰু কেতিয়াবা 'ছোৱালী', 'ৰাণী' আৰু 'শিক্ষয়িত্ৰী' ব্যৱহাৰ কৰিলেই হ'ল। তথাপিও সংস্কৃত আৰু ইংৰাজী ব্যাকৰণৰ পৰম্পৰা অনুসৰি অসমীয়া ব্যাকৰণতো লিংগ বিচাৰৰ কথা বহলাই আলোচনা কৰা দেখা যায়।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে অসমীয়াত লিংগ বিচাৰ সম্পূৰ্ণৰূপে অৰ্থভিত্তিক। অৰ্থবোধ স্পষ্ট কৰিবৰ কাৰণে কেতিয়াবা উল্লিখিত পদটো মতা নে মাইকী বুজাই ক'ব লগা হয়। তেনে ক্ষেত্ৰতহে লিংগ বিচাৰ বা লিংগ পৰিৱৰ্তন কৰাৰ কথা উঠে। অসমীয়াত তিনিপ্ৰকাৰে পদৰ মতা-মাইকীৰ ভেদ অৰ্থাৎ লিংগ বিচাৰ কৰা দেখা যায়। যথা—

ক) ভিন ভিন শব্দৰ ব্যৱহাৰ কৰি ঃ

| **পুংলিংগ** | **স্ত্ৰীলিংগ** |
|---|---|
| ল'ৰা | ছোৱালী |
| পুৰুষ | তিৰোতা |
| ককাই | নবৌ |
| দৰা | কইনা |

খ) শব্দৰ আগত বিশেষণ ব্যৱহাৰ কৰি ঃ

| | |
|---|---|
| মতা কুকুৰা | মাইকী কুকুৰা |
| মতা গাহৰি | মাইকী গাহৰি |
| মতা মানুহ | মাইকী মানুহ |

গ) ভিন ভিন স্ত্ৰীলিংগবাচক প্ৰত্যয় যোগ কৰি ঃ

১) (অ) নী

| | |
|---|---|
| বৰা | বৰাণী |
| মাষ্টৰ | মাষ্টৰণী |
| মালী | মালিনী |
| ধোবা | ধুবুনী |

২) জনী

| | |
|---|---|
| গৰু | গৰুজনী |
| চৰাই | চৰাইজনী |
| মানুহ | মানুহজনী |

৩) সংস্কৃতৰ নিয়মে 'আ' যোগ কৰি ঃ

| | |
|---|---|
| মহাশয় | মহাশয়া |
| মহোদয় | মহোদয়া |
| অধ্যাপক | অধ্যাপিকা |

**আত্মমূল্যায়ন**

আপোনালোকে নিশ্চয় লিংগ বিচাৰ সম্বন্ধীয় কথাবোৰ বুজি পাইছে। আপোনালোকে এইবোৰ কথা আগতে জানিছিলেই। আপোনালোকে জনা কথাবিলাকক ইয়াত প্ৰণালীবদ্ধভাৱে শিকিলে। এতিয়া তলত দিয়া প্ৰশ্নবিলাকৰ উত্তৰ কৰক—

ক) অসমীয়াৰ লিংগ বিচাৰ হিন্দীৰ নিচিনা হয় নে?

..........................................................................................................

..........................................................................................................

খ) বানানৰ প্ৰকৃতি অনুযায়ী কি ভাষাত লিংগ নিৰ্দ্ধপিত হয়?

..........................................................................................................

..........................................................................................................

গ) কি কি ভাষাত বিশেষ্যৰ দৰে বিশেষণ আৰু ক্ৰিয়াৰো লিংগভেদ হয়?

ব্যাকৰণ আৰু লিখন দক্ষতা

..........................................................................................................

..........................................................................................................

ঘ) অসমীয়াত প্ৰকৃত অৰ্থত লিংগ আছে নে?

..........................................................................................................

..........................................................................................................

ঙ) এটা অসমীয়া বাক্যত 'মতা' শব্দৰ ঠাইত 'মাইকী' শব্দ বহুৱালে বাক্যৰ গঠনত ভুল হ'ব নে?

..........................................................................................................

..........................................................................................................

চ) অসমীয়াত শব্দৰ লিংগভেদ জনা অপৰিহাৰ্য নে।

..........................................................................................................

..........................................................................................................

ছ) অসমীয়াত কেই প্ৰকাৰে লিংগ ভেদ কৰা হয়?

..........................................................................................................

..........................................................................................................

### ৩.১.২.৩ বচন বিচাৰ

কথা কওঁতে আমি কেতিয়াবা 'মানুহ', 'গৰু', 'ছাগলী', 'কিতাপ', 'শিল', 'বালি' আদি বুলি উল্লেখ কৰোঁ; আকৌ কেতিয়াবা 'মানুহবিলাক', 'গৰুবোৰ', 'ছাগলীবোৰ', 'কিতাপবোৰ', 'শিলবিলাক', 'বানিবোৰ' আদি বুলি উল্লেখ কৰোঁ। আগৰ শব্দবোৰে এটাক বুজায় আৰু পিছৰ শব্দবোৰে একাধিক বা বহুতক বুজায়। ব্যাকৰণত এই ভেদক বচনৰ ভেদ বোলে । 'মানুহ', 'গৰু' আদি এক বচনৰ পদ; 'মানুহবিলাক', 'গৰুবোৰ' আদি বহু বচনৰ পদ।

অসমীয়া ভাষাত কেৱল বিশেষ্য আৰু সৰ্বনাম পদৰহে বচনভেদ থাকে। ক্ৰিয়া বা অন্যপদৰ বচনভেদ নাথাকে। ইংৰাজী, হিন্দী আদি ভাষাত ক্ৰিয়াৰো বচনভেদ থাকে। am, is এক বচনৰ ক্ৰিয়াপদ, are বহুবচনৰ। ইংৰাজীত যদি কৰ্তা একবচনৰ হয়, ক্ৰিয়াও একবচনৰ হ'ব, কৰ্তা যদি বহুবচনৰ হয়, ক্ৰিয়াও এক বচনৰ হ'ব। হিন্দীতো একে কথা। 'মে' খাতা হু' হয়; কিন্তু 'হম খাতে হ্যায়'। অসমীয়াত কিন্তু এনে নহয়। বাক্যৰ একবচনৰ কৰ্তাপদ গুচাই বহুবচনৰ কৰ্তা পদ বহুৱালে ক্ৰিয়াৰ কোনো পৰিৱৰ্তন নহয়। সেই কাৰণে কোৱা হয় অসমীয়াত বচন বৈয়াকৰণিক নহয়। অৰ্থৰ ভেদ বুজাবলৈহে অসমীয়াত বচনৰ জ্ঞান লাগে। শুদ্ধ বাক্য ৰচনা কৰিবলৈ বচনৰ জ্ঞান নহ'লেও চলে।

অসমীয়াত একবচনৰপৰা বহুবচনৰ ৰূপ তিনিটা উপায়ে উলিওৱা হয়। সেইবোৰ তলত আলোচনা কৰা হ'ল—

ক) বহুবচনবাচক বিভক্তি যোগ দি; যেনে—

| **একবচন** | **বহুবচন** |
|---|---|
| মানুহ | মানুহবিলাক |
| শিক্ষক | শিক্ষকসকল |
| সি | সিহঁত |

খ) নিৰ্দিষ্টবাচক প্ৰত্যয়যুক্ত পদত ‘কেই’ যোগ দি; যেনে—

| | |
|---|---|
| ছোৱালীজনী | ছোৱালীকেইজনী |
| কিতাপখন | কিতাপকেইখন |
| গৰুটো | গৰুকেইটা |

গ) ভিন ভিন শব্দ ব্যৱহাৰ কৰি

| | |
|---|---|
| মই | আমি |
| ব্যক্তি | সমষ্টি; ৰাইজ |
| কোনোবা | সকলো |

### ৩.১.২.৪ কাৰক প্ৰকৰণ

বাক্যত ব্যৱহাৰ হোৱা বিশেষ্য পদে ক্ৰিয়াৰ লগত নানাধৰণৰ সম্বন্ধৰ সূচনা কৰে। কোনোটো বিশেষ্য পদ যদি ক্ৰিয়াৰ কাৰ্য সাধনৰ হেতু হয়, কোনোটো ফল হয়, আন কোনোটো হয়তো আধাৰ হয় ইত্যাদি। তলৰ বাক্যকেইটালৈ চাওক—

১। ৰামে হাঁকুটিৰে গছৰপৰা আমটো মাটিত পেলালে।

২। ৰামে বিনীতাক ফলটো দিলে।

৩। ৰামে বিনীতাক কথাটো ক'লে।

(১) বাক্যত ‘ৰাম’ পেলোৱা কাৰ্যৰ কৰোঁতা; হাঁকুটি সেই কাৰ্য সাধনৰ অস্ত্ৰ বা কাৰণ, ‘গছ’ এটা কেন্দ্ৰবিন্দু য'ত কাৰ্য আৰম্ভ হৈছে, ‘আম’ এটা বস্তু যাৰ ওপৰত ক্ৰিয়াৰ কাৰ্য সম্পাদিত হৈছে। ‘মাটি’ও এটা ক্ষেত্ৰ য'ত কাৰ্য সম্পন্ন হৈছে, এই সম্বন্ধসমূহক যথাক্ৰমে কৰ্তা, কৰণ, অপাদান, কৰ্ম আৰু অধিকৰণ কাৰক বোলে।

(২) বাক্যত ‘বিনীতা’ এটা পাত্ৰ যাৰ ওপৰত দিয়া কাৰ্য সাধিত হৈছে।

(৩) বাক্যতো ‘বিনীতা’ এটা পাত্ৰ, যাৰ ওপৰত কোৱা কাৰ্য সম্পাদিত হৈছে। পৰম্পৰাগত অসমীয়া ব্যাকৰণত (২) বাক্যত বিনীতাক সম্প্ৰদান আৰু (৩) বাক্যত বিনীতাক কৰ্ম বুলি কোৱা হৈছে। কিয়নো (২) বাক্যত ‘বিনীতা’ দানৰ পাত্ৰ। পৰম্পৰাগত অসমীয়া ব্যাকৰণৰ এই ব্যাখ্যা প্ৰমাদযুক্ত আৰু সংস্কৃত ব্যাকৰণৰ অন্ধ অনুকৰণৰ ফল মাত্ৰ। সংস্কৃতত (২) আৰু (৩) ত ক্ৰমে ভিন ভিন ৰূপ ব্যৱহাৰ হৈছিল। সেই কাৰণে কাৰকো দুটা আছিল। অসমীয়াত যিহেতু ৰূপ একেটাই, কাৰ্যৰ মাজতো কোনো ভেদ নাই, তাত দুটা কাৰকৰ প্ৰকাশ হোৱা বুলি ভবাটো ভুল। অসমীয়াত বিশুদ্ধ অৰ্থত সম্প্ৰদান কাৰক নাই।

কেতিয়াবা কাৰক— সম্বন্ধ থাকে, কিন্তু কাৰক প্ৰকাশ কৰিবলৈ কোনো বিশিষ্ট বিভক্তি নাথাকে। যেনে— (১) বাক্যত ‘গছৰ পৰা’— ইয়াত ‘গছ’ শব্দত প্ৰথমে ‘-ৰ’ বিভক্তি যোগ কৰি পিছত এটা পৰসৰ্গ দিয়া হৈছে। উড়িয়া, হিন্দী আদি ভাষাত এনে স্থানত, অৰ্থাৎ সম্প্ৰদান কাৰকত একোটা সুকীয়া বিভক্তি পদৰ লগত প্ৰত্যক্ষতাৰে যুক্ত হয়। যেনে— হিন্দী ‘পেৰ সে’ ঃ গছৰ পৰা, উড়িয়া ‘বহীৰু’ ঃ কিতাপৰপৰা ইত্যাদি। দুটা বিশেষ্য (সৰ্বনামকো বহল অৰ্থত বিশেষ্যৰ ভিতৰত ধৰা হয়) পদৰ মাজত সম্বন্ধ হ'লে তাক সম্বন্ধ পদ বোলে। যেনে— ৰামৰ শৰ। ইয়াত ‘ৰাম’ বিশেষ্যৰ ‘শৰ’ বিশেষ্যৰ লগত সম্বন্ধ হৈছে। কিন্তু ক্ৰিয়াৰ লগত কোনো সম্বন্ধ নহয় কাৰণে বহুতে সম্বন্ধ কাৰক বুলি নধৰে।

### ৩.১.২.৫ সামৰণি

ওপৰত অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান দিশত সাধাৰণ আলোচনা দাঙি ধৰা হ'ল। এইবোৰ কথা আমি বহুতেই কম বেছি পৰিমাণে জানোৱেই। সেইবোৰ কথাৰে পুথিগত বিৱৰণ ওপৰত তুলি ধৰা হ'ল। লগতে আধুনিক বৈয়াকৰণিক দৃষ্টিভংগীৰ লগতো পৰিচয় কৰি দিয়া হ'ল। এইবোৰৰ পৰা প্ৰকাৰান্তৰে এটা কথা প্ৰতীয়মান হ'ব যে অসমীয়া ব্যাকৰণ সংস্কৃত আৰু ইংৰাজী পৰম্পৰাৰ মিশ্ৰ প্ৰভাৱত ৰচিত হোৱাৰ কাৰণে তাত ব্যৱহাৰিক দিশবোৰ কিছুপৰিমাণে উপেক্ষিত হৈছে। আশা কৰা যায় যে একবিংশ শতিকাত বিশুদ্ধ অসমীয়া ব্যাৱহাৰিক ব্যাকৰণ ৰচিত হ'ব।

**আত্মমূল্যায়ন**

ক) অসমীয়াত বচন কেইপ্ৰকাৰ আৰু কি কি?

..........................................................................................................

..........................................................................................................

খ) অসমীয়াত ক্ৰিয়াৰ বচনভেদ আছেনে?

..........................................................................................................

..........................................................................................................

গ) অসমীয়াত একবচনৰ কৰ্তা পদ গুচাই তাৰ ঠাইত বহুবচনৰ পদ বহুৱালে কি পৰিৱৰ্তন হয়?

..........................................................................................................

..........................................................................................................

ঘ) শুদ্ধ বাক্য ৰচনা কৰিবলৈ অসমীয়াত বচনৰ জ্ঞান অপৰিহাৰ্য নে?

..........................................................................................................

..........................................................................................................

ঙ) একবচনৰ পৰা বহুবচন কৰক— হাতী, পানী, ঘৰ, পণ্ডিত, চোৰ, মাহ, গৰুটো, কপৌটো, পাৰটো, তুমি, আপুনি, তেওঁ, তেখেত।

..........................................................................................................

..........................................................................................................

চ) কাৰক বুলিলে কি বুজায়?

..........................................................................................................

..........................................................................................................

ছ) অসমীয়াত প্ৰকাশ পোৱা কাৰকবোৰৰ নাম উল্লেখ কৰক।

..........................................................................................................

..........................................................................................................

জ) অসমীয়াত সম্প্ৰদান আৰু কৰ্ম কাৰকৰ মাজত ভেদ আছেনে?

..........................................................................................................

..........................................................................................................

ঝ) সম্বন্ধ পদক কিয় কাৰক বুলি ধৰা নহয়?

..........................................................................................................

..........................................................................................................

ঞ) ওপৰৰ আলোচনাৰ ভিত্তিত অসমীয়াৰ কাৰক বিভক্তিবোৰ তালিকাবদ্ধ কৰক।

..........................................................................................................

..........................................................................................................

## ৩.১.৩ শব্দ-টোকা

**প্ৰাকৃত ঃ**

সাধাৰণ মানুহৰ মুখৰ লৌকিক ভাষা। প্ৰাচীন কালত ৰজা আৰু ডাঙৰীয়াসকলে সংস্কৃত ভাষাত ভাব বিনিময় কৰিছিল; কিন্তু সাধাৰণ মানুহে সংস্কৃত ভাষা শুদ্ধকৈ ক'ব নোৱাৰিছিল। সাধাৰণ মানুহৰ মুখত সংস্কৃত ভাষা বিজতৰীয়া হৈ প্ৰাকৃত নাম পাইছিল। সংস্কৃতৰ পদ্ম প্ৰাকৃতত হৈছিল পাদ; সং হস্ত

প্ৰাকৃতত হৈছিল হত্থ ইত্যাদি। সংস্কৃতৰ পৰা ফালৰি কাটি ভাৰতৰ চাৰি অঞ্চলত চাৰিটা প্ৰাকৃত ভাষা ওলাইছিল।

**পাণিনি ঃ**



প্ৰাচীন কালৰ প্ৰসিদ্ধ, সংস্কৃত ব্যাকৰণ ৰচয়িতা। তেওঁ 'অষ্টধ্যায়ী' নামে পুথিত সংস্কৃত ব্যাকৰণৰ সংক্ষিপ্ত সাৰ লিপিবদ্ধ কৰি থৈ গৈছে।

**হেমচন্দ্ৰ বৰুৱা ঃ**

আধুনিক যুগৰ প্ৰথম অসমীয়া ব্যাকৰণ ৰচয়িতা। তেওঁ প্ৰথম অসমীয়া পঢ়াশলীয়া পাঠ্যপুথি, অভিধান লিখি উলিয়ায়। আধুনিক অসমীয়া বানান পদ্ধতিয়ে তেওঁৰ হাততে বৰ্তমান ৰূপ লাভ কৰে।

**মিছনেৰী ঃ**

ঊনবিংশ শতিকাৰ মাজভাগত অসমত খৃষ্টধৰ্ম প্ৰচাৰৰ কাৰণে, আমেৰিকাৰপৰা এদল মানুহ আহিছিল। তেওঁলোকে প্ৰথম অসমীয়া ভাষাত কিছুমান কিতাপ ছপায়। অসমীয়াৰ ব্যাকৰণ অভিধানো তেওঁলোকৰ তত্ত্বাৱধানত প্ৰথম ওলায়। তেওঁলোকে প্ৰথম অসমীয়া আলোচনী 'অৰুনোদই' উলিয়ায়। আধুনিক অসমীয়া ভাষাৰ প্ৰতিষ্ঠা আৰু বিস্তাৰত এওঁলোকৰ দান অতুলনীয়। এওঁলোককে মিছনেৰী বুলি জনা যায়।

## ৩.১.৪ অনুশীলনী

### ৩.১.৪.১ ব্যাকৰণগত অনুশীলনী

১। পাঠ্য বিষয়ৰ জ্ঞানৰ ভিত্তিত তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰক। প্ৰতিটো প্ৰশ্নৰে চাৰিটাকৈ বিকল্প দিয়া আছে। আপুনি শুদ্ধ উত্তৰটো ✓ চিনেৰে চিহ্নিত কৰক।

ক) অসমীয়া ভাষা ক'ৰ পৰা ওলাইছে?

১। সৌৰসেনীৰ পৰা
২। বঙালীৰ পৰা
৩। মহাৰাষ্ট্ৰীৰ পৰা
৪। মাগধীৰ পৰা

খ) কোন ভাষা অতিশয় চহকী আছিল?

১। মহৰাষ্ট্ৰী
২। সৌৰসেনী
৩। সংস্কৃত
৪। প্ৰাকৃত

গ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখন কেনে আছিল?

১। সংক্ষিপ্ত আৰু প্ৰণালীবদ্ধ
২। সংক্ষিপ্ত কিন্তু প্ৰণালীবদ্ধ নহয়
৩। প্ৰণালীবদ্ধ কিন্তু সংক্ষিপ্ত নহয়
৪। প্ৰমাদযুক্ত

ঘ) অসমীয়া ব্যাকৰণকাৰ হেমচন্দ্ৰ বৰুৱাৰ আগত কোন ব্যাকৰণৰ আৰ্হি আছিল?

১। ইংৰাজী
২। সংস্কৃত
৩। ইংৰাজী আৰু সংস্কৃত
৪। কোনো আৰ্হি নাছিল

ঙ) 'মানুহে' শব্দটোত কেইটা ধ্বনি আছে?

১। তিনিটা
২। চাৰিটা
৩। পাঁচটা
৪। এটাও নাই

চ) 'ভালকৈ', 'সৰুকৈ' আদিবোৰ

১। বিশেষ্য

২। সৰ্বনাম

৩। বিশেষণ

৪। ক্রিয়া বিশেষণ

ছ) অসমীয়াত লিংগ বিচাৰৰ ভিত্তি কি?

১। শব্দই বুজোৱা অৰ্থ

২। শব্দৰ বানান

৩। ব্যাকৰণ

৪। সংস্কৃত

জ) 'ৰামে বিমলক মাৰিলে' বাক্যত বিমল

১। কৰ্তা

২। কৰ্ম

৩। কৰণ

৪। সম্প্রদান

ঝ) অসমীয়াত সম্বন্ধ বুজোৱা বিভক্তি

১) -ৰ

২) -ক

৩) -ত

৪) -এ

ঞ) অসমীয়া পৰম্পৰাগত ব্যাকৰণত কিহৰ প্ৰভাৱ

১) সংস্কৃতৰ

২) ইংৰাজীৰ

৩) সংস্কৃত আৰু ইংৰাজীৰ যুগ্ম

২। তলৰ মন্তব্যবোৰ শুদ্ধ নে অশুদ্ধ পৰীক্ষা কৰক। যদি শুদ্ধ হয় সোঁফালে ✓ চিন দিব আৰু যদি অশুদ্ধ হয় × চিন দিব।

ক) লিংগ মানে শব্দৰ মতা মাইকী ভেদ। ☐

খ) সৰ্বনাম পদ বিশেষ্য পদৰ ভিতৰুৱা। ☐

গ) অসমীয়া বিশেষণ আৰু ক্রিয়াৰো লিংগ ভেদ আছে। ☐

ঘ) অসমীয়াত ক্রিয়াৰ বচনভেদ নাই। ☐

ঙ) অসমীয়াত বচন বৈয়াকৰণিক নহয়। ☐

চ) অসমীয়াত অপাদান কাৰক বুজাবৰ কাৰণে বিশেষ বিভক্তি নাই। ☐

ছ) সংস্কৃতত কৰ্ম আৰু সম্প্রদান কাৰকৰ মাজত ৰূপগত ভেদ নাছিল। ☐

জ) এই প্ৰবন্ধ ভাষা বৈজ্ঞানিক দৃষ্টিভংগীত ৰচনা কৰা। ☐

৩। তলৰ অসম্পূৰ্ণ স্তম্ভটো সম্পূৰ্ণ কৰক।

| | |
|---|---|
| ক) ল'ৰা | ছোৱালী |
| খ) পুৰুষ | তিৰোতা |
| গ) ককাদেউতা | ............ |
| ঘ) খুৰা | ............ |
| ঙ) মামা | ............ |
| চ) ডেকা | ............ |
| ছ) দতাঁল | ............ |
| জ) বৰা | বৰাণী |
| ঝ) মাষ্টৰ | মাষ্টৰণী |

ঞ) বৰুৱা ...........

ট) উকীল ...........

ঠ) শইকীয়া ...........

ড) ডাক্তৰ ...........



৪। তলত দিয়া পদবিলাকৰ বচন সলনি কৰক।

ক) অধ্যাপক ...........

খ) আপুনি ...........

গ) ........... তোমালোক

ঘ) ........... তহঁত

ঙ) ........... আমাৰ

চ) হাতী ...........

ছ) চৰাই ...........

জ) মাখিটো ...........

ঝ) ৰুমালখন ...........

ঞ)........... তিৰোতাকেইজনী

৫। তলৰ বাক্যকেইটা পঢ়ক আৰু কাৰক বিভক্তিসমূহৰ তলত দাগ দিয়ক।

ক) সিহঁতে চোৰটোক থানাত দিলে।

খ) ৰেলখন গুৱাহাটীৰ পৰা দিল্লীলৈ যাব।

গ) তোমালোকে পেঞ্চিলেৰে লিখা।

ঘ) তাইক তাইৰ কিতাপখন আনি দিবা।

ঙ) পুখুৰীত পানী নাই।

৬। উদাহৰণ দিয়ক।

ক) অব্যয়

খ) ক্ৰিয়াবিশেষণ

গ) ইংৰাজীৰ বহুবচনবাচক ক্ৰিয়া

ঘ) কৰণ কাৰক

ঙ) অধিকৰণ কাৰক

চ) অসমীয়া একবচনবাচক সৰ্বনাম

ছ) বিশেষণ

## ৩.১.৪.২ পঠন অনুশীলনী

১। তলৰ পৰিচ্ছেদটো মনোযোগেৰে পঢ়ক আৰু শেষত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কৰক।

"এই কথাত কাৰো সন্দেহ নাই যে আপোনালোকে পদ, লিংগ, বচন, কাৰক আদি প্ৰয়োগ কৰি বিশুদ্ধভাৱে অসমীয়াত কথা ক'ব পাৰে বা লিখিব পাৰে। আপোনালোকে জান নেজানকৈ জনা কথাখিনিকে এই পাঠত প্ৰণালীবদ্ধভাৱে আলোচনা কৰা হৈছে। আধুনিক ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা প্ৰথমে পদ কাক বোলে, ই কেই প্ৰকাৰ আৰু কি কি এই কথা আলোচনা কৰা হৈছে। তাৰ পাছত পদৰ লিংগ সম্বন্ধে আলোচনা কৰি লিংগ পৰিৱৰ্তনৰ সাধাৰণ নিয়মসমূহ তুলি ধৰা হৈছে। তাৰ পাছত বচন, আৰু আমি কেনেকৈ দিনে-ৰাতিয়ে বচনৰ পৰিৱৰ্তন কৰিয়েই থাকোঁ সেই কথাৰ আভাস দিয়া হৈছে। পাঠৰ শেষত অসমীয়াত প্ৰযোজ্য কাৰক আৰু কাৰক বিভক্তিসমূহৰ কথা কোৱা হৈছে।"

ক) এই পাঠত কাৰক, লিংগ, বচন, পদ আদি কোনটোৰ পিছত কোনটো আলোচনা কৰা হৈছে?

..........................................................................................................

..........................................................................................................

খ) কি কথাত কাৰো সন্দেহ নাই?

..........................................................................................................

..........................................................................................................

গ) ইয়াত পদ সম্পৰ্কীয় কি কি কথা কোৱা হৈছে?

..........................................................................................................

..........................................................................................................

ঘ) এই দফাটোত কি নতুন শব্দ/খণ্ডবাক্য পালে সেইবোৰৰ তলত দাগ দিয়ক আৰু সেইবোৰ ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰক।

..........................................................................................................

..........................................................................................................

ঙ) পৰিচ্ছেদটো ডাঙৰকৈ পঢ়ক আৰু কিমান সময় লাগিল চাওক।

..........................................................................................................

..........................................................................................................

চ) এইবাৰ পৰিচ্ছেদটো সৰুকৈ পঢ়ক আৰু কিমান সময় লাগিল চাওক।

..........................................................................................................

..........................................................................................................



২। তলৰ পৰিচ্ছেদটো পঢ়ক। উপযুক্ত স্থানত বিৰাম দিব। য'ত খালী ঠাই আছে, তাত সঠিক শব্দটো পঢ়ি যাব।

"সংস্কৃত, হিন্দী আদিত বানানৰ প্ৰকৃতি অনুযায়ী কিছুমান শব্দ পুংলিংগ, কিছুমান শব্দ স্ত্ৰীলিংগ, আন কিছুমান ক্লীৱলিংগ। সংস্কৃতত 'দাৰ' শব্দ .................. অথচ ইয়াৰ অৰ্থ ..............। হিন্দীত .................. শব্দ স্ত্ৰীলিংগ, অথচ 'পুলিচ' বুলিলে সাধাৰণতে মতা মানুহকে বুজায়। অৰ্থাৎ সংস্কৃত, হিন্দী আদি ভাষাত শব্দৰ ব্যাকৰণগত .................. লগত সেই শব্দই বুজোৱা বস্তু বা প্ৰাণীৰ প্ৰকৃত .................. বিচাৰৰ কোনো সম্বন্ধ নাই। দ্বিতীয়তে এইবোৰ ভাষাত বিশেষ্যৰ নিচিনাকৈ বিশেষণ আৰু ক্ৰিয়াপদৰো লিংগভেদ ................। হিন্দীত 'আচ্ছা লড়কা'ৰ বিপৰীতে '........................... লড়কী' হয়। তেনেকৈ 'লড়কা আতা হ্যায়'ৰ বিপৰীতে 'লড়কী ................ হ্যায়' হয়। ইয়াৰপৰা নিঃসন্দেহে বুজা যায় যে এইবোৰ ভাষাত শব্দৰ 'লিংগ বিচাৰ' নিয়মেৰে বন্ধা।

### ৩.১.৪.৩ লিখন অনুশীলনী

১। তলৰ পৰিচ্ছেদটো দাড়ি , কমা আদি চিনবোৰ ঠিকমতে দি পুনৰ লিখক।

"কথা কওতে আমি কেতিয়াবা মানুহ গৰু ছাগলী কিতাপ শিল বালি আদি বুলি উল্লেখ কৰো আকৌ কেতিয়াবা মানুহবিলাক গৰুবোৰ ছাগলীবোৰ কিতাপবোৰ শিলবিলাক বালিবোৰ আদি বুলি উল্লেখ কৰো আগৰ শব্দবোৰে এটাক বুজায় আৰু পিছৰ শব্দবোৰে একাধিক বা বহুতক বুজায় ব্যাকৰণত এই ভেদক বচনৰ ভেদ বোলে মানুহ গৰু আদি এক বচনৰ পদ মানুহবিলাক গৰুবোৰ আদি বহুবচনৰ পদ।"

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। তলৰ দফাটোত বাক্যবোৰৰ ক্ৰম সলনি কৰি খেলিমেলি কৰি দিয়া আছে। সেইবোৰ উপযুক্ত ক্ৰমত সজাই পুনৰ লিখি উলিয়াওক।

"ইয়াত ৰাম বিশেষ্যৰ শৰ বিশেষ্যৰ লগত সম্বন্ধ হৈছে। যেনে— ৰামৰ শৰ। কিন্তু ক্ৰিয়াৰ লগত কোনো সম্বন্ধ হোৱা নাই। দুটা বিশেষ্য (সৰ্বনামকো বহল অৰ্থত বিশেষ্যৰ ভিতৰত ধৰা হয়) পদৰ মাজত সম্বন্ধ হ'লে তাক সম্বন্ধ পদ বোলে। ক্ৰিয়াৰ লগত সম্বন্ধ নহয় কাৰণে বহুতে সম্বন্ধক কাৰক বুলি নধৰে।

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

## ৩.১.৫ উত্তৰ সংকেত (Key to Answers)

**অনুশীলনী ১-৬**

| | | | | |
|---|---|---|---|---|
| ১ (ক) ৪ | ১ (খ) ৩ | ১ (গ) ১ | ১ (ঘ) ৩ | ১ (ঙ) ৩ |
| ১ (চ) ৪ | ১ (ছ) ১ | ১ (জ) ২ | ১ (ঝ) ১ | ১ (ঞ) ৩ |
| ২ (ক) ✓ | ২ (খ) ✓ | ২ (গ) × | ২ (ঘ) ✓ | ১ (ঙ) ✓ |
| ২ (চ) ✓ | ২ (ছ) × | ২ (জ) ✓ | | |
| ৩ (গ) আইতা | ৩ (ঘ) খুৰী | ৩ (ঙ) কইনা | ৩ (চ) গাভৰু | ৩ (ছ) মাখুন্দী· |
| ৩ (ঞ) বৰুৱানী | ৩ (ট) উকীলনী | ৩ (ঠ) শইকীয়ানী | | ৩ (ঙ) ডাক্তৰণী |
| ৪ (ক) অধ্যাপকসকল | | ৪ (খ) আপোনালোক | | ৪ (গ) তুমি |
| ৪ (ঘ) তই | ৪ (ঙ) মোৰ | | | |
| ৪ (ছ) হাতীবোৰ | ৪ (ছ) চৰাইবোৰ | ৪ (জ) মাখিকেইটা | | ৪ (ঝ) ৰুমালকেইখন |
| ৪ (ঞ) তিৰোতাজনী | | | | |

৫। (ক) সিহঁতে চোৰটোক থানাত দিলে।
(খ) .......................... গুৱাহাটীৰ পৰা দিল্লীলৈ যাব।
(গ) তোমালোকে পেঞ্চিলেৰে লিখা।
(ঘ) তাইক তাইৰ কিতাপখন আনি দিবা।
(ঙ) পুখুৰীত পানী নাই।

৬। (ক) নাই, কিন্তু ইত্যাদি
(খ) লাহেকৈ, ঘনকৈ, বৰকৈ
(গ) are
(ঘ) হাতেৰে, কটাৰীৰে
(ঙ) ঘৰত, পুখুৰীত
(চ) মই, তই, তুমি, সি
(ছ) ভাল, ডাঙৰ

## ৩.১.৬ অতিৰিক্ত পঠনৰ উপদেশ (Suggested Reading)



আপোনালোকে পুথিভঁৰালত বা অন্য ঠাইত তলত দিয়া পুথিসমূহ পঢ়িব। তেতিয়া ব্যাকৰণ সম্বন্ধীয় ধাৰণাসমূহ খোকোজা নলগাকৈ বুজি পাব।

**অসমীয়া ঃ**

১। *গোলোক ব্যাকৰণ* ঃ ড° গোলোক চন্দ্ৰ গোস্বামী

২। *অসমীয়া ভাষাৰ ৰূপকথা* ঃ ড° উপেন্দ্ৰ নাথ গোস্বামী

৩। *ব্যৱহাৰিক অসমীয়া ব্যাকৰণ* ঃ ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

৪। *A comparative Analysis of the Morphological Aspects of Assamese and Oriya* (Ph. D. Thesis of Gauhati University) ঃ ড° ফণীন্দ নাৰায়ণ দত্ত বৰুৱা

ignou
THE PEOPLE'S
UNIVERSITY

## খণ্ড- গোট-II ঃ অসমীয়া ভাষাৰ ক্ৰিয়াপদ (Verbs of Assamese Language)



### গাঁথনি

৩.২.১ পাতনি
  ৩.২.১.১ পৰিচয়
  ৩.২.১.২ উদ্দেশ্যাৱলী
৩.২.২ অসমীয়া ক্ৰিয়াপদ
  ৩.২.২.১ কাল আৰু পুৰুষ
  ৩.২.২.২ বিভাৱ
  ৩.২.২.৩ পাঁচনিক্ৰিয়া
  ৩.২.২.৪ বাচ্য
  ৩.২.২.৫ নামক্ৰিয়া গঠন
  ৩.২.২.৬ সংযোজক ক্ৰিয়া
  ৩.২.২.৭ সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া
  ৩.২.২.৮ নিমিত্তাৰ্থক ক্ৰিয়া
৩.২.৩ শব্দ টোকা
৩.২.৪ অনুশীলনী
  ৩.২.৪.১ বৈয়াকৰণিক অনুশীলনী
  ৩.২.৪.২ পঠন অনুশীলনী
  ৩.২.৪.৩ লিখন অনুশীলনী
৩.২.৫ উত্তৰ সংকেত
৩.২.৬ অতিৰিক্ত পঠন উপদেশ

## ৩.২ পাতনি

### ৩.২.১.১ পৰিচয়

এই পাঠত আপোনালোকে ক্ৰিয়াপদ সম্বন্ধে বিশদভাৱে জানিবলৈ পাব। আপোনালোকে অসমীয়া কওঁতে আৰু লিখোঁতে শুদ্ধ ৰূপত ক্ৰিয়াপদ ব্যৱহাৰ কৰি আহিছে। সদায় ব্যৱহাৰ কৰা সেই ক্ৰিয়াপদৰ ভিতৰতনো কি কি উপাদান আছে, কি চিন বা সংকেতৰ দ্বাৰা সেইবোৰ কেনেভাৱে প্ৰকাশিত হয় ইত্যাদি কথা ইয়াত খৰচি মাৰি আলোচনা কৰা হৈছে। ইয়াৰে কিছু কথা হয়তো মজলীয়া বিদ্যালয়তে পঢ়ি আহিছে। সেইবোৰ হয়তো আপোনালোকৰ ভালকৈ মনত নাই। নাথাকিলেও কথা নাই। এই পাঠৰ যোগেদি ক্ৰিয়াৰূপ সম্বন্ধে সকলো কথা আপোনালোকৰ মনত স্পষ্ট হৈ পৰিব।

এই পাঠত ক্ৰিয়াৰ সমাপিকা ৰূপ, অসমাপিকা ৰূপ, পুৰুষ, বচন, কাল, বিভাৱ, ভাব-বাচ্য, পাঁচনিৰূপ আদিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। কথাবোৰ সহজবোধ্য কৰিবৰ কাৰণে পৰম্পৰাগত ব্যাকৰণৰ ক্ৰম ৰক্ষা কৰা হোৱা নাই। কিয়নো আপোনালোকক আমি এতিয়া ব্যাকৰণ পঢ়ুওৱা নাই; ব্যাকৰণ সম্বন্ধীয় আলোচনা কৰিবলৈ শিকাইছোঁ। এই পাঠ পঢ়ি উঠি আপোনালোকে ক্ৰিয়াপদৰ ব্যৱহাৰ সম্পৰ্কে অৱগত হ'ব।

### ৩.২.১.২ উদ্দেশ্যাৱলী

- অসমীয়া ক্ৰিয়াপদৰ ব্যৱহাৰ সম্পৰ্কে ধাৰণা কৰিব পাৰিব
- কাল আৰু পুৰুষ সম্পৰ্কে ধাৰণা স্পষ্ট হ'ব
- ক্ৰিয়াৰ বিভিন্ন ৰূপ সম্পৰ্কে ধাৰণা কৰিব পাৰিব

## ৩.২.২ অসমীয়া ক্ৰিয়াপদ

### ৩.২.২.১ কাল আৰু পুৰুষ



আমি মাতৃভাষাত কথা কওঁতে বা লিখোঁতে দিনে-ৰাতিয়ে অজস্ৰ ক্ৰিয়াপদ ব্যৱহাৰ কৰোঁ। একোটা ক্ৰিয়াপদে একে সময়তে কেইবাটাও কথাৰ আভাস দিয়ে। তলৰ বাক্য দুটালৈ চাওক —

(১) গাখীৰ আনিলে।

(২) মিঠাই কাইলৈ আনিব।

— ইয়াত দুটা ক্ৰিয়াপদ আছে, 'আনিলে' আৰু 'আনিব'। আনিলে ক্ৰিয়াপদটোৰ ভিতৰত কেইবাটাও কথা লুকাই আছে; অনা কামটো সি বা সিহঁতে কৰিছে, মই বা তুমি কৰা নাই; দ্বিতীয়তে 'অনা' ক্ৰিয়া বহুত আগতে সম্পাদিত হৈছে, বৰ্তমান হোৱা নাই। এই ভিন্ ভিন্ অৰ্থ বুজাবলৈ ব্যৱহাৰিক অসমীয়া আন শব্দ মূলত অৰ্থাৎ ধাতুত ভিন ভিন চিন লগ লাগিছে। সেইবোৰ ভাঙি উলিয়ালে এনেকুৱা হ'ব—

আন্ + ইল্ + এ

তেনেকৈ 'আনিব' ক্ৰিয়াপদৰ ভিতৰতো দুটা কথা লুকাই আছে; 'অনা' কামটো ভৱিষ্যতে হ'ব, আৰু সি বা সিহঁতে কৰিব। 'আনিব' ক্ৰিয়াপদ ভাঙি উলিয়ালে এনেকুৱা হ'ব—

আন + ইব্ + অ

এনেকৈ ধাতুত '-ইল্' বা '-ইব্'ৰ নিচিনা কিছুমান চিন লাগি ক্ৰিয়া সম্পাদিত হোৱাৰ সময় বা কাল সূচায়। ক্ৰিয়া পদৰ এনে প্ৰকাশক কাল বোলে। আকৌ 'এ', '-অ' আদিৰ নিচিনা কিছুমান চিন লগ লাগি 'কোনে' অৰ্থাৎ 'মই', 'তুমি নে সি' কাৰ্য সম্পাদন কৰিছে তাকে বুজায়। ক্ৰিয়াপদৰ এনে প্ৰকাশক 'পুৰুষ' বোলে। মনকৰিবলগীয়া যে প্ৰতিটো ক্ৰিয়াপদৰ পূৰ্ণৰূপেই কমেও 'কাল' আৰু 'পুৰুষ' প্ৰকাশ কৰে।

অসমীয়াত ক্ৰিয়াৰ কাল তিনিটা; অতীত, বৰ্তমান আৰু ভৱিষ্যৎ। ধাতুত 'ইল্' বিভক্তি যুক্ত হৈ অতীত কালৰ আৰু 'ইব্' বিভক্তি যোগ হৈ ভৱিষ্যত কালৰ সূচনা কৰে। বৰ্তমান কাল বুজাবলৈ অসমীয়াত কোনো বিশেষ বিভক্তি নাই; সেই কাৰণে কোনো কোনেৰে ০ (শূন্য) বিভক্তি কল্পনা কৰে। ধাতুত কাল বিভক্তি যুক্ত হোৱাৰ বিশেষ নিয়ম আছে। স্বৰান্ত ধাতুত 'ইল্' বা 'ইব্' বিভক্তি যুক্ত হ'ব লাগিলে ইহঁতৰ আদিৰ স্বৰ 'ই' লোপ পায়। যেনে— খা + (ই)ল + এ = খালে।

অসমীয়াত ক্ৰিয়াৰ পুৰুষ তিনিটা— প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। 'মই', 'আমি'ৰ লগত ব্যৱহৃত ক্ৰিয়াপদক ১ম পুৰুষৰ ক্ৰিয়াপদ বোলে; 'তই', 'তুমি', 'তহঁত', 'তোমালোক'ৰ লগত ব্যৱহৃত ক্ৰিয়াপদক ২য় পুৰুষৰ ক্ৰিয়াপদ বোলে আৰু 'ই', 'সি', তাই, 'সিহঁত'ৰ লগত ব্যৱহৃত ক্ৰিয়াপদক ৩য় পুৰুষৰ ক্ৰিয়াপদ বোলে। কাল ভেদে পুৰুষ বাচক বিভক্তিৰ সামান্য তাৰতম্য দেখা যায়। সেইবোৰ লিখি উলিয়ালে এনে ধৰণৰ হ'ব—

| | বৰ্তমান | অতীত | ভৱিষ্যৎ |
|---|---|---|---|
| প্ৰথম পুৰুষ | ওঁ | ওঁ | ɸ |
| দ্বিতীয় পুৰুষ | অ | ই | ই |
| | আ | আ | আ |
| | এ | এ/-ɸ | অ |
| তৃতীয় পুৰুষ | এ | এ/-ɸ | অ |

মন কৰিবলগীয়া যে অসমীয়াত কাল আৰু পুৰুষ বিভক্তি লগে লগে যায়; ধাতুত প্ৰথমে কাল বিভক্তি যুক্ত হয়, তাৰ পাছত পুৰুষ বিভক্তি লগ লাগে। পুৰুষ বিভক্তি লগ নলগাকৈ কেৱল কাল বিভক্তি যুক্ত হৈ ক্ৰিয়াপদ গঠিত হ'ব নোৱাৰে। এইখিনিতে আৰু এটা কথা মনকৰিবলগীয়া। অকাৰান্ত বা আকাৰন্ত ধাতুৰ লগত তৃতীয় পুৰুষৰ '-এ' বিভক্তি 'য়' ৰূপত লগ লাগে। যেনে—যা- + -এ = যায়।

### ৩.২.২.২ বিভাৱ (Aspect)

ক্ৰিয়াপদে কাল আৰু পুৰুষৰ বাহিৰেও কেতিয়াবা অন্য কথাৰ সূচনা কৰিব পাৰে। তলৰ বাক্য কেইটালৈ চাওক—



২। (ক) তুমি মুৰ্গী মাংস খোৱানে?
(খ) তুমি মুৰ্গী মাংস খাইছানে?
(গ) তুমি চিনেমাখন চালানে?
(ঘ) তুমি চিনেমাখন চাইছিলানে?

ওপৰৰ (ক) আৰু (খ) দুয়োটা বাক্যতে ক্ৰিয়াপদে বৰ্তমান কাল সূচাইছে, কিন্তু তাৰ মাজতে প্ৰভেদ আছে। (ক) বাক্যই কাৰ্যৰ আৰম্ভ হোৱা বুজাইছে অথচ (খ) বাক্যই কাৰ্য সম্পন্ন হোৱা বুজাইছে। তেনেকৈ (গ) আৰু (ঘ) দুয়োটাতে অতীত কালৰ ক্ৰিয়াপদ আছে যদিও দুয়োৰে মাজত প্ৰভেদ আছে। (গ) বাক্যত ক্ৰিয়াপদে বৰ্ণনাত্মক অৰ্থত কাৰ্যৰ তৎকালীন সমাপন সূচাইছে; (ঘ) বাক্যত ক্ৰিয়াপদে বহুত আগতে বা সম্পূৰ্ণৰূপে সম্পন্ন হোৱা সূচাইছে। ক্ৰিয়াপদৰ এনে ভেদক বিভাৱ (Aspect)ৰ ভেদ বোলা হয়, কোনো কোনোৱে ইয়াক অৱস্থাৰ ভেদ বুলিও কয়। (ক) আৰু (গ) বাক্যত ব্যৱহৃত ক্ৰিয়াৰ সম্পন্ন বিভাব (Perfect Aspect) বুলি কোৱা হয়। অসমীয়াত কেৱল, বৰ্তমান আৰু অতীত কালৰ ক্ৰিয়াৰ এনে বিভাৱৰ ভেদ আছে; ভৱিষ্যৎ কালৰ ক্ৰিয়াৰ এনে কোনো বিভাৱ ভেদ নাই।

কোনো কোনো ভাষাত, ঘটমান বা চলিত বৰ্তমান (Present continuous), ঘটমান বা চলিত অতীত (Past continuous) আৰু চলিত ভৱিষ্যৎ (Future continuous) বুলি একোটা চলিত বিভাব আছে। ওড়িয়া ভাষাত এই ভেদ সুস্পষ্ট। 'দেখুচ্ছি' মানে 'চাই আছোঁ', 'দেখুথিলি' মানে চাই আছিলোঁ', আৰু 'দেখুথিবি' মানে চাই থাকিম। অসমীয়াত চলিত বা ঘটমান বিভাব বুজাবলৈ কোনো এটা শব্দৰে গঠিত ক্ৰিয়াপদ নাই। এনে অৰ্থ বুজাবলৈ যৌগিক ক্ৰিয়াপদৰ ব্যৱহাৰ কৰা হয়। ওপৰত উল্লেখ কৰা 'চাই আছোঁ', 'চাই আছিলোঁ', 'চাই থাকিম' আদিত দুটা দুটা ক্ৰিয়াৰূপ ব্যৱহাৰ কৰি এই অৰ্থ ফুটাই তোলা হৈছে।

এতিয়া তলৰ বাক্যকেইটালৈ লক্ষ্য কৰক—

৩। (ক) আপুনি গীত গায়।
(খ) আপুনি গীত গাওক।

৪। (ক) তই গীত গাব?
(খ) তই গীত গা।

৫। (ক) সি বজাৰ কৰে।
(খ) সি বজাৰ কৰক।

৩ (ক) বাক্যত গায় ক্ৰিয়াপদে কৰ্তাই কৰা কামৰ আভাস মাত্ৰ দিছে, কিন্তু ৩ (খ) বাক্যত কৰ্তাক কাৰ্য কৰিবলৈ আদেশ দিয়া হৈছে। তেনেদৰে ৪(ক) আৰু ৫ (ক) বাক্যত ক্ৰিয়াপদে কামৰ আভাস বা বৰ্ণনা তুলি ধৰিছে, কিন্তু ৪ (খ) আৰু ৫ (খ) বাক্যত ক্ৰিয়াই আদেশ প্ৰকাশ কৰিছে। প্ৰতিটো বাক্যৰে (ক) আৰু (খ) ৰ মাজত থকা ভেদ ভাব (Mode)ৰ ভেদ। (ক) আৰ্হিৰ বাক্যবোৰৰ ক্ৰিয়াৰ ভাবক আভাসজ্ঞাপক (indicative) আৰু (খ) আৰ্হিৰ বাক্যবোৰৰ ক্ৰিয়াৰ ভাবক অনুজ্ঞা (imperative) বুলি কোৱা হয়। মনকৰিবলগীয়া যে অসমীয়াত ভাব প্ৰকাশ কৰিবলৈ কোনো বিশেষ বিভক্তি নাই; কেৱল ভিন্ ভিন্ পুৰুষবাচক বিভক্তিৰ যোগত ভাব (Mode)ৰ ভেদ প্ৰকাশ কৰা হয়। ভাব অনুযায়ী পুৰুষবাচক বিভক্তিবোৰ লিখি উলিয়ালে এনেকুৱা হ'ব—

| | আভাসজ্ঞাপক | অনুজ্ঞাবোধক |
|---|---|---|
| ২য় পুৰুষ | অ | $\phi$ |
| | আ | আ |
| | এ | অক/ওক |

মন কৰিবলগীয়া যে ২য় পুৰুষৰ সমানাৰ্থত অৰ্থাৎ তুমিৰ লগত দুয়ো ক্ষেত্ৰতে 'আ' হয় আৰু এনেকুৱা ভাবৰ ভেদ কেৱল ২য় পুৰুষৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**



১। ‘আনিলে’ ক্ৰিয়া পদটো ভাঙি উলিয়ালে কেনেকুৱা হ’ব?

............................................................................................................

............................................................................................................

২। ‘আনিব’ ক্ৰিয়াপদৰ ভিতৰত কেইটা কথা লুকাই আছে?

............................................................................................................

............................................................................................................

৩। কাল বুলিলে কি বুজায়?

............................................................................................................

............................................................................................................

৪। পুৰুষ বুলিলে কি বুজায়?

............................................................................................................

............................................................................................................

৫। অসমীয়াত কাল কেইটা? বৰ্তমান কাল বুজোৱা বিভক্তি কি?

............................................................................................................

............................................................................................................

৬। অসমীয়াৰ বৰ্তমান কালৰ পুৰুষ বিভক্তিসমূহ কি কি?

............................................................................................................

............................................................................................................

৭। কোনটো পুৰুষ বিভক্তি বৰ্তমান, অতীত আৰু ভৱিষ্যত তিনিওটা কালতে একে?

............................................................................................................

............................................................................................................

৮। ধাতুত কাল আৰু পুৰুষ বিভক্তিযুক্ত হোৱাৰ ক্ৰম কি?

............................................................................................................

............................................................................................................

৯। অসমীয়াত ‘চোৱা নে’ আৰু ‘চাইছানে’ৰ মাজৰ প্ৰভেদক কিহৰ প্ৰভেদ বুলি কোৱা হৈছে?

............................................................................................................

............................................................................................................

১০। অসমীয়াত চলিত বৰ্তমান বুজাবলৈ এটা শব্দৰ ক্ৰিয়া পদ আছে নে? ইয়াক কেনেকৈ বুজোৱা হয়?

............................................................................................................

............................................................................................................

১১। অসমীয়াত ভাব বুজোৱা প্ৰত্যয় (Model marker) আছে নে? ইয়াত ভাবগত ভেদ কেনেকৈ বুজোৱা হয়?

............................................................................................................

............................................................................................................

১২। অসমীয়াৰ আভাসজ্ঞাপক আৰু অনুজ্ঞাপক পুৰুষ বিভক্তিবোৰ তালিকাবদ্ধ কৰক।

............................................................................................................

............................................................................................................

### ৩.২.২.৩ পাঁচনি ক্ৰিয়া

অসমীয়া ভাষাৰ ক্ৰিয়াপদ

তলত আপোনালোকে অতি পৰিচিত তিনিটা বাক্য দিয়া হৈছে। বাক্য তিনিটালৈ মন কৰক—

৬। মই ল'ৰাটোক গধূলি পঢ়াওঁ।

৭। মই ডাঙৰটোক ইংৰাজী পঢ়ালোঁ।

৮। মই তাক কাইলৈ পঢ়াম।

(৬) বাক্যত 'মই' কৰ্তা পদে পঢ়া ক্ৰিয়া কৰা নাই; ল'ৰাটোৱেও নিজে কৰা নাই;. 'মই' কৰ্তাপদে ল'ৰাটোক পঢ়া ক্ৰিয়াত প্ৰবৃত্ত কৰিছে। এই বাক্যত ক্ৰিয়াৰ কাৰ্য বৰ্তমান কালত সাধিত হৈছে। (৭) আৰু (৮) বাক্যতো একেদৰে 'মই' কৰ্তাপদে ল'ৰাটোক পঢ়া কাৰ্যত অতীতত আৰু ভৱিষ্যতে প্ৰবৃত্ত কৰাৰ আভাস দিছে। ক্ৰিয়াৰ এনে ৰূপক পাঁচনি ক্ৰিয়া (causative verb) বুলি কোৱা হয়। মন কৰিবলগীয়া যে মূল ধাতুত 'আ' প্ৰত্যয় যোগ দি পাঁচনি ধাতু উৎপন্ন কৰা হয়; ওপৰৰ উদাহৰণকেইটাত 'পঢ়' ধাতুৰ পৰা উৎপন্ন 'পঢ়া' পাঁচনি ধাতু। পাঁচনি ধাতুত প্ৰয়োজন অনুসৰি কাল বিভক্তি আৰু পুৰুষ বিভক্তি যোগ দি বিভিন্ন কাল আৰু পুৰুষৰ ৰূপ কৰা হয়। তলত আৰু দুটামান দৃষ্টান্ত দিয়া হ'ল—

ফুৰ > ফুৰা : ফুৰোৱা, ফুৰালা, ফুৰাবি।

শুন > শুনা : শুনোৱা, শুনালা, শুনাবি।

মাত > মতা : মতাৰ, মতালি, মতাবি।

দি > দিয়া : দিয়ায়, দিয়ালে, দিয়াব।

মন কৰিব লগীয়া যে পাঁচনি বিভক্তি 'আ' যুক্ত হ'লে মূল ধাতুৰ আগৰ অক্ষৰৰ আ > অ হয়। ওপৰৰ উদাহৰণত 'মাত > মতা', তেনেদৰে 'আন > অনা', 'মাৰ > মৰা' ইত্যাদি। 'খা' আৰু 'শো' ধাতু পাঁচনি প্ৰত্যয় 'আ' যুক্ত হ'লে ক্ৰমে 'খুৱা' আৰু 'শুৱা' হয়। তাৰপৰা 'খুৱালো', 'শুৱালো' ইত্যাদি হয়।

অসমীয়াত কোনো কোনো ধাতুৰ লগত পাঁচনি বিভক্তি 'আ'ৰ সলনি 'উৱা' যুক্ত হৈ পাঁচনি ধাতু গঠিত হয়। তলত দিয়া ধাতুবোৰৰ 'উৱা' যুক্ত পাঁচনি ধাতুৰ প্ৰচলনেই বেছি। যেনে—

কান্দ + উৱা > কন্দুৱা

নাচ + উৱা > নচুৱা

পঢ় + উৱা > পঢ়ুৱা

দেখ + উৱা > দেখুৱা

হাঁহ + উৱা > হঁহুৱা

'উৱা' যুক্ত পাঁচনি ধাতুৰ পৰাও ওপৰত কোৱা নিয়ম অনুযায়ী বিভিন্ন কাল আৰু পুৰুষৰ ক্ৰিয়াপদ কৰা হয়।

### ৩.২.২.৪ বাচ্য (voice)

এতিয়া তলত দিয়া আপোনালোকৰ অতি পৰিচিত আন দুটা বাক্যলৈ মন কৰক।

(ক) অসমৰ হাবিত গঁড় পোৱা যায়।

(খ) আগতে সোৱণশিৰি নৈত সোণ পোৱা গৈছিল।

(গ) অসমত আৰু এটা শোধনাগাৰ পতা হ'ব।

বাক্যকেইটাৰ অৰ্থবোধত আপোনালোকৰ কাৰো নিশ্চয় অসুবিধা হোৱা নাই। (ক) বাক্যৰ ক্ৰিয়া বৰ্তমান কালত আছে। ইয়াত ক্ৰিয়াৰ কাৰ্য কোনে সম্পাদন কৰে অৰ্থাৎ কোনে পায় সেইটো ডাঙৰ কথা নহয়; ক্ৰিয়াৰ কাৰ্য কাৰ ওপৰত সম্পাদিত হয়, অৰ্থাৎ কি পায় সেইটো ডাঙৰ কথা। এনে ধৰণে যিবোৰ ক্ৰিয়াই কৰ্মৰ কথাহে বিশেষভাৱে প্ৰকাশ কৰে, কৰ্তাৰ ভূমিকা গৌণ বা শূন্য কৰি তোলে সেইবোৰ ক্ৰিয়াক কৰ্মবাচ্যৰ ক্ৰিয়া বোলে (ক) বাক্যত 'পোৱা যায়' বৰ্তমান কালৰ কৰ্মবাচ্যৰ ক্ৰিয়া (খ) আৰু (গ) বাক্যত একে ক্ৰিয়াপদৰে ক্ৰমে অতীত আৰু ভৱিষ্যৎ কালত ৰূপ দেখুৱা হৈছে। 'পোৱা গৈছিল' অতীত কৰ্মবাচ্যৰ আৰু 'পতা হ'ব' ভৱিষ্যৎ কৰ্মবাচ্যৰ ক্ৰিয়া।

ওপৰৰ তিনিটা বাক্যৰ অৰ্থ তলত লিখা ধৰণেও প্ৰকাশ কৰিব পাৰি—

১০। (ক) আমি অসমৰ হাবিত গঁড় পাওঁ।

বা

চৰকাৰে অসমৰ হাবিত গঁড় পায়।

(খ) আমি আগতে সোৱণশিৰি নৈত সোণ পাইছিলোঁ।

বা

মানুহে আগতে সোৱণশিৰি নৈতি সোণ পাইছিল।

(গ) চৰকাৰে অসমত আৰু এটা শোধনাগাৰ পাতিব।



এইবোৰ বাক্যত ক্ৰিয়াই কৰ্তাৰ কথাকে বিশেষভাৱে প্ৰকাশ কৰিছে; আৰু কৰ্তাৰ লগত ক্ৰিয়াৰ অন্বয় ঘটিছে। ক্ৰিয়াৰ এনে প্ৰকাশক কতৃবাচ্য বোলে।

কৰ্মবাচ্যৰ ক্ৰিয়াপদ গঠন কৰা তেনেই উজু। ওপৰৰ (খ) বাক্যসমূহলৈ লক্ষ্য কৰিলে দেখিব যে ধাতুত 'আ' যোগ কৰা হয় আৰু তাৰ পাছত হয় বা যায় সহায়কাৰী ক্ৰিয়া (auxiliary verb) যোগ কৰা হয়। মন কৰিবলগীয়া যে অকাৰান্ত বা আকাৰান্ত ধাতুত 'আ' যোগ কৰিলে মাজত ক্ৰমে 'য়' আৰু 'ৱ' হয়। যেনে—

পা- + -আ > পোৱা হয়।
খা- + -আ > খোৱা হয়।
ক- + -আ > কোৱা হয়।
নি- + -আ > নিয়া হয়।
শো- + -আ > শোৱা যায়।

আগতে উল্লেখ কৰা পাঁচনি ধাতুৰ পৰাও একে নিয়মে কৰ্মবাচ্যৰ ক্ৰিয়াপদ গঠন কৰিব পাৰি। পাঁচনি ধাতু সদায় আকাৰান্ত হোৱা কাৰণে 'আ' লগ লাগিলে দুয়ো মিলি 'ওৱা' হয়। যেনে—

আন- + আ > অনা + আ > অনোৱা হয় !
পঢ়- + উৱা > পঢুৱা + আ > পঢ়ুওৱা হয়।

অসমীয়াত আৰু এক প্ৰকাৰে কৰ্মবাচ্যৰ ক্ৰিয়াপদ গঠন কৰা হয়। অৱশ্যে এনে কৰ্মবাচ্যৰ ক্ৰিয়া কেইটামান সীমিত ধাতুৰ পৰাহে কৰিব পাৰি, সকলো ধাতুৰ পৰা নোৱাৰি। নিয়মটো তেনেই উজু। ধাতুত কেৱল 'ই' যোগ কৰিব লাগে। যেনে—

১১। অসমৰ পৰা হিমালয় পৰ্বত ভালকৈ দেখি।

ইয়াত 'দেখ' ধাতুৰ-লগত 'ই' যোগ কৰা হৈছে। তেনেদৰে শুন + ই = শুনি, পাৰ + ই = পাৰি, মণ + ই = মণি ইত্যাদি হয়। মন কৰিবলগীয়া যে কৰ্মবাচ্যৰ ক্ৰিয়া সদায় ৩য় পুৰুষৰ হয়।

কৰ্মবাচ্যৰ ক্ৰিয়াপদ সাধাৰণতে সকৰ্মক (transitive) ক্ৰিয়াপদৰ পৰা গঠন কৰা হয়। কেতিয়াবা অকৰ্মক ক্ৰিয়াপদৰ পৰাও কৰ্মবাচ্যৰ ক্ৰিয়াপদ গঠন কৰা হয়। এনে ক্ৰিয়াপদক ভাববাচ্যৰ ক্ৰিয়া বোলা হয়। অসমৰ সত্ৰীয়া সমাজৰ ভাষাত এনে ভাববাচ্যৰ ক্ৰিয়াৰ ব্যৱহাৰ তেনেই সঘনালনি। সম্বোধন কৰিবলগীয়া ব্যক্তিক তুমি বুলিব নে আপুনি বুলিব ঠিক কৰিব নোৱাৰিলে আধুনিক অসমীয়াতো এনে ভাববাচ্যৰ আশ্ৰয় লোৱা হয়। যেনে—

১২। (ক) কেতিয়া অনা হ'ল?

(খ) কেতিয়া যোৱা হ'ব?

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। পাঁচনি ক্ৰিয়া কাক বোলে?

.....................................................................................................

.....................................................................................................

২। অসমীয়া পাঁচনি ধাতু কেনেকৈ গঠন কৰা হয়?

.....................................................................................................

.....................................................................................................

৩। অসমীয়াত পুৰুষ, কাল আৰু পাঁচনি প্ৰত্যয় গঠনৰ ক্ৰম কি?

..................................................................................................................

..................................................................................................................



৪। আন ধাতুৰ পৰা বৰ্তমান আৰু অতীত কালৰ পাঁচনি ক্ৰিয়া গঠন কৰি বাক্যত ব্যৱহাৰ কৰি দেখুৱাওক।

..................................................................................................................

..................................................................................................................

৫। অসমীয়া পাঁচনি প্ৰত্যয় 'আ' আৰু 'উৱা' সকলো ঠাইতে এটাৰ সলনি আনটো ব্যৱহাৰ কৰিব পাৰিনে?

..................................................................................................................

..................................................................................................................

৬। কোনবোৰ ধাতুত সাধাৰণতে 'উৱা' প্ৰত্যয় যুক্ত হয়?

..................................................................................................................

..................................................................................................................

৭। অসমীয়াত কৰ্মবাচ্য কেনেকৈ গঠন কৰা হয়?

..................................................................................................................

..................................................................................................................

৮। সকলো ধাতুৰ পৰাই 'ই' যুক্ত কৰ্মবাচ্যৰ ক্ৰিয়াপদ গঠন কৰিব পাৰি নে?

..................................................................................................................

..................................................................................................................

৯। কৰ্মবাচ্যৰ পাঁচনি ক্ৰিয়া কেনেকৈ গঠন কৰা হয়?

..................................................................................................................

..................................................................................................................

১০। কেনে ক্ষেত্ৰত কৰ্মবাচ্যৰ ব্যৱহাৰ কৰা হয়?

..................................................................................................................

..................................................................................................................

১১। অকৰ্মক ধাতুৰপৰা অসমীয়াত কৰ্মবাচ্য-সদৃশ ক্ৰিয়াপদ গঠন কৰিব পাৰি নে? উদাহৰণ দিয়ক।

..................................................................................................................

..................................................................................................................

১২। ভাববাচ্য কি? দুটা উদাহৰণ দিয়ক।

..................................................................................................................

..................................................................................................................

### ৩.২.২.৫ নামক্ৰিয়া গঠন (Formation of Denominative)

দৈনন্দিন জীৱনত আমি কেতিয়াবা বিশেষ্য শব্দৰ পৰাও ক্ৰিয়াপদ গঠন কৰোঁ। তেনে ক্ৰিয়াপদ কোনো গুণে আন সাধাৰণ ক্ৰিয়াপদৰ পৰা ভিন্ন নহয়। তলৰ বাক্যকেইটালৈ মন কৰক—

১২। (ক) মই তাক ভুকুৱালোঁ।

(খ) পুলিচে চোৰটোক টঙনিয়ালে।

(গ) কেতিয়াৰা কেতিয়াবা বাপেকে ল'ৰাটোক চৰিয়ায়।

(ঘ) তেওঁ কথাটোলৈ আঙুলিয়াব।

ওপৰৰ উদাহৰণবোৰত 'ভুকু', 'টাঙোন', 'চৰ' আৰু 'আঙুলি' বিশেষ্য শব্দত 'আ' বা 'ইয়া' প্ৰত্যয় যোগ হৈ ধাতু গঠন কৰিছে আৰু সেই ধাতুবোৰ পিছত সাধাৰণ ধাতুৰ নিচিনা বিভিন্ন কাল আৰু পুৰুষত

ৰূপ হৈছে। ব্যাকৰণত এনে বিশেষ্যৰ পৰা হোৱা ধাতুক নামধাতু আৰু তাৰ পৰা সাধিত হোৱা ক্ৰিয়াক নাম ক্ৰিয়া বোলে।

মন কৰিবলগীয়া যে সকলো বিশেষ্য শব্দৰ পৰা এনে নামধাতু আৰু নামক্ৰিয়া গঠিত নহয়।



## নেতিবাচক ক্ৰিয়াপদ গঠন

আমি কথা কওঁতে বা লিখোঁতে কিছুমান ক্ৰিয়া পদক নিষেধাৰ্থক বা নেতিবাচক অৰ্থত ব্যৱহাৰ কৰোঁ। নিচেই সৰু কালৰে পৰা আমি এনেধৰণৰ নেতিবাচক ক্ৰিয়াপদ গঠন কৰিবলৈ শিকোঁ। তলৰ আমাৰ অতি পৰিচিত বাক্যবোৰলৈ চাওক।

১৩। (ক) মই ৰাতি ভাত নাখাওঁ/নেখাওঁ।

(খ) তেওঁ ৰাতি চকুৰে নেদেখে।

(গ) ল'ৰাটোৱে বাপেকৰ কথা নুশুনিলে।

(ঘ) তোমালোকে খৰকৈ নিলিখিবা।

(ঙ) তুমি দিনত নোশোৱা নেকি?

ওপৰৰ বাক্যবোৰত ক্ৰিয়াপদসমূহ নেতিবাচক ৰূপত আছে। ভালকৈ লক্ষ্য কৰিলে দেখিব যে এটা প্ৰণালীবদ্ধ নিয়মত ক্ৰিয়াবোৰ গঠিত হৈছে। প্ৰতিটো ক্ৰিয়াৰ আগৰফালে 'ন-' যুক্ত নেতিবাচক অৰ্থ প্ৰকাশ কৰিছে; 'ন-' ৰ লগত কেতিয়াবা 'একাৰ', কেতিয়াবা 'ইকাৰ' আৰু কেতিয়াবা 'উকাৰ' হৈছে। অলপ গভীৰভাৱে লক্ষ্য কৰিলে দেখা যাব যে ইয়াতো এটা প্ৰণালী আছে। যদি ধাতুৰ আদি অক্ষৰত 'আকাৰ' আছে, 'ন-' ৰ লগতো 'আকাৰ' হৈছে, যদি 'একাৰ' আছে 'ন-' ৰ লগতে 'একাৰ' হৈছে ইত্যাদি। আগৰ বা পিছৰ ধ্বনি বা অক্ষৰৰ প্ৰভাৱত পিছৰ বা আগৰ অক্ষৰৰ ধ্বনিগুণ সলনি হৈ একে হৈ যোৱাক ব্যাকৰণত সমীভৱন বোলে। অসমীয়াৰ নিষেধাৰ্থক ক্ৰিয়া পদ গঠনৰ ওপৰৰ উদাহৰণবোৰত নিষেধাৰ্থক 'ন'ৰ 'অ' ধ্বনি ক্ৰিয়াপদৰ আদি অক্ষৰৰ স্বৰ ধ্বনিৰ লগত সমীভূত হৈছে। অসমীয়াত সকলো ক্ৰিয়াপদৰে এনেধৰণে নিষেধাৰ্থক ৰূপ গঠন কৰিব পাৰি।

এইখিনিতে এটা বিশেষ পৰিৱৰ্তন মন কৰিবলগীয়া। সাধাৰণ ভৱিষ্যত কালৰ ক্ৰিয়াপদৰ নেতিবাচক গঠন কৰিবলৈ হ'লে ভৱিষ্যৎ কালৰ ক্ৰিয়াপদ সাধাৰণ বৰ্তমান কাললৈ পৰিৱৰ্তিত হয়। আনহাতে, বৰ্তমান কালৰ অনুজ্ঞাৰ ক্ৰিয়াপদৰ নিষেধাৰ্থক ৰূপ গঠন কৰিবলৈ হ'লে সি ভৱিষ্যৎ কালৰ ক্ৰিয়াপদলৈ পৰিৱৰ্তিত হয়। যেনে—

| | | | |
|---|---|---|---|
| **সাধাৰণ ভৱিষ্যৎ** | ন | + কৰিম | > নকৰোঁ। |
| | ন | + লিখিব | > নিলিখে। |
| **অনুজ্ঞা** | ন | + কৰ | > নকৰিবি। |
| | ন | + চা | > নাচাবি। |
| | ন | + লিখক | > নিলিখিব। |

সাধাৰণতে ক্ৰিয়াপদৰ আদি অক্ষৰত আকাৰ থাকিলে তাৰ আগত নেতিবাচক 'ন', 'না' নহৈ কেতিয়াবা 'নে' হয়। ক'বলৈ গ'লে বেছিভাগ লিখিত সাহিত্যত 'নে'ৰ প্ৰয়োগহে বেছি দেখিবলৈ পোৱা যায়। যেনে—

ন + খায় > না খায়, নেখায়।

ন + পালে > নাপালে, নেপালে।

ন + যাওঁ > নাযাওঁ, নেযাওঁ।

আকৌ 'পাৰ-' ধাতুৰপৰা নেতিবাচক ক্ৰিয়া গঠন কৰিবলৈ হ'লে ইয়াৰ ৰূপগত পৰিৱৰ্তন হৈ 'নোৱাৰ-' হয়। যেনে—

ন + পাৰ্ + ওঁ > নোৱাৰোঁ।

ন + পাৰ্ + ইল্ + এ > নোৱাৰিলে।

### ৩.২.২.৬ সংযোজক ক্ৰিয়া (Conjuctives)

ওপৰৰ উদাহৰণবোৰত ক্ৰিয়াসমূহে বাক্য একোটাৰ সমাপ্তি সূচনা কৰিছে। এনেধৰণৰ বাক্যৰ সমাপ্তি সূচনা কৰা ক্ৰিয়াসমূহক সমাপিকা ক্ৰিয়া (finite verb) বোলে। সমাপিকা ক্ৰিয়াত কম পক্ষেও কাল আৰু পুৰুষবাচক বিভক্তি সন্নিহিত হৈ থাকে।

১৪। (ক) মই ভাত খাই স্কুললৈ যাওঁ।
(খ) তুমি স্কুলৰপৰা আহি কি কৰা?
(গ) তাই ঘৰলৈ গৈ কথাটো ক'লে।
(ঘ) আপুনি ঘৰ পাই চিঠি দিব।

১৫। (ক) তুমি আহোঁতে কিতাপখন লৈ আহিবা।
(খ) আমি ঘৰ পাওঁতে ৰাতি হ'ল।

১৬। (ক) সন্ধিয়া হ'লত চৰাইবোৰ বাহলৈ উভতিল।
(খ) চাৰ আহিলত হাই-উৰুমি বন্ধ হ'ল।

(১৪) বাক্যসমূহলৈ চালে দেখা যাব যে ধাতুত কেৱল '-ই' যোগ কৰি অসমাপিকা ক্ৰিয়া গঠন কৰা যায়। প্ৰথম বাক্যৰ কৰ্তাৰ পুৰুষ যিয়েই নহওক অথবা দ্বিতীয় বাক্যৰ ক্ৰিয়াৰ কাল যিয়েই নহওক, অসমাপিকা ক্ৰিয়াৰ ৰূপ সদায় অপৰিৱৰ্তিত থাকে। অৰ্থাৎ অসমাপিকা ক্ৰিয়াৰ সদায় কাল আৰু পুৰুষ নিৰপেক্ষ। এটা ক্ৰিয়াৰ কাৰ্য সম্পাদনৰ পাছত আন এটা ক্ৰিয়াৰ কাম সম্পাদন হোৱা বুজালে (১৪) আৰ্হিৰ অসমাপিকা ক্ৰিয়াৰ প্ৰয়োগ হয়। মনকৰিবলগীয়া যে এটা বাক্যত এটাতকৈ বেছি অসমাপিকা ক্ৰিয়া থাকিব পাৰে।

(১৫) বাক্যৰ অসমাপিকা ক্ৰিয়াই এটা ক্ৰিয়াৰ কাৰ্য চলি থকা সময়ত আন এটা ক্ৰিয়াৰ কাৰ্য সম্পাদন হোৱা বুজায়। (১৫) আৰ্হিৰ অসমাপিকা ক্ৰিয়া গঠন কৰিবলৈ হ'লে ধাতুত 'ওঁতে' কৃদন্ত প্ৰত্যয় যোগ কৰিব লাগে। '-ওঁতে' যুক্ত অসমাপিকা ক্ৰিয়াও কাল আৰু পুৰুষ নিৰপেক্ষ; ইয়াতো দ্বিতীয় বাক্যৰ ক্ৰিয়াপদ যি কোনো কাল আৰু পুৰুষত থাকিব পাৰে।

(১৬) আৰ্হিৰ অসমাপিকা ক্ৰিয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰ তেনেই সংকীৰ্ণ। ধাতুত 'ইলত' প্ৰত্যয় যোগ কৰি এনে অসমাপিকা ক্ৰিয়াপদ গঠন কৰা হয়। মনকৰিবলগীয়া যে ধাতু অকাৰন্ত বা আকাৰন্ত হ'লে 'ইলত' প্ৰত্যয়ৰ আদিৰ '-ই' লুপ্ত হয় আৰু ধাতু একাৰন্ধ বা ওকাৰন্ত হ'লে ধাতুৰ 'এ' বা 'ও' লুপ্ত হয়। প্ৰথম বাক্যৰ কৰ্তা ৩য় পুৰুষত থাকিলে আৰু ক্ৰিয়াৰ কাৰ্য অতীত কালত সম্পাদিত হ'লেহে এনে অসমাপিকা ক্ৰিয়া যুক্ত হ'ব পাৰে।

দুটা বা ততোধিক বাক্যৰ সংযোগ সাধন কৰিব পাৰে কাৰণে এনেধৰণৰ অসমাপিকা ক্ৰিয়াক সংযোজক ক্ৰিয়া (Conjuctives) বুলিও জনা যায়।

### ৩.২.২.৭ সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া (Transitive and Intransitive Verb)

প্ৰসংগক্ৰমে সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াৰ কথা আগতে উল্লেখ কৰা হৈছে। আপোনালোক বহুতেই হয়তো সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াৰ ভেদ সুস্পষ্টভাৱে জানেই। তথাপিও আলোচনাৰ সুবিধাৰ্থে আৰু নজনাসকলৰ অৱগতিৰ নিমিত্তে তলত তাৰ সংক্ষিপ্ত আলোচনা আগবঢ়োৱা হ'ল। এতিয়া তলৰ উদাহৰণকেইটালৈ চাওক।

১৭। (ক) চিপাহীয়ে মানুহ মাৰিলে।
(খ) আয়তীসকলে কইনা উলিয়ালে।
(গ) দেউতাই আমাক ঘৰলৈ পঠালে।

(ক) বাক্যত 'চিপাহী' কৰ্তাই 'মৰা' কাৰ্য সম্পাদন কৰিছে আৰু এই কাৰ্য 'মানুহ'ৰ ওপৰত সম্পাদিত হৈছে। (খ) বাক্যত 'আয়তীসকল' কৰ্তাই উলিওৱা কাৰ্য 'কইনা'ৰ ওপৰত সম্পাদিত কৰিছে। (গ) বাক্যত 'দেউতা' কৰ্তা পঠোৱা কাৰ্য 'আমাৰ' ওপৰত সম্পাদিত কৰিছে। গতিকে (ক), (খ) আৰু (গ) বাক্যত ক্ৰমে 'মানুহ', 'কইনা' আৰু 'আমাক' কৰ্ম। যি ক্ৰিয়াৰ এনে কৰ্ম থাকে তেনে ক্ৰিয়াক সকৰ্মক (Transitive) ক্ৰিয়া বোলে।

এইবাৰ আন তিনিটা বাক্যলৈ মন কৰক—

১৮।(ক) বহুত মানুহ মৰিল।

(খ) সূৰ্য ওলাল।

(গ) আমি ঘৰলৈ গ'লোঁ।



(ক) বাক্যত 'মৰিল' ক্ৰিয়াৰ কৰ্তা 'বহুত মানুহ'। (খ) বাক্যত ওলাল ক্ৰিয়াৰ কৰ্তা সূৰ্য আৰু (গ) বাক্যৰ 'গ'লোঁ' ক্ৰিয়াৰ কৰ্তা 'আমি'। ওপৰৰ (১৭) বাক্যসমূহৰ লগত ৰিজাই চালে দেখা যাব যে এই বাক্যবোৰত কোনো কৰ্ম নাই। এনেধৰণৰ কৰ্ম গ্ৰহণ নকৰা ক্ৰিয়াক অকৰ্মক (Intransitive) ক্ৰিয়া বোলে। মন কৰিবলগীয়া যে অকৰ্মক ক্ৰিয়া পাঁচনি ক্ৰিয়ালৈ ৰূপান্তৰিত হ'লে সকৰ্মক ক্ৰিয়াত পৰিণত হয়।

কেতিয়াবা আকৌ একেটা বাক্যতে দুটাকৈ কৰ্ম থাকে; এনে ক্ষেত্ৰত এটা কৰ্ম প্ৰাণীবাচক (animate) আৰু আনটো অপ্ৰাণীবাচক (inanimate) হয়। যেনে—

১৯। মই ৰামক কিতাপখন দিলোঁ। ইয়াত 'দিলোঁ' ক্ৰিয়াৰ কৰ্ম দুটা— (১) ৰাম আৰু (২) কিতাপখন। 'ৰাম' প্ৰাণীবাচক কৰ্ম আৰু 'কিতাপখন' অপ্ৰাণীবাচক। গতিকে ইয়াৰ লগত কৰ্মকাৰকৰ বিভক্তি 'ক' বিভক্তি যুক্ত হয়; 'কিতাপখন' অপ্ৰাণীবাচক গতিকে ইয়াৰ লগত কৰ্মকাৰকৰ বিভক্তি 'ক' যুক্ত নহয়। যিবিলাক ক্ৰিয়াপদে এনেধৰণে দুটাকৈ কৰ্ম গ্ৰহণ কৰিব পাৰে সেইবিলাকক দ্বিকৰ্মক ক্ৰিয়া বোলে। মনকৰিবলগীয়া যে ৰূপগতভাৱে বা গুণগতভাৱে দ্বিকৰ্মক ক্ৰিয়াৰ সাধাৰণ সকৰ্মক ক্ৰিয়াৰ লগত কোনো প্ৰভেদ নাই।

## ৩.২.২.৮ নিমিত্তাৰ্থক ক্ৰিয়া (Infinitives)

কেতিয়াবা এটা ক্ৰিয়াৰ কাৰ্য আন এটা ক্ৰিয়াৰ কাৰ্য সাধনৰ উদ্দেশ্য বা নিমিত্ত স্বৰূপ হয়। তলৰ উদাৰহণটোলৈ চাওক।

২০। (ক) মই মাছ আনিবলৈ বজাৰলৈ যাওঁ।

(খ) চাৰে মোক পূজাৰ বৰঙনি নিবলৈ কৈছিল।

(ক) বাক্যত 'যোৱা' ক্ৰিয়া সাধনৰ মূল উদ্দেশ্য বা নিমিত্ত হৈছে 'অনা' ক্ৰিয়া সাধনৰ মূল উদ্দেশ্য বা নিমিত্ত হৈছে 'অনা' ক্ৰিয়া। তেনেদৰে (খ) বাক্যত 'কোৱা' ক্ৰিয়া সাধনৰ উদ্দেশ্য বা নিমিত্ত হৈছে 'নিয়া'। এনেধৰণে নিমিত্ত বুজাবৰ কাৰণে ক্ৰিয়াৰ যি ৰূপ হয় তাকে নিমিত্তাৰ্থক ক্ৰিয়া বোলে।

ধাতুত সাধাৰণতে 'ইবলৈ' প্ৰত্যয় যোগ দি নিমিত্তাৰ্থক ক্ৰিয়া গঠন কৰা হয়। ধাতু যদি অকাৰন্ত বা আকাৰন্ত হয়, তেতিয়া 'ইবলৈ' প্ৰত্যয়ৰ আদিৰ 'ই' লুপ্ত হয়। মনকৰিবলগীয়া যে নিমিত্তাৰ্থক ক্ৰিয়াও একপ্ৰকাৰ অসমাপিকা ক্ৰিয়া আৰু ইও কাল আৰু পুৰুষ নিৰপেক্ষ।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

তলৰ প্ৰশ্নবিলাকৰ চমু উত্তৰ দিয়ক।

১। নামক্ৰিয়া কি? উদাহৰণসহ বুজাই লিখক।

........................................................................................................

........................................................................................................

২। অসমীয়াত নেতিবাচক ক্ৰিয়াপদ কেনেকৈ গঠন কৰা হয়? উদাহৰণসহ বুজাই লিখক।

........................................................................................................

........................................................................................................

৩। সমীভৱন কাক বোলে? উদাহৰণ দিয়ক।

........................................................................................................

........................................................................................................

৪। অসমীয়া নেতিবাচক ক্ৰিয়াপদ গঠন নিয়মৰ কিবা ব্যতিক্ৰম দেখা যায় নেকি?

..............................................................................................................

..............................................................................................................

৫। সমাপিকা ক্ৰিয়া কি? উদাহৰণসহ বুজাই লিখক। নিমিত্তাৰ্থক ক্ৰিয়া সকৰ্মক নে অকৰ্মক? সমাপিকা নে অসমাপিকা?

..............................................................................................................

..............................................................................................................

৬। পাঠত সমাপিকা ক্ৰিয়া গঠনৰ নিয়ম কি বুলি কোৱা হৈছে? অসমাপিকা ক্ৰিয়া গঠনত কি কি প্ৰত্যয় যুক্ত হয়।

..............................................................................................................

..............................................................................................................

৭। সংযোজক ক্ৰিয়া কি? ইয়াৰ কাল আৰু পুৰুষ অনুসৰি ৰূপ হয় নে? নিমিত্তাৰ্থক ক্ৰিয়াক সংযোজক ক্ৰিয়াৰ ভিতৰত ধৰিব পাৰি নেকি?

..............................................................................................................

..............................................................................................................

৮। সকৰ্মক ক্ৰিয়া আৰু সমাপিকা ক্ৰিয়া একে নে বেলেগ? সমাপিকা ক্ৰিয়া চিনি পোৱাৰ উপায় কি?

..............................................................................................................

..............................................................................................................

৯। অকৰ্মক ক্ৰিয়াপদৰপৰা কৰ্মবাচ্যৰ ক্ৰিয়াপদ গঠন কৰিব পাৰি নেকি? উদাহৰণসহ বুজাই লিখক।

..............................................................................................................

..............................................................................................................

১০। দ্বিকৰ্মক ক্ৰিয়া কি? উদাহৰণসহ বুজাই লিখক।

..............................................................................................................

..............................................................................................................

## ৩.২.৩ শব্দটোকা

**পুৰুষ ঃ**

পুৰুষ এটা ব্যাকৰণগত শ্ৰেণী। সৰ্বনাম, বিশেষ্য আৰু ক্ৰিয়াৰ পুৰুষ থাকে। অসমীয়াত 'মই', 'আমি' ১ম পুৰুষৰ সৰ্বনাম, 'তই', 'তুমি', 'আপুনি', আৰু 'ইহঁতৰ' বহুবচনবোৰ ২য় পুৰুষৰ সৰ্বনাম; 'ই', 'সি', 'তাই' আৰু 'ইহঁতৰ' বহুবচনবোৰ ৩য় পুৰুষৰ সৰ্বনাম। সকলো বিশেষ্য পদ ৩য় পুৰুষৰ ভিতৰত ধৰা হয়। সৰ্বনাম আৰু বিশেষ্যৰ বচন অনুসৰি ক্ৰিয়াৰো ভিন ভিন বচন হয়; ক্ৰিয়াত ভিন ভিন বিভক্তি যুক্ত হৈ বচনৰ ভিন্নতা সূচনা কৰে।

**কাল আৰু সময় ঃ**

কাল আৰু সময় দুয়ো একে বস্তু নহয়। কাল ব্যাকৰণৰ বস্তু; ইয়াৰ ক্ৰিয়াৰ লগত সম্বন্ধ। সময় ব্যৱহাৰিক জগতৰ বস্তু। সময়ৰ হিচাপত বৰ্তমান এটা মুহূৰ্ত মাথোন; 'কালি', 'পৰহি' আদি সকলো অতীত; 'কাইলৈ', 'পৰহিলৈ' আদি ভৱিষ্যৎ। ক্ৰিয়াৰ কালৰ সীমাৰেখা ইমান কটকটীয়া নহয়। বৰ্তমান কালৰ ক্ৰিয়াই অতীত সময় বা ভৱিষ্যৎ সময়ো বুজাব পাৰে। যেনে— বৃটিছে আমাৰ দেশ এশ বছৰ শাসন কৰে। পৰহিলৈ মই ঘৰলৈ যাওঁ।

**কৰ্তা, কৰ্ম, ক্ৰিয়া ঃ**

কৰ্তা, কৰ্ম, ক্ৰিয়া— বাক্যৰ তিনিটা প্ৰধান উপাদান। সাধাৰণতে বাক্যত যিয়ে কোনো কাৰ্য কৰে সি কৰ্তা, যাৰ ওপৰত কাৰ্য সাধিত হয় সি কৰ্ম আৰু যি কাৰ্যৰ সূচনা কৰে সি ক্ৰিয়া। তলৰ বাক্যটোলৈ

চাওক—

ৰামে ৰাৱণক মাৰিলে।

ইয়াত 'ৰামে' কৰ্তা, 'ৰাৱণক' কৰ্ম আৰু 'মাৰিলে' ক্ৰিয়া। অসমীয়াত কৰ্তা আৰু ক্ৰিয়াৰ সদায় অন্বয় হয়। কৰ্তাৰ যি পুৰুষ হয় ক্ৰিয়াৰো সেই পুৰুষ হয়।

শুদ্ধ অৰ্থত কৰ্তা কোনো ক্ৰিয়াৰ কাৰ্যৰ কৰোঁতা নহ'বও পাৰে। ক্ৰিয়াৰ লগত যাৰ পুৰুষগত সংগতি হয় সিয়ে কৰ্তা। যেনে— ঘৰটো ভাঙিল। ইয়াত 'ভঙা' ক্ৰিয়া 'ঘৰে' কৰা নাই। 'ঘৰটো' হয়তো বতাহত ভাঙিছে, গৃহস্থই ভাঙিছে অথবা নগৰপালিকাই ভাঙিছে। ফিলমোৰ নামৰ এজন ব্যাকৰণকাৰে সেই কাৰণে ব্যাকৰণগত কৰ্তা আৰু প্ৰকৃত কৰোঁতা একে নহয় বুলি ঠাৱৰ কৰিছে।

ব্যাকৰণ আৰু লিখন দক্ষতা

**বিভক্তি আৰু প্ৰত্যয় ঃ**

পৰম্পৰাগত ব্যাকৰণত শব্দমূলৰ লগত যুক্ত হোৱা চিনক বিভক্তি আৰু ধাতুৰ লগত যুক্ত হোৱা চিনক প্ৰত্যয় বোলা হয়। সেই অনুক্ৰমে কাৰকৰ চিনসমূহক বিভক্তি আৰু ক্ৰিয়াৰ চিনসমূহক প্ৰত্যয় বুলিব পাৰি। কিন্তু এই ভেদ বৰ কটকটীয়া নহয়। সাম্প্ৰতিক ব্যাকৰণত ইটোৰ ঠাইত সিটো ব্যৱহাৰ কৰা দেখা যায়। এই পাঠতো বিভক্তি আৰু প্ৰত্যয়ক সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হৈছে।

## ৩.২.৪ অনুশীলনী

### ৩.২.৪.১ বৈয়াকৰণিক অনুশীলনী

১। তলত তিনিটা ধাতুৰ বিভিন্ন ৰূপ দেখুওৱা হৈছে। সেই আৰ্হিত বাকীবোৰ ধাতুৰ পৰা ক্ৰিয়াপদ গঠন কৰি দেখুৱাওক।

| | | | | | |
|---|---|---|---|---|---|
| | আন | আনো | আনিছোঁ | আনিলোঁ | আনিম |
| | শো | শোঁ | শুইছোঁ | শুলোঁ | শুম |
| | নে | নিওঁ | নিছোঁ | নিলোঁ | নিম |
| ক) | খা | .......... | .......... | .......... | .......... |
| খ) | পঢ় | .......... | .......... | .......... | .......... |
| গ) | দে | .......... | .......... | .......... | .......... |
| ঘ) | ধো | .......... | .......... | .......... | .......... |
| ঙ) | শুণ | .......... | .......... | .......... | .......... |

২। তলৰ ক্ৰিয়াপদবিলাকৰ উপাদানসমূহ খণ্ড খণ্ডকৈ দেখুৱাওক। আপোনালোকৰ সুবিধাৰ কাৰণে দুটা কৰি দেখুওৱা হ'ল।

কৰিছিলোঁ ঃ কৰ্ - ইছ্ - ইল্ওঁ

খাম ঃ খা - (ই)ম্ - $\phi$

(ক) দেখিছিলোঁ ঃ ..........................................................................

(খ) শুনিছিলি ঃ ..........................................................................

(গ) দিলে ঃ ..........................................................................

(ঘ) মৰিল ঃ ..........................................................................

(ঙ) আছোঁ ঃ ..........................................................................

(চ) মাৰিব ঃ ..........................................................................

(ছ) আহিছে ঃ ..........................................................................

৩। আৰ্হি অনুসৰি ৰূপান্তৰ কৰক—

**(অ) মাৰিছোঁ ঃ মাৰিছে**

ক) আনিছোঁ ঃ ..........................................................................

খ) খাইছোঁ ঃ ..........................................................................

গ) হৈছোঁ ঃ ..........................................................................

ঘ) পাৰিছোঁ ঃ ..........................................................................

**(আ) আহিছে ঃ আহিল**

ক) কৰিছে ঃ ..............................................................................

খ) মাৰিছে ঃ ..............................................................................

গ) নিছে ঃ ..............................................................................

ঘ) হৈছে ঃ ..............................................................................

৪। তলৰ খালী ঠাইবোৰ পূৰণ কৰক। বন্ধনীৰ ভিতৰত দিয়া শব্দৰ সহায় ল'ব পাৰিব।

ক) কেঁচুৰাটোৱে জোনটোলৈ ...................... দেখুৱাইছে। (আঙুলি)

খ) গৃহস্থই চোৰটোক ...................... বাহিৰ কৰি দিলে। (টাঙোন)

গ) মাকে ল'ৰাটোক............................। (থাপৰ ঃ অতীত কাল)

ঘ) কুকুৰীকণাই ৰাতি চকুৰে ......................। (দেখ-)

ঙ) তোমালোকে দিনত .............? (ন- + শো-)

চ) মই দশমিকৰ হৰণ কৰিব ......................। (ন - + পাৰ-)

ছ) ল'ৰাটো বৰ অঘাইটং; সি কাৰো কথা............................। (শুন-)

জ) তোমালোকে গণ্ডগোল ...................... মনে মনে বহি থাকা। (কৰ-)

ঝ) ঘৰৰ পৰা কেতিয়া .................. হ'ল? (আহ-)

ঞ) হিমালয় পৰ্বত অসমৰ পৰা ভালকৈ ......................। (দেখ-)

৫। সংযোজক ক্ৰিয়াৰ সহায়ত তলত দিয়া বাক্যবোৰ লগ লগাওক ।

ক) সি ৫ বজাত আহে। ভাত খায়। তাৰ পাছত ফুৰিবলৈ যায়।

খ) ককাইদেৱে দুখন শাড়ী আনিলে। এখন ভন্টিক আৰু আনখন নবৌক দিলে।

গ) আপুনি নিজে যাওক। পইচাখিনি লৈ আহক।

ঘ) আমি ঘৰলৈ আহি আছোঁ। এনেতে বতাহ বৰষুণ আহিল।

ঙ) ৰাতি পুৱাল। চৰাই-চিৰিকতিয়ে কিৰিলিয়াবলৈ ধৰিলে।

চ) বিজুলি সৰবৰাহ বন্ধ হ'ল। তেতিয়া চিনেমা হলৰ ভিতৰত হাই-উৰুমি বন্ধ হ'ল।

ছ) মই তোমাৰ চিঠি পালোঁ। লগে লগে উত্তৰ লিখিব ধৰিছোঁ।

জ) তোমালোক তেতিয়া ভিতৰত বহি আছা। এনেতে পিয়নে চিঠিখন দি গ'ল।

৬। তলৰ বাক্যবোৰ পৰীক্ষা কৰক আৰু সকৰ্মক ক্ৰিয়াবোৰৰ তলত ৰেখা টানি দিয়ক।

ক) যুদ্ধত বহুত মানুহ মৰিল।

খ) গালি খালোঁ।

গ) সিহঁত কাইলৈ ঘৰলৈ যাব।

ঘ) তোমালোকে তেওঁক কথাটো ক'বা।

ঙ) মই মাছ আনিবলৈ যাওঁ।

চ) তই মোৰ ওচৰত বহ।

ছ) সূৰ্য পূবত উদয় হয়। পশ্চিমত মাৰ যায়।

জ) মই ভাত খাই শুই পৰিলোঁ।

৭। তলৰ বাক্যবোৰ পৰীক্ষা কৰক আৰু অসমাপিকা ক্ৰিয়াবোৰ চিহ্নিত কৰক।

ক) মই চিনেমা চাবলৈ ভাল নাপাওঁ।

খ) চাওঁতে চাওঁতে বেলি দুপৰ হ'ল।

গ) তেওঁ কথা দিও কথা নাৰাখিলে।

ঘ) হেড মাষ্টৰে বুজালত সকলো মান্তি হ'ল।

ঙ) বেমাৰী হ'ল তেওঁ নেখাই নেখাই।

চ) সূৰ্য উদয় হ'লত পদুম ফুলিল।

ছ) তই মাতিলে তেওঁ নিশ্চয় আহিব।

৮। তলৰ বাক্যবোৰ নিৰ্দেশ অনুসৰি সলনি কৰক।

ক) বৰ গণ্ডগোল; একো নুশুনি। (আন প্ৰকাৰৰ কৰ্মবাচ্য)

খ) কথাটো আলোচনা কৰিব পৰা যায়। (আন প্ৰকাৰৰ কৰ্মবাচ্য)

গ) মই খাৰলি খাওঁ। (নঞাৰ্থক)

ঘ) চুপ চাপ বহি থাকা। (নঞাৰ্থক)

ঙ) মই কথাছবি চালোঁ। (কেৱল ক্ৰিয়াটো সলনি কৰি পাঁচনি ক্ৰিয়া কৰক)



৯। নিৰ্দেশ অনুসৰি ধাতুৰ লগত বিভক্তিসমূহ যোগ কৰি উপযুক্ত ক্ৰিয়াপদ গঠন কৰক।

ক) দেখ্ + পাঁচনি প্ৰত্যয় + ইছ্ + ইল্ + ১ম পুৰুষৰ বিভক্তি

খ) আন্ + পাঁচনি প্ৰত্যয় + ইছ্ + ৩ য় পুৰুষৰ বিভক্তি

গ) শো- + পাঁচনি প্ৰত্যয় + ভৱিষ্যৎ কালৰ বিভক্তি + ৩য় পুৰুষৰ বিভক্তি

ঘ) পঢ়- + উৱা + কৰ্মবাচ্যৰ প্ৰত্যয় + হ'ব

ঙ) মা + -ইছ্ + ইল্

১০। নিম্নলিখিত প্ৰতিটো প্ৰশ্নৰে চাৰিটাকৈ উত্তৰ দিয়া আছে। শুদ্ধ উত্তৰটো ✓ চিনেৰে চিহ্নিত কৰক।

ক) মই <u>পঢ়িবলৈ</u> ভাল নাপাওঁ

১। পাঁচনি ক্ৰিয়া

২। নিমিত্তাৰ্থক ক্ৰিয়া

৩। সমাপিকা ক্ৰিয়া

৪। দ্বিকৰ্মক ক্ৰিয়া

খ) বাপেকে ল'ৰাটোক টঙনিয়ালে

১। পাঁচনি ক্ৰিয়া

২। নামক্ৰিয়া

৩। সংযোজক ক্ৰিয়া

৪। নিমিত্তাৰ্থক ক্ৰিয়া

গ) মোক কথাটো নোকোৱা নেকি?

১। দ্বিকৰ্মক ক্ৰিয়া

২। নামক্ৰিয়া

৩। সংযোজক ক্ৰিয়া

৪। কৰ্মবাচ্যৰ ক্ৰিয়া

ঘ) সুন্দৰবনত হাতী পোৱা যায় ।

১। নামক্ৰিয়া

২। অসমাপিকা ক্ৰিয়া

৩। নিমিত্তাৰ্থক ক্ৰিয়া

৪। কৰ্মবাচ্যৰ ক্ৰিয়া

ঙ) তেওঁ ভাত খাই অফিচলৈ যায়।

১। অসমাপিকা ক্ৰিয়া

২। সমাপিকা ক্ৰিয়া

৩। দ্বিকৰ্মক ক্ৰিয়া

৪। নেতিবাচক ক্ৰিয়া

চ) তেওঁ চকুৰে মণিব নোৱাৰে।

১। নামক্ৰিয়া

২। নিমিত্তাৰ্থক ক্ৰিয়া

৩। নেতিবাচক ক্ৰিয়া

৪। কৰ্মবাচ্যৰ ক্ৰিয়া

### ৩.২.৪.২ পঠন অনুশীলনী

তলৰ পৰিচ্ছেদ দুটা পঢ়ক আৰু শেষত দিয়া প্ৰশ্নসমূহৰ উত্তৰ কৰক।

১। সকলো বিশেষ্য শব্দৰ পৰা নামধাতু গঠিত হ'ব পাৰে নে?

২। নেতিবাচক ক্ৰিয়াপদ গঠন কৰিবলৈ মানুহে কেতিয়া শিকে?

৩। অসমীয়া নেতিবাচক ক্ৰিয়াপদ গঠনত কেইটা প্ৰণালী লক্ষ্য কৰা যায়? সেইকেইটা কি কি?

৪। অসমীয়া নেতিবাচক ক্ৰিয়াপদ গঠনত দুটা ব্যতিক্ৰম লক্ষ্য কৰা যায়। সেই দুটা কি কি?

৫। সমীভৱন কি?



### ৩.২.৪.৩ লিখন অনুশীলনী

১। তলৰ বাক্য দুটা আপোনাৰ বহীত লিখি লওক—

ক) তুমি মুৰ্গীৰ মাংস খোৱা নে?

খ) তুমি মুৰ্গীৰ মাংস খাইছা নে?

এই বাক্য দুটাৰ মাজত প্ৰভেদ ক'ত আলোচনা কৰক।

২। তলৰ বাক্য দুটালৈ মন কৰক।

ক) আপুনি গীত গায়?

খ) আপুনি গীত গাওক।

বাক্য দুটাত ব্যৱহৃত ক্ৰিয়াপদ দুটাৰ গঠন আলোচনা কৰক? সিহঁতৰ মাজত প্ৰভেদ ক'ত?

৩। এই পাঠত আগতে পাঁচনি ক্ৰিয়া আৰু তাৰ পাছত কৰ্মবাচ্যৰ কথা আলোচনা কৰা হৈছে? এই ক্ৰম, যুক্তিযুক্ত নে?

৪। এহ পাঠত প্ৰথমে কালবিভক্তি আৰু তাৰ পাছত পুৰুষ বিভক্তি— এই ক্ৰমত আলোচনা কৰাৰ কাৰণ কি আলোচনা কৰক।

৫। ধাতু আৰু ক্ৰিয়াৰ মাজত প্ৰভেদ কি আলোচনা কৰক।

৬। তলৰ ক্ৰিয়াপদবোৰ টুকি লওক।

ন + কৰোঁ > নকৰোঁ।

ন + লিখোঁ > নিলিখোঁ।

ন + শুনো > নুশুনো।

ন + দেখোঁ > নেদেখোঁ।

এই পদবোৰে কি বুজাইছে আৰু এইবোৰ কেনেকৈ গঠিত হৈছে আলোচনা কৰক।

৭। সকৰ্মক আৰু সমাপিকা ক্ৰিয়াৰ মাজত কিবা ভেদ আছে নেকি আলোচনা কৰক।

৮। অসমাপিকা ক্ৰিয়াৰ কৰ্ম থাকে নে নেথাকে আলোচনা কৰক। প্ৰয়োজন সাপেক্ষে উদাহৰণ দিব।

৯। অকৰ্মক আৰু সকৰ্মক ক্ৰিয়াৰ আলোচনা কৰ্মবাচ্যৰ আলোচনা কৰাৰ আগতে কৰিব লাগিছিল— কথাষাৰ যুক্তি সহকাৰে গ্ৰহণ বা বৰ্জন কৰক।

১০। নিমিত্তাৰ্থক ক্ৰিয়াৰ কাল আৰু পুৰুষ অনুসৰি ৰূপ হয় নে নহয়? ইয়াক সমাপিকা নে অসমাপিকা ক্ৰিয়া বুলিব পাৰি?

১১। তলত দিয়া ব্যাকৰণগত নামবোৰৰ অসমীয়া প্ৰতিশব্দ দিয়ক—

transitive ..........................................................................................

intransitive ..........................................................................................

infinitive ..........................................................................................

finite ..........................................................................................

infinite ..........................................................................................

conjuctives ..........................................................................................

negative ..........................................................................................

causative ..........................................................................................
passive voice .....................................................................................
mood ..........................................................................................
aspect ..........................................................................................
tense ..........................................................................................
imperative ..........................................................................................
person ..........................................................................................
suffix ..........................................................................................



১২। ব্যাকৰণগত আলোচনাত ধাতু আৰু বিভক্তিক কেনেধৰণে লিখা যায় উদাহৰণসহ বুজাই লিখক।

১৩। বিভক্তি আৰু প্ৰত্যয়ৰ মাজত কিবা প্ৰভেদ আছে নেকি আলোচনা কৰক।

১৪। ক্ৰিয়াপদ গঠন কৰোঁতে ক'ত সাধাৰণতে চন্দ্ৰবিন্দু ( ঁ ) ৰ ব্যৱহাৰ হয় আলোচনা কৰক।

## ৩.২.৫ উত্তৰ সংকেত

| | | | | |
|---|---|---|---|---|
| ১। | ক) খাওঁ | খাইছোঁ | খালোঁ | খাম |
| | খ) পঢ়ো | পঢ়িছোঁ | পঢ়িল | পঢ়িম |
| | গ) দিওঁ | দিছোঁ | দিলোঁ | দিম |
| | ঘ) ধোঁ | ধুইছোঁ | ধুলোঁ | ধুম |
| | ঙ) শুনো | শুনিছোঁ | শুনিলোঁ | শুনিম |
| | চ) মাৰোঁ | মাৰিছোঁ | মাৰিলোঁ | মাৰিম |

২। ক) দেখ্ - ইছ্ - ইল্ - আ

খ) শুন্ - ইছ - ইল্ - ই

গ) দি - (ই) ল - এ (দে - এ দি-)

ঘ) মৰ্ - ইল্ - $\phi$

ঙ) আছ - $\phi$ - ওঁ

৩। অ) ক) আনিছে

খ) গাইছে

গ) হৈছে

ঘ) পৰিছে

আ) ক) কৰিলে

খ) মৰিল

গ) নিলে

ঘ) হ'ল

৪। (ক) আঙুলিয়াই

(খ) টঙনিয়াই

(গ) থপৰিয়ালে

(ঘ) নেদেখে

(ঙ) নোশোৱা

(চ) নোৱাৰোঁ

(ছ) নুশুনে

(জ) নকৰিবা (বা) অহা

(ঝ) দেখি

৫। (ক) সি পাঁচ বজাত আহি ভাত খাই ফুৰিবলৈ যায়।
(খ) ককাইদেৰে দুখন শাড়ী আনি এখন ভন্টিক আৰু আনখন নবৌক দিলে।
(গ) আপুনি নিজে গৈ পইচাখিনি লৈ আহক।
(ঘ) আমি ঘৰলৈ আহি থাকোঁতে বতাহ-বৰষুণ আহিল।
(ঙ) ৰাতি পুৱালত চৰাই-চিৰিকতিয়ে কিৰিলিয়াবলৈ ধৰিলে।
(চ) বিজুলি সৰবৰাহ বন্ধ হ'লত চিনেমা হলৰ ভিতৰত হাই-উৰুমি আৰম্ভ হ'ল।
(ছ) মই তোমাৰ চিঠি পাই লগে লগে উত্তৰ লিখিব ধৰিছোঁ।
(জ) তোমালোক ভিতৰত বহি থাকোঁতে পিয়নে চিঠিখন দি গ'ল।

৬। (ক) × (খ) খালো (গ) ×
(ঘ) কবা (ঙ) আনিবলৈ (চ) ×
(ছ) × (জ) খাই

৭। (ক) চাবলৈ (খ) চাওঁতে চাওঁতে (গ) দিওঁ
(ঘ) বুজালত (ঙ) নেখাই নেখাই (চ) হলত
(ছ) মাতিলে

৮। (ক) শুনা নাযায় (খ) পাৰি (গ) নাখাওঁ/নেখাওঁ
(ঘ) নাথাকিবা (ঙ) দেখুৱালোঁ

৯। (ক) দেখুৱাইছিলোঁ (খ) অনাইছে (গ) শুৱাব
(ঘ) পঢ়ুওৱা হ'ব ঙ) গৈছিল।

১০। (ক) ২ (খ)২ (গ) ১
(ঘ) ৪ (ঙ) ১ (চ) ৩

## ৩.২.৬ অতিৰিক্ত পঠন উপদেশ

১। *অসমীয়া ভাষাৰ ৰূপকথা* ঃ ড° উপেন্দ্ৰনাথ গোস্বামী।
২। *অসমীয়া ভাষাৰ ব্যাকৰণ* ঃ ড° উপেন্দ্ৰনাথ গোস্বামী।
৩। *গোলোক ব্যাকৰণ* ঃ ড° গোলোক চন্দ্ৰ গোস্বামী।
৪। *ব্যৱহাৰিক অসমীয়া ব্যাকৰণ* ঃ শ্ৰী ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা।
৫। *An Intensive Course in Assamese* : P.N. Dutta Baruah

## খণ্ড-৩ গোট-III ঃ লেখন কলাৰ বিকাশ (পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন) [Writing Skill Development (paragraph writing, letters to editor, new media writing)]



গাঁথনি

৩.৩.১ পাতনি আৰু উদ্দেশ্যাৱলী
৩.৩.১ পৰিচয়
৩.৩.২ উদ্দেশ্যাৱলী
৩.৩.২ লেখন কলাৰ বিকাশ
৩.৩.৩ লেখন কলাৰ বিকাশৰ পদক্ষেপ
৩.৩.৩.১ বিষয় নিৰ্বাচন
৩.৩.৩.২ তথ্য সংগ্ৰহ আৰু বিষয়ৰ জ্ঞান আহৰণ
৩.৩.৩.৩ বিষয়ৰ সুসংগঠন
৩.৩.৩.৪ লিখিত ৰূপদান
৩.৩.৩.৫ সম্পাদনা
৩.৩.৩.৬ শুধৰণি আৰু নকল
৩.৩.৩.৭ কুম্ভিলক বৃত্তি পৰিহাৰ
৩.৩.৪ পেৰাগ্ৰাফ লেখন
৩.৩.৫ সম্পাদকলৈ চিঠি
৩.৩.৫.১ চিঠিৰ বিষয়বস্তু
৩.৩.৫.২ সম্পাদকলৈ লিখা চিঠিৰ আৰ্হি
৩.৩.৬ নতুন মাধ্যমৰ বাবে লেখন
৩.৩.৬.১ অসমীয়া ফণ্ট
৩.৩.৬.২ অসমীয়া কী-বোৰ্ড নিৰ্মাণ
৩.৩.৭ শব্দটোকা
৩.৩.৮ অনুশীলনী
৩.৩.৮.১ বোধজ্ঞান অনুশীলনী
৩.৩.৮.২ বৈয়াকৰণিক অনুশীলনী
৩.৩.৮.৩ পঠন অনুশীলনী
৩.৩.৮.৪ লেখন অনুশীলনী
৩.৩.৯ উত্তৰ সংকেত
৩.৩.১০ অতিৰিক্ত পঠন উপদেশ

## ৩.৩.১ পাতনি আৰু উদ্দেশ্যাৱলী

### ৩.৩.১.১ পৰিচয়

'লেখন কলা' মানে কি? লেখন কলাৰ কিদৰে বিকাশ কৰিব পাৰি আৰু লেখন কলাৰ বিকাশৰ বাবে কোনবোৰ কথাত অধিক গুৰুত্ব দিয়া হয়— সেই বিষয়বোৰ আলোচনা কৰাৰ লগতে পেৰাগ্ৰাফ বা অনুচ্ছেদ কিদৰে লিখা হয়, সম্পাদকলৈ চিঠি লিখাৰ আৰ্হি কেনেকুৱা হোৱা উচিত আৰু নতুন মাধ্যমৰ লেখাৰ বাবে কোনবোৰ কথাত গুৰুত্ব দিয়া হয় বা কি পন্থা অৱলম্বন কৰিব পাৰোঁহক, সেই দিশবোৰৰ বিষয়ে ইয়াত আলোচনা কৰা হৈছে।

**লেখন কলাৰ বিকাশ**
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

মানুহে ভাষাৰ জৰিয়তে নিজৰ মনৰ ভাব প্ৰকাশ কৰে। ভাষাৰ ব্যৱহাৰ দুই ধৰণৰ হ'ব পাৰে— কথিত আৰু লিখিত। অৰ্থাৎ মানুহে মুখেৰেও কথা কৈ মনৰ ভাব প্ৰকাশ কৰিব পাৰে অথবা লিখিও মনৰ ভাব প্ৰকাশ কৰিব পাৰে। দুয়োটা ধৰণৰে অৱশ্যে পাৰ্থক্য আছে। কথা কওঁতে মানুহে সিমান সচেতন হৈ নাথাকিবও পাৰে, কাৰণ শ্ৰোতাই যদি কিবা কথা বুজি নোপোৱা বুলি বক্তাই অনুভৱ কৰে অথবা বক্তাই যদি নিজেও ভাবে কথাখিনি তেওঁ ভালদৰে বুজাই দিব পৰা নাই, তেন্তে আৰু এবাৰ বুজাই ক'ব পাৰে। মুখামুখিকৈ কথা পাতিলে শ্ৰোতাই বক্তাক প্ৰশ্ন কৰাৰ সুবিধাও থাকে। লিখিত যোগাযোগত এনে সুবিধা নাই। মনৰ ভাব আৰু দৃষ্টিভংগী লিখি প্ৰকাশ কৰাটোও এটা কলা। কাৰণ ভাবৰ শেষো নাই, বহুসময়ত আগগুৰিও নাই। আনকি আমাৰ মন ইমানেই বেগৱন্ত যে একে সময়তে আমাৰ মনত অনেক কথাই দোলা দিয়েহি। কিন্তু মনত কথাবোৰ থাকিল বুলিয়েই আমি বিশৃংখল ধৰণে কোনো কথা প্ৰকাশ কৰিব নোৱাৰোঁ। সেইবাবে লেখাৰ ক্ষেত্ৰত আমাৰ কেতবোৰ কাৰিকৰী দিশৰ জ্ঞান অত্যন্ত প্ৰয়োজনীয়। সকলো কামৰ ক্ষেত্ৰতে কেতবোৰ কাৰিকৰী কৌশল থাকে। গামোচা এখন ব'বলৈ ললেও শিপিনীগৰাকীয়ে প্ৰথমতে কাপোৰ বোৱা প্ৰণালীটো জানি ল'ব লাগিব; দ্বিতীয়তে কি ৰঙৰ সূতা ব্যৱহাৰ কৰিব, ফুল দিব নে নিদিয়ে, কিমান ডাঙৰ ফুল দিব আদি পৰিকল্পনা থাকিব লাগিব। সেইদৰে ৰান্ধনি এগৰাকীয়ে ৰন্ধনৰ বিভিন্ন কৌশল আৰু স্তৰবোৰ জানিলেহে সুস্বাদু ব্যঞ্জন এখন ৰান্ধিব পাৰিব। লিখাৰ ক্ষেত্ৰতো আমি কি লিখিম, কাৰ বাবে লিখিম এই কথা সন্মুখত ৰাখি লেখনৰ বেলেগ বেলেগ আৰ্হি আৰু প্ৰকাশৰ কৌশল আয়ত্ত কৰি ল'ব লাগিব। ভাষা এটা আনুষ্ঠানিকভাৱে শিকিবলৈ লওঁতেই আমাক পঢ়াৰ লগতে লিখিবলৈও শিকোৱা হয়। বৰ্ণমালাৰ (alphabet) সৈতে চিনাকি হোৱাৰ পিছত প্ৰথমতে আমি পঢ়িবলৈ শিকোঁ আৰু লাহে লাহে লিখিবলৈও শিকোঁ। অসমীয়া ভাষাত আখৰ শিকাৰ পাছত পোনতে সৰল বানানৰ শব্দ শিকা হয়; যেনে- কলম, গৰম, ঘৰ, কল, গছ ইত্যাদি। যুক্ত ব্যঞ্জনবোৰ ভালদৰে আয়ত্ত কৰাৰ পিছতহে যুক্ত ব্যঞ্জন থকা শব্দ লিখা হয়। যুক্ত ব্যঞ্জনৰ বিষয়ে নজনাকৈ যুক্ত ব্যঞ্জন থকা শব্দ লিখিবলৈ গ'লে খেলিমেলি লাগিব। অৰ্থাৎ, আগৰ স্তৰটো নজনাকৈ পিছৰ স্তৰটোলৈ জাপ মাৰি যাব নোৱাৰি। সেইদৰে শব্দ জানিলেই আমি কোনো বিষয়ত ৰচনা এখন লিখি দিব নোৱাৰোঁ। বাক্য গঠনৰ নিয়মো জানিব লাগিব। আমি ৰচনা এখন লিখাৰ যিখিনি প্ৰাথমিক চৰ্চ সেইখিনিও আয়ত্ত কৰি ল'ব লাগিব।

লিখাৰ বাবে যে কিছুমান আৰ্হি থাকে সেই বিষয়ে সাধাৰণতে বিদ্যালয় পৰ্যায়তহে শিকোৱা হয়। বন্ধু-বান্ধৱী বা মা-দেউতালৈ চিঠি লিখা, বিদ্যালয়ৰ পৰা ছুটী বিচাৰি আবেদন কৰা, কোনো বিষয়ৰ ৰচনা লিখা ইত্যাদি কথাবোৰ বিদ্যালয় পৰ্যায়তে শিকোৱা হৈছিল। এইবিলাকৰ একো একোটা আৰ্হি আছে। শব্দ লিখিব বা বাক্য গঠন কৰিব পাৰিলেই অকল নহ'ব; চিঠি-পত্ৰ, আবেদন, ৰচনা আদি লিখাৰ আৰ্হিও জানিব লাগিব।

লেখনৰ কিছুমান স্তৰ আছে। কোনা বিষয়ে লিখিবলৈ ল'লে লেখনৰ এই স্তৰবোৰ সন্মুখত ৰাখিব লাগিব। প্ৰথমতে, আমি কি লিখিছোঁ- ৰচনা, আবেদন, সম্পাদকলৈ চিঠি, ব্যক্তিগত চিঠি নে আন কিবা? দ্বিতীয়তে, আমি কালৈ লিখিছোঁ; অৰ্থাৎ আমি যি লিখিছোঁ তাৰ লক্ষ্য পাঠক কোন? তৃতীয়তে আমি আমাৰ ভাবনাক সঠিক ৰূপত প্ৰকাশৰ বাবে উপযুক্ত শব্দ নিৰ্বাচন কৰিব লাগিব। বক্তব্য সঠিকভাৱে উপস্থাপন কৰিব লাগিব। এনে বিষয়বোৰ সন্মুখত ৰাখিলেহে আমি লিখিব বিচৰা বিষয়টো সুন্দৰ ৰূপত ফুটি উঠিব।

'লেখন কলা' বুলি ক'লে এজন মানুহে শব্দৰ মাজেৰে তেওঁৰ জ্ঞান, বিচাৰ, বোধ, ভাব আদিক সঠিকৰূপত প্ৰকাশ কৰাৰ দক্ষতাকে বুজায়। লিখাৰ মাজেৰে নিজৰ ভাবনাক স্পষ্টভাৱে প্ৰকাশ কৰাৰ দক্ষতা এজন ব্যক্তিৰ বৃত্তিগত, ব্যক্তিগত তথা সামাজিক জীৱনত অতীৱ প্ৰয়োজনীয়। সুশৃংখলিত আৰু সুলিখিত তথ্যপাতি, বিষয় বা জ্ঞানে পাঠকক সহজে আকৰ্ষিত কৰে আৰু উপকৃতও কৰে। কাৰণ মনৰ ভাব অকল প্ৰকাশ কৰিলেই নহ'ব, সেই ভাব পাঠকে সহজে বুজি পাবও লাগিব। লিখন ৰীতিৰ কাৰিকৰী জ্ঞান, বিষয় আৰু প্ৰসঙ্গ অনুসৰি শৈলী, বিভিন্ন পৰিস্থিতি নিৰ্ধাৰক ভাষাৰূপ আদি সেয়ে লেখন কলাৰ আৱশ্যকীয় অংশ। এনে বিষয়বোৰৰ প্ৰতি লেখকে সততে চকু ৰখা প্ৰয়োজন।

### ৩.৩.১.২ উদ্দেশ্যাৱলী

এই গোটৰ অধ্যয়নৰ পাছত আপুনি—

- যোগযোগৰ বাবে ব্যৱহাৰ কৰা লিখিত মাধ্যমত কোনবোৰ কথাৰ ওপৰত গুৰুত্ব দিয়া হয়, সেই বিষয়ে জানিব পাৰিব।
- লেখন কলাৰ বিকাশৰ বিষয়ে জানিলে আপুনি নিজৰ ধাৰণা, মত, চিন্তা আৰু ভাবক কিদৰে আনৰ ওচৰত স্পষ্ট কৰিব পাৰি সেই বিষয়ে জানিব পাৰিব।
- ব্যক্তিগত আৰু সামাজিক জীৱনত লিখিত যোগাযোগৰ বাবে আপোনাক সহায় কৰিব।
- লেখনৰ কৌশল আৰু স্তৰবোৰে যিকোনো বিষয়ৰ প্ৰকাশৰ ক্ষেত্ৰত স্পষ্টতা দিব আৰু আপোনাৰ সৃষ্টিশীলতাত সহায় কৰিব।
- ক্ৰুটীমুক্ত লেখনৰ বাবে কোনবোৰ কথাত গুৰুত্ব দিয়া উচিত সেই বিষয়ে জানিব পাৰিব।



## ৩.৩.২ লেখন কলাৰ বিকাশ

মানৱ মগজু অন্য প্ৰাণীতকৈ উন্নত। মানুহে ভাবিব পাৰে আৰু সেই ভাবনাক ভাষাৰে প্ৰকাশ কৰিব পাৰে। শিশু এটা ডাঙৰ হৈ অহাৰ লগে লগে বস্তুজগতৰ বিভিন্ন বিষয়ৰ লগত তেওঁৰ পৰিচয় ঘটে আৰু সেই বিষয়বোৰ সম্পৰ্কে বোধ জন্ম হয়। নিজৰ মাজত চলি থকা বিভিন্ন কথা, বিভিন্ন সমস্যা, মতামত মানুহে প্ৰকাশ কৰে। কিন্তু এই সকলোবোৰ কথা অৰ্থাৎ মানুহৰ ধাৰণা, চিন্তা, ভাব আদি সুশৃংখলিত আৰু যুক্তিপূৰ্ণভাৱে উপস্থাপন কৰাটো কথা কোৱাৰ সমানে সহজ নহয়। এগৰাকী লেখকৰ বাবেও তেওঁৰ পাঠকক পৰিতৃপ্ত কৰা বা সন্তুষ্ট কৰাটো একপ্ৰকাৰৰ প্ৰত্যাহ্বান হৈ উঠে। লেখক এগৰাকীয়ে 'সুলেখন'ৰ বাবে অনুশীলন কৰিব লগা হয়। আনকি শব্দ ভাণ্ডাৰ চহকী কৰিবলৈ বেলেগ বেলেগ ধৰণৰ লেখা পঢ়িব লগা হয়। তদুপৰি অকল ভাষা আহৰণ বা শব্দ ভাণ্ডাৰ চহকী কৰিলেই নহয়, এইবোৰৰ ব্যৱহাৰ তথা যোগাযোগ দক্ষতা(communicative competence) সম্পৰ্কেও জনা প্ৰয়োজন।

লেখন কলাৰ বিকাশৰ বাবে তলত দিয়া কথাবোৰৰ ওপৰত গুৰুত্ব দিব লাগে।

(১) ভাল বাক্য লিখিবলৈ শিকাটো অতি প্ৰয়োজনীয়। 'ভাল' মানে এই কথাটোৰে বুজোৱা হৈছে যে বাক্যটো গাঁথনিক দিশৰ পৰা শুদ্ধ হ'ব লাগিব আৰু অৰ্থগত যোগ্যতা থাকিব লাগিব। যেনে— গৰু এটা গছত উঠিছে। এই বাক্যটো গাঁথনিক দিশৰ পৰা শুদ্ধ, কিন্তু অৰ্থগত দিশৰ পৰা সাধাৰণতে শুদ্ধ নহয়। গছত গৰু উঠিব নোৱাৰে। অৱশ্যে, কিবা বিশেষ ব্যঞ্জনাৰ্থত 'গৰু' গছত উঠিব পাৰে। যেনে— কোনোবা বিশেষ মানুহক যদি 'গৰু' বুলি বুজোৱা হৈছে বা কিবা বিশেষ প্ৰসংগত ব্যৱহাৰ হৈছে, তেতিয়া তেনে ব্যৱহাৰ ভুল নহয়। বাক্যৰ বৈয়াকৰণিক শুদ্ধতাই সেয়েহে যোগাযোগৰ ক্ষেত্ৰত শেষ কথা নহয়। পটভূমি, প্ৰসংগ আদিৰ সৈতে ৰজিতা খুৱাই শুদ্ধ আৰু ভাল বাক্য লিখিব লাগিব।

(২) অসমীয়া ভাষাত ভাষা যথাসম্ভৱ চুটি হ'লে ভাল। চুটি চুটি বাক্যই একো একোটা কথাক স্পষ্ট কৰি দিয়ে। অৱশ্যে, বাক্য চুটি হ'বই লাগিব এনে কোনো ধৰাবন্ধা নিয়ম নাই। প্ৰয়োজন বিশেষে বাক্য দীঘল হ'বও পাৰে। দীঘল বাক্য লিখি উঠি লেখকে পঢ়ি চাব লাগে বাক্যটোৱে সঠিক অৰ্থ প্ৰকাশ কৰিছেনে নাই। লেখকে বাক্য এটাৰ জৰিয়তে যি কথা বুজাব বিচাৰিছে সেয়া স্পষ্ট হৈছে নে নাই সেয়া পৰীক্ষা কৰা প্ৰয়োজন। তদুপৰি, দীঘল বাক্যৰ ব্যাকৰণত বিসংগতি থাকি যাব পাৰে, সেই কথাও লেখকে লক্ষ্য কৰিব লাগিব।

(৩) লেখকে পাঠকৰ মনঃসংযোগ ধৰি ৰাখিবলৈ স্থান বিশেষে কথোপকথন ৰীতিও ব্যৱহাৰ কৰিব পাৰে। একে ৰাগীৰ বাক্য বাৰে বাৰে ব্যৱহাৰ কৰিলে পঢ়ুৱৈৰ আমনি লাগিব পাৰে। গতিকে বৈচিত্ৰ্যহীনতা ভংগ কৰি বাক্যৰ ধৰণ সলাই দিয়াও প্ৰয়োজন। সেইদৰে একেটা শব্দ বাৰে বাৰে ব্যৱহাৰ নকৰি তাৰ সমাৰ্থক অন্য শব্দ ল'ব পাৰি। আকৌ, একেটা বিশেষ্য

শব্দ বাৰে বাৰে ব্যৱহাৰ নকৰি মাজে মাজে সৰ্বনাম শব্দও ব্যৱহাৰ কৰিব পাৰি। যেনে—

ৰাধা এগৰাকী ভাল ছোৱালী।

ৰাধাই সদায় নৈৰ পৰা পানী আনে।

ৰাধাৰ তিনিটা কলহ আছে।

**লেখন কলাৰ বিকাশ**
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

ইয়াত, প্ৰথম বাক্যটোত থকা 'ৰাধা' নামটো পিছত পিছৰ বাক্য দুটাত ব্যৱহাৰ নকৰি 'তাই' বা তেওঁ সৰ্বনাম ব্যৱহাৰ কৰিব পাৰি।

(৪) এখন ৰচনা বা এটা বিষয়ৰ অন্তৰ্গত খণ্ড খণ্ড বিষয়বোৰ সুকীয়াকৈ লিখাৰ বাবে পেৰাগ্ৰাফ বা অনুচ্ছেদৰ ব্যৱহাৰ কৰিব লাগে। একেটা পেৰাগ্ৰাফতে সামগ্ৰিক বিষয়টো সামৰি ল'লে পাঠকৰ বাবে এহাতে বুজাত অসুবিধা হ'ব পাৰে আনহাতে বিষয়টো বৈচিত্ৰ্যহীন হৈ পৰে। তদুপৰি মূল বিষয়টোক কেতবোৰ সৰু সৰু শীৰ্ষকত ভাগ কৰিও লিখিব পাৰি। এনে উপশীৰ্ষকবোৰ পাঠকৰ চকুত সহজে উদ্ভাসিত হয় আৰু বিষয়বস্তু অনুধাৱন কৰাত সহায় কৰে।

(৫) এটা পেৰাগ্ৰাফৰ পৰা আন এটা পেৰাগ্ৰাফলৈ যাওঁতে লেখক সচেতন হ'ব লাগিব। কাৰণ এই সঞ্চৰণ(transition)খাপচৰা হ'লে লেখাটো সুৰলা নহ'ব। সেইদৰে এটা বাক্যৰ পৰা আন এটা বাক্যলৈ গতিও হ'ব লাগিব মসৃণ আৰু সাৱলীল। আগৰ বাক্যটোৰ লগত পিছৰ বাক্যটোৰ মিল নাথাকিলে বা জঁপিয়াই গ'লে পাঠকৰ বাবে বিষয়বস্তু বোধগম্যও নহ'ব।

(৬) বাচ্য পৰিৱৰ্তন বা উক্তিৰ ব্যৱহাৰৰ প্ৰতি লক্ষ্য কৰাৰ উপৰিও বিভিন্ন যতি চিহ্নৰ ব্যৱহাৰ, শুদ্ধ বানান আৰু শব্দৰ উপযুক্ত ব্যৱহাৰৰ প্ৰতিও লেখক সচেতন হ'ব লাগিব।

(৭) কোনো বিষয়ৰ আধাডুখৰীয়া জ্ঞানেৰে লেখা এটা লিখা উচিত নহয়। বিষয়টো খৰচি মাৰি অধ্যয়ন কৰা আৰু সেই সম্পৰ্কীয় তথ্যসমূহ আহৰণ কৰাৰ পিছতহে লেখিবলৈ লোৱা উচিত। অন্যথা লেখাটো একদেশদৰ্শী বা বিক্ষিপ্ত হ'ব পাৰে।

(৮) লেখকে কাৰ বাবে লিখিছে অৰ্থাৎ লক্ষ্য পাঠক কেনেধৰণৰ হ'ব সেই কথাটোও অতি গুৰুত্বপূৰ্ণ। অৰ্থাৎ লেখাটো উমৈহতীয়াভাৱে সকলো শ্ৰেণীৰ বাবে নে এক বিশেষ শ্ৰেণীৰ পাঠকৰ বাবে সেই কথাও লেখন কলাত মন কৰিবলগীয়া বিষয়। উদাহৰণস্বৰূপে, বয়সত ডাঙৰৰ বাবে ৰচনা কৰা বিষয় এটা শিশুৰ বাবে উপযুক্ত নহ'বও পাৰে। পাঠক শ্ৰেণীটো শিশু হ'লে শব্দ প্ৰয়োগ বা ৰচনা শৈলী বেলেগ হ'ব। সেইদৰে উচ্চশিক্ষিতৰ বাবে ৰচনা কৰা গৱেষণামূলক লেখা এটা সাধাৰণভাৱে শিক্ষিতৰ বাবে উপযুক্ত নহ'বও পাৰে। আকৌ, বিজ্ঞানৰ বিষয় এটা বিজ্ঞানৰ উচ্চ শিক্ষাৰ লগত জড়িত নথকা সাধাৰণ মানুহক বুজাবলৈ হ'লে পাৰিভাষিক শব্দ বা কাৰিকৰী কথাবোৰ বুজাওঁতে লেখক সচেতন হ'ব লাগিব। সেয়ে লেখা এটাৰ পাঠক কেনেধৰণৰ সেই কথা লেখাৰ সময়ত লক্ষ্য ৰাখিব লাগিব। পাঠক কেনেধৰণৰ, সেই কথাটো নিৰ্ণয় কৰাটো লেখকৰ বাবে একেবাৰে প্ৰাথমিক আৰু অত্যন্ত গুৰুত্বপূৰ্ণ কাম।

(৯) কোনো জনগোষ্ঠী, জাতি, ধৰ্ম, লিংগ আদিক আঘাত কৰা শব্দ বা বাক্য যাতে ব্যৱহাৰ নহয়, সেইটোৰ প্ৰতিও লেখকে লক্ষ্য ৰখা উচিত। কেতিয়াবা ভাষাত তেনে শব্দ, বাক্য থাকে (আচলতে সমাজত থাকে বাবেই ভাষাত থাকে) যিবোৰ 'নিৰপেক্ষ' নহয়। বিশেষ জনগোষ্ঠী, সম্প্ৰদায়, জীৱিকা, ধৰ্ম, লিঙ্গক উপলক্ষ্য কৰি ব্যৱহাৰ কৰা এনে শব্দ, ফকৰা-যোজনা, প্ৰবচন আদি পৰিহাৰ কৰা উচিত। যেনে- মহিলাৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা 'লাউ ডাঙৰ হ'লেও পাতৰ তল' প্ৰবচনটি; মহিলা যিমানেই শক্তিশালী নহওক, তথাপি পুৰুষৰ তলতীয়া— এই ধাৰণাৰে ইয়াৰ ব্যৱহাৰ হৈছিল। আগতে ব্যৱহাৰ হৈছিল বাবেই তাকে যুক্তি হিচাপে লৈ শিক্ষা বিস্তাৰৰ আধুনিক যুগত সকলো কথা ব্যৱহাৰ কৰিব নোৱাৰি। সেইদৰে, অসাংবিধানিক শব্দ, অশ্লীল ভাষা আদিও ব্যৱহাৰ কৰা উচিত নহয়।

(১০) লেখা এটা আদিৰ পৰা অন্তলৈ একসূত্ৰতা থকা বাঞ্ছনীয়। নহ'লে খেলি-মেলি ভাব এটাই পাঠকৰ মনত বিভ্ৰান্তিৰ সৃষ্টি কৰিব। এইবাবেই লিখিবলৈ লোৱা বিষয়টো সম্পৰ্কে এক সুস্পষ্ট ধাৰণা আৰু তাক প্ৰকাশৰ বাবে সুপৰিকল্পনা থকাৰ প্ৰয়োজন।

**আত্মমূল্যায়ন ঃ**

(১) লেখন কলাৰ বিকাশে কি বুজায় চমুকৈ আলোচনা কৰক।

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................

(২) লেখন কলাৰ বিকাশৰ বাবে কোনবোৰ কথাৰ ওপৰত গুৰুত্ব দিব লাগে?

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................



ignou THE PEOPLE'S UNIVERSITY

## ৩.৩.৩ লেখন কলা বিকাশৰ পদক্ষেপ

ভাষা এটাৰ শব্দজ্ঞান বা বাক্যজ্ঞান থাকিলেই বা লিখিব জানিলেই এজন মানুহে যিকোনো বিষয়ৰ লেখা এটা লিখি দিব নোৱাৰে। আনকি বিষয়টো সম্পৰ্কে তেওঁৰ ভাব বা ধাৰণা থাকিলেও সঠিকভাবে উপস্থাপন কৰিব নোৱাৰিবও পাৰে। লেখা এটা লিখাৰ বাবে কিছুমান নিয়ম আৰু আৰ্হি আছে। এই নিয়ম আৰু আৰ্হি অনুসৰণ কৰিলেহে আমি লেখা এটা সঠিকভাৱে লিখি উলিয়াব পাৰোঁ। এই নিয়ম বা আৰ্হি হৈছে লেখন কলাৰ বিকাশৰ একো একোটা স্তৰ বা পদক্ষেপ। এইবোৰৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল।

### ৩.৩.৩.১ বিষয় নিৰ্বাচন

লেখা এটা লিখিবলৈ লোৱাৰ আগতে প্ৰথমতে বিষয় নিৰ্বাচন কৰি লʼব লাগিব। ইয়াৰ বাবে তেওঁ এটা শীৰ্ষক(Heading) দি লʼব পাৰে। দেখাত বিষয় এটা বাচি লোৱাটো বৰ সৰু কথা যেন লাগিলেও কথাটো বৰ উজু বা সৰু নহয়। আমি বিষয়বস্তু এটা নিৰ্বাচন কৰোঁতেও বিষয়ৰ প্ৰাসংগিকতা, বিষয়টোৰ পৰিধি, বিষয়টো সম্পৰ্কে পাব পৰা সম্ভাব্য তথ্য-পাতি আদিৰ বিষয়েও ভাবিব লাগিব। পৃথিৱীত সকলো বিষয়তে প্ৰাসংগিকতা আছে, কিন্তু তাৰো স্থান-কাল- পাত্ৰ(সমাজ) আদিৰ কথা থাকে। একেদৰে কোনো বিষয়ৰ সীমা নাই; সেয়েহে তাক নিজৰ সুবিধা আৰু সামৰ্থ্য অনুসৰি এটা পৰিধিৰ মাজত বান্ধি লʼব লাগিব। একেদৰে বিষয় থাকিলে সেই সম্পৰ্কে তথ্য-পাতিও থাকিব, লেখকৰ বা দৌৰ কিমান? তেওঁৰ নিজে পাব পৰাখিনিৰ ওপৰতহে নিৰ্ভৰ কৰিব লাগিব। সেয়েহে ওপৰতে সকলোবোৰ বিষয়েই আকৰ্ষণীয় হʼলেও, তাৰ সকলোবোৰ দিশ বিচাৰ-বিবেচনা কৰিহে বিষয়বস্তু নিৰ্বাচন কৰিব লাগে।

### ৩.৩.৩.২ তথ্য সংগ্ৰহ আৰু বিষয়ৰ জ্ঞান আহৰণ

বিষয় নিৰ্বাচনৰ পিছত যি বিষয় লিখিবলৈ লৈছে সেই বিষয় সম্পৰ্কে খুঁটি-নাটি মাৰি জানি লোৱা ভাল। প্ৰথমতে সেই বিষয় সম্পৰ্কে যদি ইতিপূৰ্বে কিবা লেখা আছে তেনেহʼলে সেয়া অধ্যয়ন কৰি লʼব লাগিব। তদুপৰি বিষয়ৰ প্ৰসংগত তথ্যও আহৰণ কৰিব লাগে। তাৰবাবে সেই বিষয় সম্পৰ্কে জনা ব্যক্তিৰ পৰা তথ্য সংগ্ৰহ কৰাও প্ৰয়োজন। উদাহৰণস্বৰূপে, 'লক্ষ্মীনাথ বেজবৰুৱা' ৰ বিষয়ে লেখা এটা বা ৰচনা এখন লিখিবলৈ লোৱা হʼল— তেতিয়া আমি লক্ষ্মীনাথ বেজবৰুৱা সম্পৰ্কে আগতে কোনে কি লিখি গৈছে সেই বিষয়ে অধ্যয়ন কৰিব লাগিব। আকৌ, লক্ষ্মীনাথ বেজবৰুৱা যিহেতু বিশেষভাৱে এগৰাকী 'সাহিত্যিক' হিচাপে পৰিচিত, সেইবাবে তেওঁনো কি কি আৰু কেনেধৰণৰ

লেখন কলাৰ বিকাশ
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

সাহিত্য সৃষ্টি কৰি গৈছে সেই বিষয়েও পঢ়িব লাগিব। কেতিয়াবা কোনো বিষয় সম্পৰ্কে পৰ্যাপ্ত কিতাপ-পত্ৰ নাথাকিব পাৰে, তেতিয়া লেখকে মানুহক সুধি-পুছি তথ্য আহৰণ কৰিব পাৰে। যেনে- 'কামৰূপৰ ঢুলীয়া অনুষ্ঠানৰ বৰ্তমান পৰিস্থিতি' এই বিষয়ে লেখকে লিখিবলৈ লৈছে। কামৰূপৰ ঢুলীয়া অনুষ্ঠান সম্পৰ্কে তেওঁ কিছু প্ৰবন্ধ-পাতি পাইছে, কিন্তু বৰ্তমান পৰিস্থিতি তেওঁ নাজানে; অৰ্থাৎ ঢু লীয়া অনুষ্ঠানবোৰ আগৰ দৰে চলি আছে নে নাই, নতুন প্ৰজন্মই এই অনুষ্ঠান উপভোগ কৰেনে বা নতুন প্ৰজন্মই এনে ঢুলীয়া অনুষ্ঠান পৰিৱেশন কৰেনে— ইত্যাদি কথাবোৰ জানিবলৈ তেওঁ কামৰূপৰ য'ত য'ত ঢুলীয়া দলবোৰ আছিল সেই ঠাইৰ মানুহৰ ওচৰ চাপিব লাগিব। তেওঁলোকক কথাবোৰ সুধি-পুছি তথ্য আহৰণ কৰিব লাগিব। গতিকে জ্ঞান আহৰণ প্ৰক্ৰিয়াটো দুই ধৰণৰ— এটা হৈছে কিতাপ-পত্ৰ অধ্যয়নৰ জৰিয়তে আৰু আনটো হৈছে তথ্যদাতাৰ পৰা তথ্য আহৰণৰ জৰিয়তে। তথ্য আহৰণৰ বাবে লেখকগৰাকীয়ে একোটা বিশেষ অঞ্চল বা ক্ষেত্ৰলৈও যাব লগা হ'ব পাৰে।

### ৩.৩.৩.৩ বিষয়ৰ সুসংগঠন

ইতিমধ্যে সংগ্ৰহ কৰা সকলো তথ্যই সুনিৰ্দিষ্ট লেখাটোত ব্যৱহাৰ নহ'বও পাৰে। লেখাটোত আমি কোনবোৰ বিষয়ত অধিক গুৰুত্ব দিম সেইটোৰ ওপৰতে সংগ্ৰহ কৰা তথ্যবোৰৰ ব্যৱহাৰ নিৰ্ভৰ কৰিব। কোনবোৰ তথ্য কেনেদৰে ব্যৱহাৰ কৰা হ'ব তাৰ এটা পৰিকল্পনা লাগিব। নিৰ্দিষ্ট কৰা বিষয়টো আৰম্ভণি কিদৰে কৰা হ'ব, মূল বিষয়টো লেখাটোৰ মাজত কিদৰে সন্মুখলৈ অনা হ'ব— এই পৰিকল্পনাৰে লেখক আগবাঢ়িব লাগিব। লেখাটো সুসংগঠিত হ'ব লাগিলে আঁচনি বা পৰিকল্পনা লাগিবই। অন্যথা হুৰমুৰকৈ লিখিবলৈ গ'লে মূল বিষয়ৰ পৰা বিক্ষিপ্ত হৈ পৰাৰ অৱকাশ থাকে। তদুপৰি স্পষ্টতা আৰু হৃদয়গম্য তেতিয়া নাথাকে। আকৌ সংগৃহীত তথ্যবোৰ দি দিলেই নহ'ব, সেই তথ্যবোৰ যথাসম্ভৱ বিশ্লেষণ কৰিও দেখুৱাব লাগিব। আনকি তথ্যবোৰ প্ৰয়োগ কৰাৰ আগতে সেই তথ্যবোৰ নিজাকৈ এবাৰ বিচাৰ কৰাও অত্যন্ত জৰুৰী। কাৰণ তথ্যবোৰ থাকিলেই নহ'ব, প্ৰতিটো তথ্য ব্যৱহাৰৰ এক যুক্তি থাকিব লাগিব।

### ৩.৩.৩.৪ লিখিত ৰূপদান

আঁচনি অনুসৰি বিষয়টোৰ খচৰা এটি প্ৰস্তুত কৰি ল'ব লাগে। কিছুমান তীক্ষ্ণ লেখকে লেখা এটি এবাৰতেও লিখিব পাৰে। দক্ষতাপূৰ্ণ ব্যক্তিৰ বাবে এবাৰতে লিখি উলিওৱা অসম্ভৱ কথা নহয়। কিন্তু আমি সাধাৰণ লেখকৰ কথাই কৈ আছোঁ— যিসকলে অনুশীলনৰ দ্বাৰা দক্ষতা আহৰণৰ বাবে চেষ্টা কৰে। অনুশীলন বা অভ্যাস কৰাৰ লগে লগে লেখকৰ যেতিয়া দক্ষতা বাঢ়িব, তেতিয়া তেওঁ খচৰা প্ৰস্তুত নকৰাকৈও লিখিব পাৰে। কিন্তু প্ৰথম অৱস্থাত মনেৰে কৰা পৰিকল্পনাক খচৰা এটাত সাকাৰ ৰূপ দিয়াই ভাল। প্ৰথম অৱস্থাত এটা লেখা দুবাৰ-তিনিবাৰ লিখা কাৰ্য লেখন কলাৰ বিকাশৰ এক স্বাভাৱিক ৰীতি।

লিখিত ৰূপদানৰ ক্ষেত্ৰত তলৰ কথাবোৰ বিশেষভাৱে মন কৰা উচিত—

(ক) বাক্য আৰু বানানৰ ক্ষেত্ৰত লেখক সচেতন হৈ থাকিব লাগিব। বাক্যৰ ভুলে লেখকৰ মনোভাব পাঠকৰ ওপৰত অস্পষ্ট আৰু দুৰ্বোধ্য কৰি তোলে। কেতিয়াবা আনকি অৰ্থবিভ্ৰাটো ঘটিব পাৰে। আকৌ, শব্দৰ ক্ষেত্ৰত কেতিয়াবা একোটা শব্দ ভুলকৈ লিখাৰ এনেকুৱা অভ্যাস হৈ যায় যে আমি সেই শব্দটো শুদ্ধ বুলিয়ে ভাবোঁ। সেয়ে লিখি অভ্যাস হোৱা ভুল বানানটোৰ অন্য এটা ৰূপ দেখিলে নিজৰটোতে খুঁটি মাৰি নাথাকি শুদ্ধ ৰূপ কোনটো বাচি উলিওৱা উচিত। ইয়াৰ বাবে নিৰ্ভৰযোগ্য অভিধান এখন লগত ৰখাটো ভাল। অসমীয়া ভাষাত সততে ভুল হোৱা শব্দকেইটামান হ'ল এনেধৰণৰ(বন্ধনীৰ ভিতৰত ভুল ৰূপটোও দিয়া হৈছে)ঃ ভুল(ভূল), বাল্মীকি(বাল্মিকী), মুহূৰ্ত(মহুৰ্ত), মনীষী(মনীষি), মুখ্য(মূখ্য), মুৰব্বী(মূৰব্বী), মুমূৰ্ষু(মূমুৰ্ষ্য), ন্যূনতম(নুন্যতম), শ্ৰদ্ধাঞ্জলি(শ্ৰদ্ধাঞ্জলী), বাঞ্ছা(বাঞ্চা), ক্ৰূৰ(ক্ৰুৰ) ইত্যাদি।

শব্দৰ ক্ষেত্ৰত থকা ডাঙৰ সমস্যা হ'ল কেতবোৰ জটিল আৰু জোকাৰণি তোলা ধৰণৰ শব্দৰ প্ৰতি থকা এক স্বাভাৱিক আকৰ্ষণ। সাধাৰণতে ন লেখকৰ ক্ষেত্ৰত এইটো বেছিকৈ দেখা যায়। নতুনকৈ

লিখিবলৈ অভ্যাস কৰাসকল সাধাৰণতে শব্দৰ সন্ধানত থাকে। জটিল আৰু জোকাৰণি তোলা শব্দবোৰে সাধাৰণতে মানুহক আকৰ্ষণ কৰে। সেইবাবে বহুতে এনেবোৰ শব্দ অপ্ৰয়োজনীয়ভাৱে ব্যৱহাৰ কৰি নিজৰ লেখাটোৰ মাধুৰ্য হ্ৰাস কৰে। আমি মনত ৰখা উচিত যে বিষয়, প্ৰসংগ পটভূমি আৰু পাঠকৰ মানসিক স্তৰ এইবোৰ দিশেহে শব্দ নিৰ্বাচনৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা লয়। ইয়াৰ লগতে শব্দটোৱে অৰ্থক কিমান প্ৰাঞ্জল আৰু প্ৰকাশক্ষম কৰিছে সেইটোও অতি গুৰুত্বপূৰ্ণ দিশ। চমকপ্ৰদ শব্দ ব্যৱহাৰ কৰিবলৈ যাওঁতে যদি অৰ্থ-বিভ্ৰাট ঘটে বা বুজোতাৰ ভাৱত যতি পৰে তেনেহ'লে তেনে শব্দ বৰ্জন কৰা উচিত।



(খ) প্ৰমাদবশতঃ হওক বা অন্য ভাষাৰ প্ৰভাৱতেই হওক ভাষাটোত কেতবোৰ ৰূপ প্ৰায়েই ভুলকৈ প্ৰয়োগ হয়। এনে ভুল এবাৰ সন্মুখলৈ অহাৰ পিছত তাক ব্যৱহাৰ কৰোঁতে সাৱধান হোৱা উচিত। তদুপৰি, কেতিয়াবা বিভক্তি ব্যৱহাৰ কৰোঁতেও ভুল হয়। সততে দেখা এনে ভুলৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল—

(i) ইংৰাজী ভাষাৰ বাক্যত ব্যৱহাৰ হোৱা 'on' ৰ সাদৃশ্যত অসমীয়া ভাষাত 'ওপৰত' শব্দৰ প্ৰয়োগ পোৱা যায়। যেনে— গৰুৰ ওপৰত এখন ৰচনা লিখা; অসমীয়া ভাষাত 'ওপৰত' শব্দৰ সলনি 'বিষয়ে' লিখিব লাগে। অৰ্থাৎ বাক্যটো হ'ব এনেধৰণৰ— গৰুৰ বিষয়ে এখন ৰচনা লিখা। অসমীয়া ভাষাত 'গৰুৰ ওপৰত' বুলি ক'লে গৰুৰ ওপৰত বহি লৈহে ৰচনা লিখা বুজাব।

(ii) অসমীয়া ভাষাত 'অভিমুখ' অৰ্থত চতুৰ্থী বিভক্তি 'লৈ' প্ৰয়োগ হয়। যেনে-

মই ঘৰলৈ যাওঁ
মই দিল্লীলৈ যাওঁ।

এই 'লৈ' বিভক্তিৰ সলনি আজিকালি কথিত ৰূপত কেতিয়াবা বিভক্তি প্ৰয়োগ নকৰাকৈ বা কেতিয়াবা কৰ্মকাৰকৰ বিভক্তি 'ক' প্ৰয়োগ কৰা দেখা যায়। যেনে-

মই ঘৰক যাওঁ।
মই দিল্লী যাওঁ।

এনে প্ৰয়োগবোৰ লেখকে সচেতনভাৱে পৰিহাৰ কৰা প্ৰয়োজন।

(iii) প্ৰত্যেক ভাষাৰে কেতবোৰ জতুৱা ৰূপ বা নিজস্ব ঠাঁচ থাকে; এইবোৰ ভাষাৰ বৈশিষ্ট্য। ইয়াক ৰক্ষা কৰাৰ বাবে লেখকে যত্ন কৰিব লাগে। কিন্তু কেতিয়াবা অন্য ভাষাৰ প্ৰভাৱত এইবোৰ সলাই দিয়া হয়। যেনে— অসমীয়া ভাষাত ভাত ৰান্ধে, পিঠা ভাজে, চুৰেটাৰ গোঁঠে; আজিকালি ৰান্ধে, ভাজে, গোঁঠে আদি ৰূপবোৰ সলনি কৰি দি ভাত বনায়, পিঠা বনায়, চুৰেটাৰ বনায় আদিত কথিত ৰূপত কেতিয়াবা প্ৰয়োগ হয়। লিখাৰ ক্ষেত্ৰত লেখক শুদ্ধ ৰূপ ব্যৱহাৰৰ প্ৰতি সাৱধান হোৱা উচিত।

আমি মাত্ৰ ইয়াত কেইটামান উদাহৰণহে দিলোঁ। লিখিত ৰূপদানৰ ক্ষেত্ৰত সৰু সৰু বুলি ভবা এনে খুঁটি-নাটি কথাবোৰ লেখকে মন কৰা উচিত। বহুসময়ত লেখক এগৰাকীয়ে প্ৰথম ভাষা বা মাতৃভাষা হিচাপে ব্যৱহাৰ কৰা ভাষাটোত লিখিলে 'নিজা কওঁতা'(native speaker) বাবে ভুলবোৰৰ প্ৰতি সচেতন হৈ নাথাকে। তেওঁ যি লিখে তাকেই শুদ্ধৰূপ বুলি বিবেচনা কৰে। কিন্তু, লেখকে নিজৰ ভাষাত লিখিলে বেছিহে সচেতন হোৱা প্ৰয়োজন; কাৰণ নিজৰ ভাষাৰ বাবেই সেই ভাষাৰ কালিকা ৰক্ষা কৰাৰ প্ৰতি তেওঁৰ দায়িত্ব বেছি।

(গ) লিখিত যোগাযোগৰ ক্ষেত্ৰত বিৰাম চিহ্ন আৰু যতি চিহ্নৰ ব্যৱহাৰ, এটা শব্দৰ পৰা আন এটা শব্দলৈ মাজৰ বিৰতি (gap) আদি বিষয়বোৰৰ প্ৰতিও মনোযোগ দিব লাগে। কথা কওঁতে বাক্য এটা ক'ত শেষ হৈছে আৰু বাক্যটোৱে কি বুজাইছে(প্ৰশ্ন নে ভাব নে সাধাৰণ বিবৃতি) সেয়া আমি সুৰ লহৰৰ দ্বাৰা উমান পাওঁ। লিখাৰ ক্ষেত্ৰত বাক্য এটা ক'ত শেষ হৈছে বা বাক্যটোৱে সাধাৰণ বিবৃতি বুজাইছে, আদেশ বুজাইছে, ভাব বুজাইছে নে প্ৰশ্ন বুজাইছে সেই কথা বুজাবলৈ বিবিধ যতি চিহ্ন আছে। লিখিত যোগাযোগৰ ক্ষেত্ৰত লেখকে এই বিষয়বোৰ প্ৰতিও মনোযোগ দিব লাগিব। এই যতি চিহ্নবোৰৰ কিছুমান হৈছে পূৰ্ণ বাক্যৰ যতি। পূৰ্ণ বাক্যৰ যতিয়ে বাক্য এটাৰ সমাপ্তি বুজায়। দাঁড়ি ( ।),

প্ৰশ্নবোধক ( ? ) আৰু ভাববোধক চিন ( ! ) আদিৰে পূৰ্ণ বিৰাম সূচোৱা হয়। সেইদৰে, কমা (,), ডেচ (-), চেমিকলন(;) আদিয়ে অপূৰ্ণ বিৰাম স্পষ্ট কৰে; অৰ্থাৎ বাক্যটো শেষ হোৱা নুবুজায়, কিন্তু 'বিৰতি' বা 'বিৰাম' বুজায়। লিখিত যোগাযোগৰ ক্ষেত্ৰত কলন(ঃ) এটা বিৰাম চিহ্ন হিচাপে ব্যৱহাৰ হয়। কোনো বিষয় সম্পৰ্কে ব্যাখ্যা দিয়াৰ আগতে বা কোনো শীৰ্ষকত এটা বিষয় উত্থাপন কৰি তাৰ সন্দৰ্ভত আন এটি বিষয় স্পষ্ট কৰাৰ বাবেও এই বিৰাম চিহ্ন ব্যৱহাৰ কৰা হয়। লিখিত যোগাযোগত ব্যৱহাৰ হোৱা যতিচিহ্ন, বিৰাম চিহ্ন আদিৰ ব্যৱহাৰৰ বিষয়েও লেখকে খৰচি মাৰি জনা প্ৰয়োজন।

(ঙ) উদ্ধৃতি চিহ্নৰ ব্যৱহাৰ ঃ ৰচনা বা প্ৰবন্ধ এটাৰ ভিতৰত আনে কোৱা বা লিখাৰ পৰা কোনো উক্তি বা কথা উদ্ধৃত কৰিছে সেই কথাখিনি ঊৰ্দ্ধকমাৰ ভিতৰত লিখা হয়। এই উদ্ধৃতি চিহ্ন ? বা ঊৰ্দ্ধকমা দুই ধৰণে প্ৰয়োগ হয়— এককভাৱে('.....') আৰু দ্বিত্বভাৱে(".....")। আনে কোৱা কথা হুবহু উদ্ধৃত কৰিলে তাক প্ৰত্যক্ষ উক্তি বোলা হয়। এই প্ৰত্যক্ষ উক্তিত দ্বিত্বভাৱে ঊৰ্দ্ধকমা ব্যৱহাৰ কৰিব লাগে। যেনে- মোৰ কথা শুনি মায়ে কৈছে " প্ৰথমতে নিজৰ ভৰিৰ ওপৰত থিয় দিবলৈ শিক।"

আনে কোৱা কথাৰ মাজতে অৰ্থাৎ ঊৰ্দ্ধকমাৰে আগুৰা বাক্যৰ মাজত নতুনকৈ কিবা উদ্ধৃতি দিব লগা হ'লে এককভাৱে ঊৰ্দ্ধকমা ব্যৱহাৰ কৰিব লাগে। যেনে— তেওঁ শংকৰদেৱৰ প্ৰসংগত লিখিছে, "শংকৰদেৱৰ লগত মাধৱদেৱৰ সংযোগ আছিল অপূৰ্ব। শংকৰদেৱে তেওঁক 'বৰাৰ পো' বুলি সম্বোধন কৰিছিল।" অৱশ্যে কোনো বিশেষ শব্দ, বিশেষ ভাব, কোনো বিশেষ ৰচনা আদিত গুৰুত্ব দিবলৈ বা বিশেষভাৱে বুজাবলৈও উদ্ধৃতি চিহ্ন ব্যৱহাৰ কৰা হয়। এইক্ষেত্ৰত ঊৰ্দ্ধকমাৰ একক ৰূপৰ ব্যৱহাৰ কৰা হয়। যেনে—

(ক) ভাৰতবৰ্ষখনক বুজিবলৈ হ'লে 'ভাৰতীয় সাহিত্য' অধ্যয়ন অতি প্ৰয়োজনীয়।

(খ) ড° গোলোকচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ব্যাকৰণ প্ৰৱেশ' পুথিখন পঢ়িলে ভাষাটোৰ বহুতো খুঁটি-নাটি জানিব পাৰি।

(গ) কৰ'নাৰ সময়ত আমাৰ দোকান বন্ধ হৈ গ'ল। আচলতে সেই দিনবোৰ আমাৰ বাবে আছিল 'অভিশপ্ত দিন'।

(ঘ) লিখিত যোগাযোগৰ ক্ষেত্ৰত এটা শব্দৰ পৰা আন এটা শব্দৰ দূৰত্ব (gap) ৰক্ষা কৰা আৰু লগলগাই লিখা আদি কথাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। এনে বিষয়বোৰত সতৰ্ক নহ'লেও কেতিয়াবা বাক্যৰ অৰ্থ সলনি হ'ব পাৰে। যেনে-

সি জলপান কৰি ঘৰলৈ গ'ল।

সি জলপান কৰি ঘৰলৈ গ'ল।

ইয়াত প্ৰথম বাক্যটোৱে (জলপান) পানী খাই ঘৰলৈ যোৱা বুজাব আৰু দ্বিতীয় বাক্যটোৱে(জলপান) লঘু আহাৰ খাই ঘৰলৈ যোৱা বুজাব। গতিকে এনে কথাবোৰো গুৰুত্ব দিয়া প্ৰয়োজন।

### ৩.৩.৩.৫ সম্পাদনা

লেখা এটা লিখি সম্পূৰ্ণ কৰাৰ পিছত লেখকে তাক পঢ়ি চাব লাগে যদি ক'ৰবাত বাক্যৰ গাঁথনিক আৰু অৰ্থগত দিশৰ ভুল আছে সেয়া শুধৰাই ল'ব লাগে। কোনো এক বাক্যই যদি লেখকে বুজাব খোজা কথাখিনি সঠিককৈ প্ৰকাশ কৰিব পৰা নাই, তেতিয়া বাক্যটো কাটি পুনৰাই লিখা উচিত। সেইদৰে লেখাটোৰ মাজত কৰ'বাত যদি শব্দ বা আখৰ ৰৈ গৈছে তাক সম্পূৰ্ণ কৰাও প্ৰয়োজন। অৰ্থাৎ, নিজৰ লেখা লেখকে নিজেই প্ৰথমে সম্পাদনা কৰা উচিত।

### ৩.৩.৩.৬ শুধৰণি আৰু নকল

সম্পাদনা কৰি শুধৰাই লোৱাৰ পিছত লেখাটোৰ এটা স্পষ্ট নকল (fair copy) কৰিব লাগে। এটা শাৰীৰ পৰা আন এটা শাৰীৰ মাজত ফাঁক ৰাখিব লাগে যাতে যিটো প্ৰকাশনলৈ পঠোৱা হ'ব তেওঁলোকেও সম্পাদনা কৰাৰ থল থাকে। এইদৰে স্পষ্ট নকল কৰাৰ পিছতহে লেখা এটা মুদ্ৰণ আৰু প্ৰকাশৰ বাবে সাজু হৈ উঠে। লেখাটো লেখকৰ হাতৰ পৰা ওলাই গৈ প্ৰকাশ হোৱাৰ পিছত ভুল থাকিলেও শুধৰোৱা কঠিন। সেয়ে শুধৰণি কৰি নকল কৰাৰ পিছত আৰু এবাৰ পঢ়ি লৈ লেখাটো চূড়ান্ত কৰিহে প্ৰকাশৰ বাবে পঠোৱা উচিত। এইক্ষেত্ৰত প্ৰয়োজন অনুসৰি অভিধানৰ সহায় লোৱাটো অপৰিহাৰ্য্য।

### ৩.৩.৩.৭ কুম্ভিলক বৃত্তি পৰিহাৰ

ই হৈছে একপ্ৰকাৰৰ বৌদ্ধিক চৌৰ্যকৰ্ম (plagiarism) ;আনৰ লেখা অসাধুভাৱে নিজৰ নামত প্ৰকাশ কৰাকে কুম্ভিলক বৃত্তি বোলা হয়। কোনো বিষয়ৰ জ্ঞান অৰ্জনৰ বাবে আন লেখকে লিখা ৰচনা পঢ়িবই লাগিব, কিন্তু আনৰ বাক্য, চিন্তা বা ৰচনাৰ অংশ উল্লেখ নকৰাকৈ ব্যৱহাৰ কৰা অনৈতিক আচৰণ আৰু বৌদ্ধিক অসততা। জ্ঞান আৰু চিন্তাৰ জগতত সকলো কথা নতুন হ'বই লাগিব বুলি কোনো কথা নাই। আনৰ চিন্তা-চৰ্চাৰ আধাৰতো আমি নতুনভাৱে বিষয় এটা আলোচনা কৰিব পাৰোঁ। সেইক্ষেত্ৰত যি মূল গ্ৰন্থ বা লেখকৰ পৰা আমি চিন্তা বা জ্ঞান আহৰণ কৰিছোঁ সেয়া উল্লেখ কৰা প্ৰয়োজন। ৰচনা বা প্ৰবন্ধ এটা লেখি শেষ কৰাৰ পিছত আমাৰ জ্ঞাতে-অজ্ঞাতে মূল লেখকৰ নাম আৰু ৰচনাৰ উল্লেখ কৰিবলৈ বৈ গ'ল নেকি সেয়া সচেতনভাৱে পৰীক্ষা কৰাটো একান্ত প্ৰয়োজনীয়। আনকি নিজৰ লেখাৰো হুবহু উদ্ধৃতি দিলে তাৰ সবিশেষ উল্লেখ কৰাটো প্ৰয়োজনীয়।



**আত্মমূল্যায়ন**

(১) লেখা এটাৰ বিষয় নিৰ্বাচন কিদৰে কৰিব?

.............................................................................................................

.............................................................................................................

.............................................................................................................

(২) লিখিত ৰূপদানৰ ক্ষেত্ৰত কোনবোৰ কথাৰ ওপৰত গুৰুত্ব দিব লাগে?

.............................................................................................................

.............................................................................................................

.............................................................................................................

(৩) লিখিত যোগাযোগৰ বাবে ব্যৱহাৰ হোৱা যতি আৰু বিৰাম চিহ্নৰ প্ৰয়োগ সম্পৰ্কে চমুকৈ আলোচনা কৰক।

.............................................................................................................

.............................................................................................................

.............................................................................................................

## ৩.৩.৪ পেৰাগ্ৰাফ লিখন

উত্থাপন কৰিবলগীয়া বিষয়বস্তু আৰু ভাবক প্ৰাণৱন্ত, স্পষ্ট, শৃংখলাবদ্ধ আৰু সাৱলীল কৰি তুলিবলৈ লিখিত যোগাযোগত উপস্থাপিত বিষয়টো কেতবোৰ অনুচ্ছেদ বা পেৰাগ্ৰাফত(paragraph) ভাগ কৰা হয়। গদ্যৰূপত কোনো এটা বিষয় উপস্থাপনত লেখকে যদি একেধাৰে লিখি গৈ থাকে তেতিয়া পাঠকৰ বাবে সেয়া সহজবোধ্য হৈ নুঠিব পাৰে। কাৰণ বিষয়টোৰ ভিতৰতে কেতবোৰ সৰু সৰু ভাগ বা সংশ্লিষ্ট কথা থাকে যিবোৰ ভাগ ভাগ কৰি লিখিলেহে স্পষ্ট হৈ উঠে। সেয়ে লেখকে লিখি যাওঁতে কেতবোৰ সৰু সৰু ভাগ কৰি লিখে আৰু লেখা এটাৰ ভিতৰত থকা এই সৰু সৰু ভাগবোৰেই হ'ল অনুচ্ছেদ বা পেৰাগ্ৰাফ। এটা পেৰাগ্ৰাফ হ'ল কেতবোৰ বাক্যৰ সমষ্টি, যিবিলাকৰ মাজত এটা কেন্দ্ৰীয় বিষয় আছে আৰু এই কেন্দ্ৰীয় বিষয়টো মূল বিষয়ৰ লগত জড়িত হৈ থাকে। উদাহৰণস্বৰূপে, 'অসমৰ ফুল' বিষয়ক এখন ৰচনা লিখিলে অসমত পোৱা বেলেগ বেলেগ ফুল তগৰ, বকুল, গুটিমালী আদিৰ বিষয়ে লিখোঁতে এটা এটা পেৰাগ্ৰাফ কৰি লিখিব পৰা যায়। অথবা অন্য ধৰণেও এই ভাগবোৰ কৰিব পাৰি। কিন্তু উপস্থাপিত বিষয়টো ভাগ ভাগ কৰি লিখিলে সুশৃংখলিত হয়।

পেৰাগ্ৰাফ লিখনৰ ক্ষেত্ৰত লক্ষণীয় কথাটো হ'ল এটা পেৰাগ্ৰাফত এটা ধাৰণাকহে উপস্থাপন কৰা হয়। সেয়ে দৃঢ়ভাৱে বা আটিলভাৱে থকা বিষয়টোহে কোনো খেলিমেলি নোহোৱাকৈ অনায়াসে পাঠকৰ হৃদয় স্পৰ্শ কৰে। সুলিখিত এটা পেৰাগ্ৰাফত একোটা বিষয় বাক্য (key snetence) থাকে। বিষয় বাক্যত পেৰাগ্ৰাফৰ মূল ভাবটো থাকে। অন্য বাক্যবিলাকে এই বাক্যক সহায় কৰে। শেষত এটা

মোখনি বাক্য (closing sentence) থাকে। এই মোখনি বাক্যটো গোটেই পেৰাগ্ৰাফটোৰ পৰা নিষ্কাষিত মূল ভাবটোও হ'ব পাৰে অথবা পৰৱৰ্তী পেৰাগ্ৰাফত কি ধৰণৰ বিষয় আলোচিত হ'ব তাৰ ইংগিতো হ'ব পাৰে। সাধাৰণতে প্ৰবন্ধ ৰচনা আদিত পেৰাগ্ৰাফ এটা কেইবাটাও বাক্যৰ সমষ্টি। অৱশ্যে সৃষ্টিশীল সাহিত্যত লেখকে পেৰাগ্ৰাফৰ এই পৰম্পৰাগত ধাৰণা অনুসৰণ নকৰিবও পাৰে। বিশেষকৈ গল্প-উপন্যাস আদি কাহিনী সাহিত্যত লেখকে যেতিয়া ছবি এখন নিৰ্মাণ কৰে তেতিয়া একেটা ধৰণৰ বৰ্ণনাই চলিব পাৰে অথবা এটা বাক্যতে কেন্দ্ৰীয় বিষয়টো এৰি দি লেখকে আন এটা পেৰাগ্ৰাফ আৰম্ভ কৰিব পাৰে। কেতিয়াবা এটা চৰিত্ৰই কোৱা কথা এটা পেৰাগ্ৰাফত দি আন এটা চৰিত্ৰৰ সংলাপ বেলেগ এটা পেৰাগ্ৰাফত দিব পাৰে। সেয়ে সৃষ্টিশীল সাহিত্যত এটা বাক্যৰেও এটা পেৰাগ্ৰাফ হ'ব পাৰে আৰু সেই বাক্যটো এটা একশব্দীয় বাক্যও হ'ব পাৰে। অৰ্থাৎ এটা শব্দৰে এটা পেৰাগ্ৰাফ হ'ব পাৰে।

**লেখন কলাৰ বিকাশ**
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

পেৰাগ্ৰাফ এটা লিখাৰ ক্ষেত্ৰত সাধাৰণতে এই কথাবোৰ মন কৰিব লাগে।

১) পেৰাগ্ৰাফ এটা যেতিয়া আৰম্ভ কৰা হয় তেতিয়া শাৰীটোৰ অলপমান ঠাই এৰি আৰম্ভ কৰা হয় যাতে লেখা এটাৰ মাজত থকা পেৰাগ্ৰাফবোৰ স্পষ্ট হৈ থাকে।

২) এটা পেৰাগ্ৰাফত এটা কেন্দ্ৰীয় ধাৰণা থাকে। অৱশ্যে এই কেন্দ্ৰীয় ধাৰণাটো মূল বিষয়ৰ লগত জড়িত হৈ থাকে। অৰ্থাৎ সকলো পেৰাগ্ৰাফেই মূল বিষয়ৰ লগত সংলগ্ন হৈ থাকে।

৩) পেৰাগ্ৰাফ এটা কিমান দীঘল হ'ব পাৰে তাৰ কোনো নিৰ্দিষ্ট নিয়ম নাই। এটা বাক্যত থাকিব পাৰে বা একাধিক বাক্যও থাকিব পাৰে।

৪) এটা পেৰাগ্ৰাফত একোটা বিষয় বিস্তৃতভাৱে থাকিব পাৰে। বিষয়ৰ উদ্দেশ্য, গুৰুত্ব, ব্যাখ্যা, বিশ্লেষণ, উদাহৰণ আদি সকলো সন্নিৱিষ্ট হৈ থাকিব পাৰে।

৫) পেৰাগ্ৰাফ এটাৰ ভিতৰত বাক্যবোৰ সাৱলীল হোৱাৰ লগতে আগৰ বাক্যটো পিছৰ বাক্যৰ লগত সম্পৰ্কিত হৈ থাকিব লাগে। বাক্য এটাৰ কিছুমান শব্দ বা নিজস্বভাৱেই কিছুমান শব্দই কেন্দ্ৰীয় পৰিভাষা(key term) হৈ বিষয়টোক তুলি ধৰে। অৱশ্যে, পুনৰাবৃত্তি পৰিহাৰ কৰা প্ৰয়োজন; অৰ্থাৎ বাৰে বাৰে একেটা শব্দ ব্যৱহাৰ কৰা উচিত নহয়। তেতিয়া সেই শব্দৰ সমাৰ্থক শব্দ ব্যৱহাৰ কৰিব পাৰি। নামবাচক বা স্থানবাচক বিশেষ্যৰ সলনি সৰ্বনাম ব্যৱহাৰ কৰা হয়।

৬) পেৰাগ্ৰাফ এটাৰ শীৰ্ষক থাকিবও পাৰে। অৱশ্যে শীৰ্ষক যে থাকিবই লাগিব এনে ধৰা-বন্ধা নিয়ম নাই। প্ৰবন্ধ বা ৰচনাত পেৰাগ্ৰাফ এটা সুস্পষ্ট কৰাৰ বাবে শীৰ্ষনাম দিয়া হয়। শীৰ্ষকত থকা বিষয়টোৱে হ'ব সেই পেৰাগ্ৰাফটোৰ কেন্দ্ৰীয় ধাৰণা।

৭) পেৰাগ্ৰাফ এটাৰ শেষৰ বাক্যটো কেতিয়াবা সাঁকোৰ দৰে ব্যৱহাৰ হ'ব পাৰে। কাৰণ তাৰ পিছত আকৌ নতুন পেৰাগ্ৰাফ আৰম্ভ হ'ব। আগৰ পেৰাগ্ৰাফটো পিছৰ পেৰাগ্ৰাফটোৰ লগত সংযোজিত হৈ থাকে বাবেই বহু সময়ত আগৰ পেৰাগ্ৰাফটোৰ শেষৰ বাক্যটো পিছৰ পেৰাগ্ৰাফটোৰ লগত সংযোগ কৰিব পৰাকৈ উপস্থাপন কৰা হয়।

**আত্মমূল্যায়ন**

(১) পেৰাগ্ৰাফ এটা কেনেদৰে গঠন হয়?

....................................................................................................

....................................................................................................

....................................................................................................

(২) পেৰাগ্ৰাফ এটা লেখাৰ ক্ষেত্ৰত কোনবোৰ কথাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে?

....................................................................................................

....................................................................................................

....................................................................................................

## ৩.৩.৫ সম্পাদকলৈ চিঠি

সম্পাদকলৈ চিঠি হ'ল পঢুৱৈক সজাগ কৰি তোলা, কোনো বিশেষ বিষয় বা সামাজিক সমস্যা স্পষ্ট কৰা অথবা পূৰ্বে প্ৰকাশিত কোনো লেখাৰ বিৰোধ, সমৰ্থন বা নতুন কোনো কথাৰ সংযোজন আদিৰ বাবে কোনো প্ৰকাশনলৈ লিখা চিঠি। সাধাৰণতে এই চিঠিখন প্ৰকাশৰ বাবে পঠোৱা হয়। ইয়াৰ পঢুৱৈ হ'ব সেই প্ৰকাশনটোৰে সামৰি লোৱা পাঠক চক্ৰ। সম্পাদকলৈ লিখা চিঠি পৰম্পৰাগত পৰিবহনৰ দ্বাৰাই আগতে পঠোৱা হৈছিল; আজিকালি অৱশ্যে বৈদ্যুতিন পৰিবহণৰ(electronic mail) জৰিয়তেও পঠোৱা হয়।

সম্পাদকলৈ লিখা চিঠি সাধাৰণতে দৈনিক, তিনিদিনীয়া, সাপ্তাহিক বাতৰিকাকত, পযেকীয়া-মাহিলী বাতৰি-আলোচনী আদিত প্ৰকাশ হয়। অৱশ্যে, বিদ্যায়তনিক পত্ৰিকা(academic journal), কাৰিকৰী আলোচনী আদিতো প্ৰকাশ হয়। কেতিয়াবা অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ পৰাও এনে চিঠি প্ৰকাশ হয়; এনে মাধ্যমবোৰত চিঠিখন পঢ়ি শুনোৱা হয়। গতিকে কোনটো মাধ্যমত প্ৰকাশ হ'ব সেই অনুসৰি লেখকৰ উপস্থাপন শৈলী আৰু বিষয় নিৰ্বাচনত সামান্য হীন-ডেৢি হ'ব পাৰে। কাৰণ আলোচনী এখনৰ পঢুৱৈ যিখিনি হ'ব অনাতাঁৰ আৰু দূৰদৰ্শনৰ শ্ৰোতা তথা দৰ্শকৰ সংখ্যা আৰু ৰুচি একে নহ'বও পাৰে। পত্ৰলেখকে যিটো মাধ্যমৰ জৰিয়তে চিঠিখন প্ৰকাশ কৰিব, সাধাৰণতে সেই মাধ্যমৰ প্ৰচাৰ আৰু উপযোগিতা সম্পৰ্কে ধাৰণা থকা উচিত। উদাহৰণ স্বৰূপে, চিত্ৰকলাৰ স'তে জড়িত থকা আলোচনী এখনলৈ যদি ৰাজনৈতিক বিষয় এটা উত্থাপন কৰি সম্পাদকলৈ চিঠি লিখা হয়, তেন্তে সেইখন প্ৰকাশ নহ'বও পাৰে। সেইদৰে, সাহিত্য আলোচনীৰ সম্পাদকলৈ লিখা চিঠি এখনত লেখকে সাধাৰণ পাঠকে নুবুজা সাহিত্যিক শব্দ বা পৰিভাষা(literary words on terms) ব্যৱহাৰ কৰিব পাৰে, কাৰণ সাহিত্যৰ ৰসগ্ৰহণ কৰিব পৰা তথা সাহিত্যৰ প্ৰতি অনুৰাগ থকা লোকসকল হ'ব সেই আলোচনীৰ পাঠকচক্ৰ। কিন্তু স্বাস্থ্য বিষয়ক আলোচনী এখনত যদি এনে শব্দ ব্যৱহাৰ কৰি সাহিত্য বিষয়ৰ চিঠি এখন লিখা হয়, তেন্তে প্ৰকাশ নহ'বও পাৰে। প্ৰকাশ হ'লেও সেই আলোচনীৰ সকলো পাঠকৰ বাবে চিঠিখন গ্ৰহণযোগ্য নহ'ব। আকৌ, সমসাময়িক জলন্ত বিষয় বা সমস্যাবোৰ দৈনিক বাতৰি কাকতত যিমান গুৰুত্ব দিয়া হয়, মাহিলী আলোচনীত দিয়া নহয়। সম্পাদকলৈ চিঠি লিখাৰ ক্ষেত্ৰত মাধ্যম আৰু প্ৰকাশনৰ বৈশিষ্ট্য সম্পৰ্কে ধাৰণা থকাৰ উপৰিও নিৰ্দিষ্ট পাঠকৰ বিষয়েও সম্যক জ্ঞান থকাটো বাঞ্ছনীয়।

### ৩.৩.৫.১ চিঠিৰ বিষয়বস্তু

সম্পাদকলৈ লিখা চিঠিৰ বিষয়বস্তু ব্যাপক পৰিসৰৰ হ'ব পাৰে। সামাজিক বিষয় হ'ব পাৰে, ব্যক্তিগতও হ'ব পাৰে। অৱশ্যে কিছুমান বিষয় ব্যক্তিগত হৈয়ো সামাজিক হৈ পৰে। সম্পাদকলৈ লিখা চিঠিত সাধাৰণতে এনে বিষয়বোৰ অন্তৰ্ভুক্ত কৰা দেখা যায়—

- বাতৰি কাকত বা আলোচনীখনত ইতিমধ্যে প্ৰকাশ হোৱা সম্পাদকীয় অথবা প্ৰবন্ধ বা বাতৰিৰ সমৰ্থন অথবা বিৰোধ কৰি বা কিবা ভুল তথ্য থাকিলে তাক শুদ্ধ কৰিবলৈও অন্য লেখকে সম্পাদকলৈ চিঠি লিখিব পাৰে। লেখক এগৰাকীয়ে ইতিমধ্যে প্ৰকাশ হোৱা নিজৰ প্ৰবন্ধৰো শুধৰণি কৰিব পাৰে। তদুপৰি পূৰ্বে প্ৰকাশিত 'সম্পাদকলৈ চিঠি' সন্দৰ্ভতো অন্য এজনে লিখিব পাৰে।
- সমসাময়িক জ্বলন্ত সমস্যা সকলোৰে সন্মুখলৈ অনাৰ বাবে অথবা জনসাধাৰণক সচেতন কৰি তোলাৰ বাবে সম্পাদকলৈ চিঠি লিখিব পাৰে। এই বিষয়টো থলুৱা, আঞ্চলিক অথবা ৰাষ্ট্ৰীয় পৰ্যায়ৰ হ'ব পাৰে। এইখিনিতে অৱশ্যে প্ৰকাশনটোৰ প্ৰচলনৰ বিষয়েও চাব লগা হয়। উদাহৰণস্বৰূপে, এখন গাঁও পঞ্চায়তৰ সমস্যাৰ বিষয়ে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰকাশনতকৈ সেই অঞ্চলৰ পৰা থলুৱাভাৱে প্ৰকাশিত আৰু প্ৰচলিত প্ৰকাশন এটাত লিখিলে সেই অঞ্চলৰ জনসাধাৰণ আৰু শাসকপক্ষৰ অধিক দৃষ্টিগোচৰ হোৱাৰ থল থাকে। অৱশ্যে, কোনো গাঁও পঞ্চায়তত যদি কিবা আদৰ্শনীয় কাম হৈছে সেয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাতৰিকাকতত প্ৰকাশ কৰিব পাৰে, কিয়নো সেই তথ্যই আন আন অঞ্চলৰ লোককো এটা আদৰ্শ পথ দেখুৱাব।

- কোনো অঞ্চলৰ নিৰ্বাচিত প্ৰতিনিধিয়ে জনগণৰ পক্ষত সঠিক সিদ্ধান্ত লোৱাৰ বাবেও আহ্বান জনাব পাৰে। প্ৰত্যক্ষভাৱে জনপ্ৰতিনিধিক সাক্ষাৎ কৰি কোনো সমস্যা বা বিষয় উত্থাপন কৰাটো সাধাৰণ নাগৰিকৰ বাবে সকলো সময়তে সম্ভৱ নহয়। সেয়ে সম্পাদকলৈ চিঠি লিখি বিষয়টো অৱগত কৰাব পাৰে।

লেখন কলাৰ বিকাশ
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

- ইতিমধ্যে প্ৰকাশিত বাতৰি বা কোনো লেখাৰ প্ৰতি মন্তব্য প্ৰকাশ কৰিবলৈও সম্পাদকলৈ চিঠি লিখিব পাৰে। এনে চিঠিৰ বিষয়বস্তু প্ৰেৰণামূলকো হ'ব পাৰে অথবা সমালোচনাত্মকো হ'ব পাৰে।
- নিজৰ বা আনৰ ইতিমধ্যে প্ৰকাশ হোৱা কোনো লেখাৰ শুধৰণিও সম্পাদকলৈ লিখা চিঠিৰ বিষয়বস্তু হ'ব পাৰে।
- সম্পাদকলৈ লিখা চিঠিৰ বিষয়বস্তু বহু পৰিমাণে মুকলি। জনসাধাৰণৰ গণতান্ত্ৰিক চিন্তা তথা গণসচেতনতা প্ৰকাশৰ এখন মঞ্চ বুলি ইয়াক ক'ব পাৰি। তৎসত্ত্বেও কিছুমান বিষয়ৰ প্ৰতি লেখক সচেতন হোৱা দৰকাৰ। লেখকৰ ব্যক্তিগত দৃষ্টিভংগী এনে চিঠিত থাকিবই, কিন্তু ব্যক্তিগতভাৱে কাকো আক্ৰমণ কৰা উচিত নহয়। অৰ্থাৎ 'সম্পাদকলৈ চিঠি' ব্যক্তিগত আখেজ পূৰণৰ মাধ্যম হ'ব নালাগে। ভাষা প্ৰয়োগৰ ক্ষেত্ৰত লেখক সচেতন হোৱা উচিত। কম কথাতে বেছি ভাব প্ৰকাশ কৰিব পৰা হ'ব লাগে। তদুপৰি, অশালীন শব্দ বা আনৰ অনুভূতিত আঘাত কৰিব পৰা শব্দ, বাক্য আদি পৰিহাৰ কৰা প্ৰয়োজন। নিঃসন্দেহে তেওঁ যুক্তি দাঙি ধৰিব, কিন্তু অযথা আক্ৰমণাত্মক ভাষা ব্যৱহাৰ কৰা উচিত নহয়।

### ৩.৩.৫.২ সম্পাদকলৈ লিখা চিঠিৰ আৰ্হি

এগৰাকী ব্যক্তিয়ে বিভিন্ন প্ৰসংগত বিভিন্ন ব্যক্তি বা অনুষ্ঠানলৈ লিখা চিঠি-পত্ৰৰ একোটা বিশেষ ৰীতি বা শৈলী থাকে। সেইবাবেই ব্যক্তিগত চিঠি, আবেদন পত্ৰ, নিমন্ত্ৰণী পত্ৰ, সম্পাদকলৈ চিঠি আদি ভিন্ন ভিন্ন ক্ষেত্ৰত ব্যৱহাৰ হোৱা চিঠিৰ এক সুনিৰ্দিষ্ট ৰূপ থাকে। অথাৎ একোটা নিৰ্দিষ্ট আৰ্হি থাকে আৰু সেই আৰ্হি অনুসৰিহে লিখা হয়।

সম্পাদকলৈ লিখা চিঠিত সাধাৰণতে তলত দিয়া আৰ্হি অনুসৰণ কৰা হয়—

(১) প্ৰেৰকৰ ঠিকনা ঃ প্ৰেৰক অৰ্থাৎ লেখকৰ নাম, ঠিকনা, যোগাযোগৰ বিৱৰণ লিখা হয়। যোগাযোগৰ বিৱৰণ মানে এই কথাটোৱে বুজোৱা হৈছে যে পত্ৰলেখকৰ সৈতে যোগাযোগ কৰিব লগা হয়, তেন্তে সহজে পাব পৰা ঠিকনাটো ব্যৱহাৰ কৰিব লাগে।

(২) তাৰিখ ঃ প্ৰেৰকৰ নাম, ঠিকনাৰ পিছতেই এটা শাৰীত তাৰিখ লিখিব লাগে।

(৩) প্ৰাপকৰ ঠিকনা ঃ কালৈ প্ৰেৰণ কৰা হৈছে প্ৰাপকৰ নাম, ঠিকনা অৰ্থাৎ সম্পাদকৰ ঠিকনা (কাৰ্যালয়ৰ নাম) শুদ্ধকৈ লিখিব লাগে।

(৪) চিঠিৰ শিৰোনাম ঃ চিঠি লিখাৰ মূল উদ্দেশ্য অৰ্থাৎ মূল বিষয়টো লিখিব লাগে। এটা শাৰী বা শীৰ্ষকত এই মূল বিষয় উল্লেখ কৰা উচিত আৰু শীৰ্ষক বা শিৰোনামটোৱে যাতে চিঠিৰ মূল বিষয়টো তুলি ধৰিব পাৰে সেই কথা লক্ষ্য ৰাখিব লাগিব।

(৫) আৰম্ভণি ঃ সন্মান সহকাৰে সম্বোধন কৰি আৰম্ভণি কৰা উচিত। যেনে— মহোদয়া/ মহোদয়, মহাশয়া/ মহাশয় অথবা মাননীয় মহোদয়া/ মাননীয় মহোদয়— এইদৰে আৰম্ভণি কৰিব লাগে।

(৬) মূল বিষয় উপস্থাপন ঃ চিঠিৰ মূল বিষয় তিনিটা পেৰাগ্ৰাফত লিখিব পাৰি। এই পেৰাগ্ৰাফকেইটাত তলত দিয়া ধৰণৰ বিষয় সন্নিবিষ্ট হ'ব পাৰে—

প্ৰথম পেৰাগ্ৰাফ ঃ লেখকৰ পৰিচয় আৰু চিঠি লিখাৰ মূল উদ্দেশ্য স্পষ্ট আৰু চমুকৈ উল্লেখ কৰিব লাগে।

দ্বিতীয় পেৰাগ্ৰাফ ঃ বিষয়বস্তু বিস্তৃতভাৱে লিখিব লাগে। মূল বিষয়টো এইটো পেৰাগ্ৰাফত সম্পূৰ্ণৰূপে উপস্থাপন হ'ব লাগিব।

তৃতীয় পেৰাগ্ৰাফ ঃ লেখকে কি বাঞ্ছা কৰি সম্পাদকলৈ লিখিলে সেই কথা এই পেৰাগ্ৰাফত ব্যক্ত কৰা উচিত। এইটো পেৰাগ্ৰাফ আচলতে চিঠিখনৰ মোখনি বা সামৰণি।

এইদৰে তিনিটা পেৰাগ্ৰাফত বিষয় উপস্থাপিত হ'বই লাগিব বুলি কোনো ধৰা বন্ধা নিয়ম নাই; তিনিটাতকৈ বেছিও হ'ব পাৰে। বিশেষকৈ দ্বিতীয় পেৰাগ্ৰাফত লিখা কথাখিনি পত্ৰলেখকে এটা পেৰাগ্ৰাফতে সামৰিব নোৱাৰিবও পাৰে; তেতিয়া পেৰাগ্ৰাফৰ সংখ্যা বেছি হ'ব। কিন্তু তিনিটাতকৈ কম হোৱা উচিত নহয়।

(৭) শেষত শুভেচ্ছাজ্ঞাপক বা ধন্যবাদসূচক বাক্যৰে সামৰণি কৰা উচিত আৰু একেবাৰে শেষত প্ৰেৰকৰ নাম, চহী বা স্বাক্ষৰ আৰু যদি কিবা পদবী আছে তাক উল্লেখ কৰা উচিত।

এই স্তৰবোৰ অনুসৰণ কৰাৰ লগতে পত্ৰলেখকে বাক্য, বানান আদি শুদ্ধৰূপত ব্যৱহাৰ কৰাৰ ওপৰতো গুৰুত্ব দিব লাগিব আৰু লেখকৰ শিষ্টাচাৰ, ভাষা ব্যৱহাৰৰ মিতব্যয়িতা, স্পষ্টতা আদিও চিঠিত প্ৰতিফলিত হ'ব লাগিব।

**আত্মমূল্যায়ন**

(১) সম্পাদকলৈ চিঠি কেনে ধৰণৰ হ'ব লাগে?

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

(২) সম্পাদকলৈ লিখা চিঠিৰ বিষয়বস্তু কেনেধৰণৰ হ'ব পাৰে?

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

(৩) সম্পাদকলৈ লিখা চিঠিৰ আৰ্হি প্ৰস্তুত কৰি বুজাই দিয়ক।

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

## ৩.৩.৬ নতুন মাধ্যমৰ বাবে লেখন

'নতুন মাধ্যম' বুলি কোৱাৰ লগে লগে এটা বিস্তৃত অৰ্থ বুজায়। বহুবোৰ ধাৰণা ইয়াত সামৰিব পাৰি। কাৰণ 'নতুন' বুলি কোৱাৰ লগে লগে 'পুৰণি' মাধ্যমৰ কথা আহি পৰে; পুৰণিৰ বিপৰীতেহে 'নতুন'ৰ ধাৰণাৰ জন্ম হৈছে। আমি এনে ব্যাপক ৰূপৰ ব্যাখ্যালৈ নগৈ সাধাৰণভাৱে ৱেব বা ইণ্টাৰনেট মাধ্যমৰ কথাই বুজাব বিচাৰিছোঁ- যিবোৰৰ জৰিয়তে এজন ব্যক্তিয়ে অনায়াসে নিজৰ মনৰ ভাব, দৃষ্টিভংগী বহুজনৰ ওচৰলৈ নিব পাৰে। 'নতুন মাধ্যম' বুলি ক'লে সাধাৰণতে ডিজিটেল মাধ্যমকে সূচোৱা হয়। এই মাধ্যমৰ আটাইতকৈ ডাঙৰ সুবিধা হৈছে এই মাধ্যমৰ জৰিয়তে কোনো কথা বা বিষয় সহজতে আৰু কম খৰচতে বহুজনৰ মাজলৈ নিব পাৰি। তদুপৰি এই মাধ্যমত লেখক নিজেই প্ৰকাশক আৰু প্ৰযোজক হ'ব পাৰে। বৰ্তমান সময়ত প্ৰযুক্তিৰ ব্যৱহাৰ বঢ়াৰ লগে লগে এই মাধ্যমৰ প্ৰতিও সকলোৰে আগ্ৰহ বাঢ়িছে। বিভিন্ন তথ্য আৰু বিষয় এই মাধ্যমৰ জৰিয়তে ব্যাপক পঢুৱৈৰ মাজলৈ

গৈছে। গতিকে উঠি অহা প্ৰজন্মই এই মাধ্যমত লিখাৰ বাবে কেনে কৌশল আৰু সঁজুলি ব্যৱহাৰ কৰিব লাগে সেই বিষয়ে জনা প্ৰয়োজন।

নতুন মাধ্যম অৰ্থাৎ ডিজিটেল মাধ্যম ইলেক্ট্ৰনিক যন্ত্ৰপাতিৰ ওপৰতে নিৰ্ভৰশীল। শব্দ, দৃশ্য-শ্ৰব্য বিবিধ উপাদান, গ্ৰাফিক্স আদি এই মাধ্যমত ব্যৱহাৰ হোৱা বিভিন্ন উপকৰণ বৈদ্যুতিকভাৱে উপলব্ধ হয়। এই মাধ্যমৰ সৈতে জড়িত হৈ আছে ইণ্টাৰনেট সেৱা। ইণ্টাৰনেট সেৱাৰ দ্বাৰাই এই মাধ্যম কাৰ্যকৰী হয়। ডিজিটেল মাধ্যমত ব্যৱহাৰ হোৱা ক্ষেত্ৰবোৰৰ কিছুমান হ'ল ব্লগ, বেৱচাইট; যেনে- ফেচবুক, ৱাটচএপ গ্ৰুপ, ইউ টিউব, ইমেইল, ই মেগাজিন, টুইটাৰ, উইকিপিদিয়া, টেলিগ্ৰাম ইত্যাদি। নিঃসন্দেহে প্ৰযুক্তিগত কৌশল বাঢ়ি যোৱাৰ লগে লগে ভৱিষ্যতে এনে ক্ষেত্ৰবোৰ দ্ৰুতগতিত বাঢ়ি যাব। এতেকে নতুন মাধ্যমত লিখাৰ বাবে আমি নিজকে সাজু কৰিব লাগিব আৰু এইক্ষেত্ৰত অসমীয়া ভাষা যাতে পিছ পৰি নৰয় তাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

**লেখন কলাৰ বিকাশ**
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

### ৩.৩.৬.১ অসমীয়া ফন্ট (font)

ইউনিকোড উদ্ভাৱনৰ আগেয়ে অৰ্থাৎ ১৯৯১ চনৰ আগেয়ে অসমীয়া আখৰ উদ্ভাৱনৰ পৰীক্ষাক গুৰুত্ব দিয়া হোৱা নাছিল। আচলতে ডিজিটেল মাধ্যম সেই সময়ত আজিৰ দৰে জনপ্ৰিয় হৈ উঠাও নাছিল। অৱশ্যে ১৯৮৩ চনত স্থাপন কৰা Modular Info tech Private Limited নামৰ কোম্পানী এটাই ভাৰতীয় ভাষাসমূহত লিখিব পৰা কম্পিউটাৰ সঁজুলি আৰু ফণ্টৰ সৃষ্টি কৰিছিল। এই কোম্পানীটোৰ শ্ৰীলিপি (Shree-Lipi) নামৰ চফ্‌টৱেৰটোৰ ভিতৰতে অসমীয়া লিখিব পৰাকৈ ফন্ট তৈয়াৰ হৈছিল। পৰৱৰ্তী সময়ত আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ গণিতৰ অধ্যাপক, অসমীয়া সাহিত্যৰ বিশিষ্ট লেখক ড° দিলীপ কুমাৰ দত্তই 'ডিবৰু', 'বেঁকী' আৰু 'কপিলী' নামৰ তিনিটা ফন্ট উলিয়াইছিল। উল্লেখযোগ্য যে, এই ফণ্টকেইটাই আছিল কম্পিউটাৰত ব্যৱহাৰ হোৱা প্ৰথম ভাৰতীয় আখৰ। অৰ্থাৎ ভাৰতীয় ভাষাসমূহৰ ভিতৰত অসমীয়া আখৰ লিখিব পৰা ফণ্ট প্ৰথম উদ্ভাৱন হৈছিল। ১৯৮৫ চনত ড° দিলীপ কুমাৰ দত্তই 'প্ৰেমত পৰিলো নেকি?' শীৰ্ষক গ্ৰন্থখন এই ফণ্টৰ দ্বাৰাই লিখি উলিয়াইছিল। এই গ্ৰন্থখন প্ৰকাশ হৈ ওলাইছিল ১৯৮৭ চনত। ইয়াৰ পৰৱৰ্তী সময়ত ৰামধেনু(১৯৯২) চফ্‌টৱেৰ বিকাশৰ লগে লগে 'গীতাঞ্জলি' নামৰ এটা ফণ্টৰ সহায়ত কম্পিউটাৰৰ পেজমেকাৰ চফ্‌টৱেৰত অসমীয়া ভাষা লিখাৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। অসমীয়া ফণ্টৰ ইতিহাসত আমেৰিকাত কৰ্মৰত ৰবিন ডেকাই তেওঁৰ পিতৃৰ নামৰে উদ্ভাৱন কৰা 'আদৰ্শ ৰত্নে' নামৰ ফণ্টটোৱো বিশেষ ভূমিকা আছে। বৰ্তমান সময়ত অৱশ্যে বিভিন্ন ব্যক্তি বা গ্ৰুপে অসমীয়া ফণ্ট নিৰ্মাণ কৰিছে আৰু ডিজিটেল মাধ্যমত লিখাৰো সুবিধা আগতকৈ বাঢ়িছে।

### ৩.৩.৬.২ অসমীয়া কী-বোৰ্ড নিৰ্মাণ

ইউনিকোড কনৰ্চৰটিয়াম (Unicode Consortium) ১৯৯১ চনত ইউনিকোড সম্প্ৰসাৰণ কৰাৰ আগলৈকে ডিজিটেল মাধ্যমত অসমীয়া আখৰ লিখিবৰ বাবে বিশেষ কী-বৰ্ডৰ নিৰ্মাণ হোৱা নাছিল। Modular Infotech Private Limited নামৰ কোম্পানীটোৱে সম্ভৱতঃ প্ৰথমবাৰৰ বাবে অসমীয়াকে ধৰি আন আন ভাৰতীয় ভাষাত কম্পিউটাৰত লিখিব পৰা চফ্‌টৱেৰ নিৰ্মাণ কৰিছিল। ইয়াৰ পিছত কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে ১৯৯২ চনত ত্ৰিদীপ কুমাৰ বৰুৱাই 'ৰামধেনু' নামৰ চফ্‌টৱেৰ এটা উলিয়ায়। এই চফ্‌টৱেৰটোৱেই কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে ব্যৱহাৰ হোৱা অন্যতম চফ্‌টৱেৰ।

ইউনিকোড প্ৰণালীৰ উদ্ভাৱনৰ পিছতহে প্ৰকৃত অসমীয়া কী-বোৰ্ডৰ বিকাশ হয়। প্ৰথম অৱস্থাত কম্পিউটাৰত লিখিবৰ বাবে মূল বাংলা কী-বোৰ্ডসমূহত অসমীয়া 'ৰ' আৰু 'ৱ' আখৰৰ বিকাশ ঘটাই ব্যৱহাৰ কৰা হৈছিল। কী-বোৰ্ডসমূহৰ ভিতৰত আছিল অভ্ৰ(Avro) আৰু বৰহ(Barah)। ইয়াৰ পৰৱৰ্তী সময়ত বহুকেইগৰাকী ব্যক্তিয়ে কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে কী-বোৰ্ডৰ নিৰ্মাণ কৰিছে। অসমীয়া কী-বোৰ্ডসমূহৰ ভিতৰত কেইখনমান উল্লেখযোগ্য কী-বোৰ্ড হ'ল ৰ'দালি(Rodali), লাচিত(Lachit), ৰামধেনু(Ramdhenu), উইনলিপি(Winlipi), জাহ্নবী(Jahnabi), ই জি ডিটিপি চফ্‌টৱেৰ(Easy DTP software), গুগল ইণ্ডিক কী বোৰ্ড(Google Indic Keyboard) ইত্যাদি। অৱশ্যে উল্লিখিত সকলো কী-বোৰ্ডৰ দ্বাৰাই ইউনিকোডত লিখিব নোৱাৰি। কিছুমান কী-বোৰ্ডৰ দ্বাৰা

ইউনিকোড আৰু ননইউনিকোড উভয়তে লিখিব পাৰি, কিছুমানৰ জৰিয়তে কেৱল অসমীয়াত ডিটিপি কৰিব পাৰি। ডিজিটেল মাধ্যমত আচলতে ইউনিকোডত লিখিলে সুবিধা বেছি, কাৰণ বৰ্তমান পৃথিৱীব্যাপী এই ইউনিকোড ব্যৱস্থাৰ প্ৰচলন হৈছে। বিভিন্ন ধৰণৰ চিহ্ন আৰু পাঠ প্ৰকাশ কৰাৰ বাবে ইউনিকোড ব্যৱহাৰ কৰিব পাৰি।



ইউনিকোডত অসমীয়া লিখিবলৈ বিনামূলীয়াকৈ বহু কী-বোৰ্ড পোৱা যায়। লেখকৰ সুবিধা অনুযায়ী ডাউনলোড কৰি যিকোনো এখন ব্যৱহাৰ কৰিব পাৰে। কী-বোৰ্ড ব্যৱহাৰৰ প্ৰক্ৰিয়া চফ্টৱেৰটোৰ ভিতৰত দিয়া থাকে। আমি ইতিমধ্যে লাচিত, ৰ'দালি, জাহ্নৱী আদিৰ কথা উল্লেখ কৰি আহিছোঁ। অৱশ্যে অসমীয়া লিখোঁতে বানান, বাক্য আদিৰ প্ৰতিও সচেতন হোৱা ভাল। সামাজিক মাধ্যমত প্ৰকাশিত লেখাবোৰৰ সুবিধা এয়ে যে এইবোৰ সহজতে সম্পাদনা কৰি শুধৰাব পাৰি। অসমীয়া ইউনিকোড ব্যৱহাৰকাৰীসকলৰ বাবেও ইতিমধ্যে কেইবাখনো অভিধান উপলব্ধ হৈছে। অৱশ্যে ইয়াত সকলো ধৰণৰ শব্দ অন্তৰ্ভুক্ত হৈছে বুলি ক'ব নোৱাৰি। লিখাৰ সময়ত বানানৰ প্ৰতি সচেতন হ'বলৈ অভিধানৰো সহায় ল'ব পাৰে। ডিজিটেল মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ বাঢ়ি যোৱাৰ লগে লগে নিশ্চয় অন্যান্য শক্তিশালী ভাষাত প্ৰাপ্ত অনলাইন সঁজুলি অসমীয়া ভাষাতো উপলব্ধ হ'ব।

**আত্মমূল্যায়ন**

(১) নতুন মাধ্যম বুলিলে আপোনাৰ মনলৈ কি কি মাধ্যমৰ কথা আহিল?

..................................................................................................................
..................................................................................................................
..................................................................................................................
..................................................................................................................

(২) অসমীয়া ফন্ট সম্পৰ্কে বুজাই দিয়ক।

..................................................................................................................
..................................................................................................................
..................................................................................................................
..................................................................................................................

(৩) নতুন মাধ্যমত অসমীয়া লিখিবৰ বাবে কি কি কী-বোৰ্ড পোৱা যায় চমুকৈ উল্লেখ কৰক।

..................................................................................................................
..................................................................................................................
..................................................................................................................
..................................................................................................................

## ৩.৩.৭ শব্দ টোকা

**ভাষা ঃ** জনগোষ্ঠী এটাই পৰস্পৰৰ মাজত ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰা ধ্বনি প্ৰতীকৰ প্ৰণালীটোকে ভাষা বোলে। যেনে- অসমীয়া ভাষা, বড়ো ভাষা, মাৰাঠী ভাষা ইত্যাদি।

**শৈলী ঃ** উদ্দেশ্য আৰু প্ৰসংগ অনুসৰি কোনো ব্যক্তিয়ে প্ৰয়োগ কৰা ভাষাৰ বিশেষ ৰূপটোৱে হৈছে শৈলী। সহজভাৱে ক'বলৈ হ'লে শৈলী হৈছে কোনো ব্যক্তি বা লেখকৰ কোৱা বা লিখাৰ ধৰণ।

পৰিস্থিতি নিৰ্ধাৰক ভাষা ঃ বিভিন্ন পৰিস্থিতি বা বিষয়ৰ লগত সংগতি ৰাখি বিশেষ ধৰণৰ শৈলী ব্যৱহাৰ কৰাকে পৰিস্থিতি নিৰ্ধাৰক ভাষা বা ৰেজিষ্টাৰ বোলে। বিভিন্ন সামাজিক অৱস্থাত ভাষা ব্যৱহাৰৰ বিভিন্নতা বুজাবলৈ এই পৰিভাষা ব্যৱহাৰ কৰা হয়। এজন মানুহে নিজৰ কাৰ্যালয়ত যিদৰে কথা ক'ব, বজাৰলৈ গ'লে কোৱাৰ ধৰণ বেলেগ হ'ব। সেইদৰে ক্ৰিকেটৰ বিষয়ে ৰচনা এখন লিখোঁতে যিবোৰ শব্দ বা পৰিভাষা ব্যৱহাৰ হ'ব, ফুটবলৰ বিষয়ে লিখোঁতে বেলেগ হ'ব। এইদৰে বিভিন্ন পৰিস্থিতি বা বিষয়ভেদে ব্যৱহাৰ কৰা সুকীয়া ৰূপটোৱে হৈছেপৰিস্থিতি নিৰ্ধাৰক ভাষা।

লেখন কলাৰ বিকাশ
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

**যোগাযোগ দক্ষতা ঃ** ভাষা এটা ব্যৱহাৰ কৰিবলৈ এগৰাকী ব্যক্তিৰ বাবে কেৱল ভাষাটোৰ গাঁথনিক দিশ বা ব্যাকৰণৰ জ্ঞানেই যথেষ্ট নহয়। গাঁথনিক দিশটো জনাৰ উপৰিও ভাষাটো সমাজত কিদৰে ব্যৱহাৰ হয় অৰ্থাৎ ভাষা ব্যৱহাৰকাৰী জনসমষ্টিটোৱে ভাষাটোৰ জৰিয়তে যোগাযোগ কিদৰে কৰে সেইটোৰ প্ৰতিও সচেতন হ'ব লাগিব। কথা কোৱাৰ ধৰণ(manner), সৰু-সুৰা খুঁটি-নাটি, ভাষা ব্যৱহাৰকাৰী সমাজিক গোটটোৰ সামাজিক সাংস্কৃতিক ব্যৱহাৰ সম্পৰ্কেও জানিব লাগিব। যোগাযোগৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা এনেধৰণৰ দক্ষতাকে কোৱা হয় যোগাযোগ দক্ষতা।

**সঞ্চৰণ ঃ** সঞ্চৰণ মানে হৈছে গমন বা গতি।

**জতুৱা ৰূপ ঃ** ভাষা এটাত থকা স্বকীয় ভংগী বা বৈশিষ্ট্যবোৰকে জতুৱা ৰূপ বা জতুৱা ঠাঁচ বোলে।

**বিষয় বাক্য ঃ** পেৰাগ্ৰাফ এটাত থকা মূল ধাৰণাটো যিটো বাক্যৰ মাজত নিহিত হৈ থাকে সেইটো বাক্যকে বিষয় বাক্য বোলা হয়। পেৰাগ্ৰাফটোত থকা বাক্যবিলাকে এই মূল বাক্যৰ কথাখিনিকে ব্যাখ্যা কৰে। এই বিষয় বাক্যটো সাধাৰণতে পেৰাগ্ৰাফটোৰ আৰম্ভণি বা মাজত থাকে। বিষয় বাক্যটো আৰম্ভণি বা মাজত থাকিলে পঢ়ুৱৈয়ে তাৰ ব্যাখ্যা সহজে বুজি পায়। কেতিয়াবা অৱশ্যে কথাখিনি ব্যাখ্যা কৰিও বিষয় বাক্যৰে পেৰাগ্ৰাফটো শেষ কৰা হয়।

**নামবাচক বিশেষ্য ঃ** নামবাচক বিশেষ্য হ'ল সংজ্ঞাবাচক বিশেষ্যৰে এটা ভাগ। যিবোৰ বিশেষ্য পদে কোনো ব্যক্তিৰ নাম নিৰ্দিষ্টকৈ বুজায় সেইবোৰ হ'ল নামবাচক বিশেষ্য।

**স্থানবাচক বিশেষ্য ঃ** স্থানবাচক বিশেষ্য হ'ল সংজ্ঞাবাচক বিশেষ্যৰে ভাগ। যিবোৰ বিশেষ্য পদে কোনো স্থান বা ঠাইৰ নাম বুজায়, সেইবোৰ হ'ল স্থানবাচক বিশেষ্য।

**ফন্ট ঃ** ইংৰাজীত ব্যৱহাৰ হোৱা ফন্ট (font) শব্দটো আধুনিক ডিজিটেল টাইপোগ্ৰাফীৰ উদ্ভাৱনৰ ফলত আহিছে। এই শব্দটোৱে আগতে মুদ্ৰাক্ষাৰ নিৰ্মাণ কাৰখানাৰ ধাতু ঢালাই কৰাক নিৰ্দেশ কৰা হৈছিল। বৰ্তমান এই শব্দটিয়ে হাইপাৰ টেক্সট মাৰ্কআপ লেংগুৱেজ(Hyper Text Markup Language) বা চমুকৈ এইচ টি এম এল ভাষাৰ এটা বৈশিষ্ট্য সূচায় যাৰ মাধ্যমত ৱেবপেজত লিখা আখৰক বিভিন্ন ধৰণে উপস্থাপন কৰিব পাৰি।

**কী-বোৰ্ডঃ** কী-বোৰ্ড (Keyboard) হ'ল কম্পিউটাৰৰ প্ৰধান ইনপুট ডিভাইচ। এই ডিভাইচত কিছুমান বাটন বিন্যস্ত কৰা থাকে আৰু এইবোৰে ইলেক্ট্ৰনিক চুইচৰ দৰে কাম কৰে। কী-বোৰ্ডৰ কী বিলাক ছাপ মাৰি থোৱা থাকে। কোনো চিহ্ন সৃষ্টি কৰিবলৈ হ'লে এক বা একাধিক বাটন হেঁচা মাৰিব লাগে। কী-বোৰ্ড আচলতে বহুমুখী ইনপুট ডিভাইচ। আখৰ, সংখ্যা আদি বেলেগ বেলেগ চিহ্ন কীবোৰ্ডত আঙুলিৰে হেঁচা দি সৃষ্টি কৰিব পাৰি।

**ইউনিকোড ঃ** ইউনিকোড (Unicode) হৈছে আন্তৰ্জাতিক আখৰ সংকেত নিৰ্ধাৰণ কৰা এটা ব্যৱস্থা। সকলো ভাষাকে এটা সাৰ্বজনীন মানদণ্ডলৈ অনাটোৱেই আছিল ইউনিকোডৰ মূল লক্ষ্য। ইউনিকোডৰ পূৰ্ণ অৰ্থ ইউনিভাৰ্চেল কোড (Universal code) বা সাৰ্বজনীন কোড।

## ৩.৩.৮ অনুশীলনী

### ৩.৩.৮.১ বোধজ্ঞান অনুশীলনী

১। লেখন কলাৰ বিকাশ সম্পৰ্কীয় আলোচনাৰ ভিত্তিত তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক। প্ৰতিটো প্ৰশ্নৰ বাবে চাৰিটাকৈ বিকল্প দিয়া আছে; শুদ্ধ উত্তৰ বাচি লৈ √ চিন দিয়ক ঃ

(ক) বৰ্ণমালা শিকাৰ পিছতে কি লিখিব দিয়া হয়।

১/ ৰচনা

২/ আবেদন

৩/ সৰল বানান

৪/ কঠিন শব্দ

(খ) লেখা এটা লেখাৰ প্ৰথম পদক্ষেপ হ'ল।

১/ বিষয় নিবাচন

২/ বিষয়ৰ সুসংগঠন

৩/ সম্পাদনা

৪/ শুধৰণি

(গ) তলৰ কোনটো বানান শুদ্ধ।

১/ নুন্যতম

২/ ন্যুনতম

৩/ ন্যুনত ম

৪/ নূন্যতম

(ঘ) তলৰ কোনটো শব্দ শুদ্ধ।

১/ মুমূৰ্ষু

২/ মুমুৰ্ষু

৩/ মূমুৰ্ষু

৪/ মুমুৰ্ষূ

(ঙ) তলৰ কোনটো বাক্য শুদ্ধ।

১/ মই কলিকতাক যাওঁ

২/ মই কলিকতালৈ যাওঁ

৩/ মই কলিকতাত যাওঁ

৪/ মই কলিকতা যাওঁ

(চ) এটা পেৰাগ্ৰাফ হ'বলৈ হ'লে—

১/ দুটা বাক্যৰ প্ৰয়োজন

২/ দহটা বাক্যৰ প্ৰয়োজন

৩/ এটা পৃষ্ঠাৰ প্ৰয়োজন

৪/ কোনো ধৰা-বন্ধা নিয়ম নাই

(ছ) সম্পাদকলৈ লিখা চিঠি হ'ব লাগিব—

১/ ৰাজনৈতিক বিষয়

২/ সাহিত্যিক বিষয়

৩/ সমসাময়িক সমস্যা

৪/ উল্লিখিত তিনিওটা হ'ব পাৰে

(জ) সম্পাদকলৈ লিখা চিঠি

১/ বাতৰি কাকতৰ মালিক গোষ্ঠীৰ বাবে

২/ বাতৰি কাকতৰ সম্পাদকৰ বাবে

৩/ সকলোৰে বাবে মুকলি

৪/ উল্লিখিত কাৰো বাবে নহয়

(ঝ) কোনে প্ৰথমে অসমীয়া আখৰ লিখিব পৰা ফণ্টৰ উদ্ভাৱন কৰিছিল?

১/ অনিল কুমাৰ বৰুৱা

২/ ড° দিলীপ কুমাৰ দত্ত

৩/ ৰবিন ডেকা

৪/ মৃদুল কুমাৰ শৰ্মা

(ঞ) ইউনিকোড উদ্ভাৱন হৈছিল?

১/ ১৯৮৭ চনত

২/ ১৯৯০ চনত

৩/ ১৯৯১ চনত

৪/ ১৯৯৩ চনত

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ এটা বাক্যত লেখক ঃ

(ক) লেখন কলা মানে কি?

..............................................................................................

..............................................................................................

**লেখন কলাৰ বিকাশ**
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

(খ) লেখা এটাৰ বাক্য চুটি হ'ব লাগে নে দীঘল হ'ব লাগে?

..............................................................................................

..............................................................................................

(গ) লক্ষ্য পাঠক মানে কি?

..............................................................................................

..............................................................................................

(ঘ) প্ৰত্যক্ষ উক্তি কেনেদৰে ব্যৱহাৰ কৰা হয়?

..............................................................................................

..............................................................................................

(ঙ) পেৰাগ্ৰাফ বুলিলে কি বুজা?

..............................................................................................

..............................................................................................

(চ) পেৰাগ্ৰাফ এটাৰ বিষয় বাক্যত কি থাকে?

..............................................................................................

..............................................................................................

(ছ) 'নতুন মাধ্যম' বুলিলে সাধাৰণতে কি বুজোৱা হয়?

..............................................................................................

..............................................................................................

(জ) নতুন মাধ্যম কিহৰ ওপৰত নিৰ্ভৰশীল?

..............................................................................................

..............................................................................................

(ঝ) কোনগৰাকী অসমীয়াই পোনতে অসমীয়াত লিখিব পৰা কি ফণ্ট উলিয়াইছিল?

..............................................................................................

..............................................................................................

(ঞ) নতুন মাধ্যমৰ আটাইতকৈ ডাঙৰ সুবিধা কি?

..............................................................................................

..............................................................................................

### ৩.৩.৮.২ বৈয়াকৰণিক অনুশীলনী

১। অসমীয়া ভাষাত একবচন বুজাবলৈ বচন নিৰপেক্ষ ৰূপৰ লগত কেতবোৰ সৰ্গ যোগ কৰা হয়। যেনে—

মানুহ + জন, মানুহজন
কলম + টো, কলমটো
ছোৱালী + জনী, ছোৱালীজনী
বাঁহ + ডাল, বাঁহদাল
মাছ + ডোখৰ, মাছডোখৰ

ইয়াত যোগ হোৱা -জন, -টো, -জনী, -ডাল, -ডোখৰ আদি সৰ্গবোৰে বস্তু বা ব্যক্তিক নিৰ্দিষ্ট কৰিও বুজায়। কিন্তু নিৰ্দিষ্টতাৰ উপৰিও একবচনৰ অৰ্থ প্ৰকাশ কৰে। সেইদৰে -বোৰ, -বিলাক সৰ্গই বহুবচনৰ অৰ্থ প্ৰকাশ কৰে। যেনে- মানুহবোৰ, ল'ৰাবিলাক। এতিয়া একবচন আৰু বহুবচন বুজোৱা এই ৰূপ কিছুমান (ইয়াত উল্লেখ নথকা) বাচি লৈ প্ৰত্যেককে সংযোগত একোটা বাক্য ৰচনা কৰক।

২। বাক্যৰ ভিতৰত থকা শব্দবোৰকে সাধাৰণতে পদ বোলে। বাক্যত এই পদবোৰ পৰস্পৰ সম্পৰ্কিত হৈ থাকে। বাক্যৰ ভিতৰত ক্ৰিয়াপদৰ লগত নামপদৰ যি অন্বয় বা সম্বন্ধ তাকে কাৰক বোলা হয়। এই অন্বয় বা সম্বন্ধ স্থাপন কৰে কেতবোৰ সৰ্গই। এই সৰ্গবোৰেই নামশব্দক পদৰূপে অৰ্থাৎ বাক্যৰ ব্যৱহাৰৰ উপযোগী কৰি তোলে। এনে সৰ্গবোৰকে নামবিভক্তি বা শব্দবিভক্তি বোলা হয়। নামবিভক্তিৰ দ্বাৰা কাৰক আৰু সম্বন্ধপদ চিনিব পাৰি। অসমীয়া ভাষাত কাৰক ছয়বিধ। সেয়া হৈছে—



(ক) কৰ্তা কাৰক

(খ) কৰ্ম কাৰক

(গ) কৰণ কাৰক

(ঘ) নিমিত্ত কাৰক

(ঙ) অপাদান কাৰক

(চ) অধিকৰণ কাৰক

ইয়াৰ উপৰিও এটা নামপদৰ লগত আন এটা নামপদৰ সম্বন্ধও ঘটে যাক সম্বন্ধপদ বোলা হয়। সম্বন্ধপদ বিভক্তিৰ দ্বাৰা নিষ্পন্ন হয় যদিও ই কাৰক নহয়। তলত প্ৰতিটো কাৰকৰে উদাহৰণ দিয়া হ'ল—

(ক) কৰ্তাকাৰক ঃ যিয়ে কৰে সিয়ে কৰ্তা। কৰ্তাকাৰকত প্ৰথমা বিভক্তি লগ লাগে। প্ৰথমা বিভক্তিৰ চিন হৈছে শূন্য(০),-এ আৰু -ই। যেনে—

বকুলে (বকুল -এ) ভাত খাইছে।

ৰেজিনাই (ৰেজিনা-ই) কিতাপ পঢ়িছে।

মানুহ (মানুহ- ০) আহিছে।

(খ) কৰ্মকাৰক ঃ কৰ্তাই যাৰ ওপৰত নিৰ্ভৰ কৰি ক্ৰিয়া সম্পাদন কৰে সেয়ে কৰ্ম। কৰ্মকাৰকত দ্বিতীয়া বিভক্তি যোগ হয়। দ্বিতীয়া বিভক্তিৰ চিন হ'ল - শূন্য(০), -অক,আৰু -ক। ব্যঞ্জনান্ত শব্দৰ পাছত '-অক' আৰু স্বৰান্ত শব্দৰ পাছত '-ক' হয়। যেনে—

ৰীতাই হাচিনাক (হাচিনা -ক) মাতিছে।

ৰমেনে শিক্ষকক (শিক্ষক -অক) সেৱা জনাইছে।

ফজলে ভাত (ভাত -০) খাইছে।

(গ) কৰণকাৰক ঃ যাৰ বা যিহৰদ্বাৰা কৰ্তাই ক্ৰিয়া সম্পন্ন কৰে সেইটো কৰণ কাৰক। কৰণ কাৰকত তৃতীয়া বিভক্তি যুক্ত হয়। তৃতীয়া বিভক্তিৰ চিন -ৰে, -এৰে। যেনে—

মই হাতেৰে (হাত -এৰে) চিলাই কৰিছোঁ।

কটাৰীৰে (কটাৰী- ৰে) তামোলটো কাটা।

(ঘ) নিমিত্ত কাৰক ঃ অসমীয়া ভাষাত প্ৰতি, অভিমুখ, নিমিত্ত আদি অৰ্থত ক্ৰিয়াৰ লগত হোৱা পদৰ অন্বয়কে নিমিত্ত কাৰক বোলা হয়। নিমিত্ত কাৰকত চতুৰ্থী বিভক্তি যোগ হয়। চতুৰ্থী বিভক্তিৰ চিন হৈছে -অলৈ, -লৈ। যেনে—

জ্যেষ্ঠজনলৈ সেৱা আগবঢ়ালোঁ।(প্ৰতি অৰ্থত)

তোমালৈ ধুনীয়া কলম এটা আনিছোঁ।(নিমিত্ত অৰ্থত)

দেউতা কলিকতালৈ পঢ়িবলৈ গৈছিল।(অভিমুখ অৰ্থত)

(ঙ) অপাদান কাৰক ঃ বাক্যত ব্যৱহাৰ হোৱা দুটা নামপদৰ প্ৰথমটোৰ পৰা দ্বিতীয়টোৰ পৃথকতা, অপসৰণ, বিস্তৃতি, গতি আদি বুজাবলৈ প্ৰথম নামপদৰ পাছত বিভক্তি যুক্ত হৈ যি ৰূপ হয় তাকে অপাদান কাৰক বোলা হয়। অসমীয়া ভাষাত অপাদান কাৰক বুজাবলৈ সুকীয়া বিভক্তি নাই; সম্বন্ধ পদৰ বিভক্তি -ৰ যুক্ত হোৱাৰ পাছত 'পৰা' অনুপদ(post position) যোগ দি অপাদান কাৰক সিদ্ধ কৰা হয়। যেনে—

দোকানৰ পৰা কিতাপখন আনিলোঁ।

ঘৰৰ পৰা আজিহে আহিলোঁ।

ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ প্ৰায় চাৰিশ কিলোমিটাৰ দূৰ।

(চ) অধিকৰণ কাৰক ঃ স্থান, কাল আৰু পাত্ৰ যিদৰে আধাৰ বা আশ্ৰয়ত ক্ৰিয়া সম্পাদিত কৰা হয়, তাকে অধিকৰণ কাৰক বোলা হয়। অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। সপ্তমী বিভক্তিৰ চিন হৈছে -অত আৰু -ত। যেনে—

তেওঁ গুৱাহাটীত জন্মিছিল।

ফুলবোৰ টাবত ৰোৱা হৈছে।

অহা মাহত অৰুণাচললৈ যাম।

**লেখন কলাৰ বিকাশ**
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

**সম্বন্ধ পদ ঃ** বাক্যত পদৰ লগত পদৰ অৰ্থাৎ এটা নামপদৰ লগত আন এটা নামপদৰ অধিকাৰজনিত বোধ বুজোৱা সম্বন্ধ ঘটিলে তাক সম্বন্ধ পদ বোলা হয়। সম্বন্ধ পদক কাৰক বুলি ধৰা নহয়; কাৰণ ইয়াত নামপদৰ লগত নামপদৰহে সম্পৰ্ক ঘটে, নামপদৰ লগত ক্ৰিয়া পদৰ নহয়। সম্বন্ধপদত ষষ্ঠী বিভক্তি -ৰ বা -অৰ যোগ হয়। যেনে—

জেচমিন শেৱালিৰ বন্ধু।

এইখন তোমাৰ কিতাপ।

মানুহৰ কথানো কি ক'বা!

কাৰক আৰু সম্বন্ধ পদৰ এই ধাৰণা হোৱাৰ পিছত প্ৰতিটো কাৰক আৰু সম্বন্ধ পদ বুজোৱাকৈ বাক্য ৰচনা কৰা।

৩। অসমীয়া ভাষাত চন্দ্ৰবিন্দু ( ँ ) লগা শব্দবোৰত চন্দ্ৰবিন্দু ব্যৱহাৰ নকৰিলে শব্দটো ভুল হয় আৰু অৰ্থও সলনি হৈ পৰিব পাৰে। যেনে—

| | |
|---|---|
| কাঁহ | কাহ |
| বাঁহ | বাহ |
| আঁহত | আহত |
| বঁটা | বটা |
| ভাঁজ | ভাজ |

উল্লেখ কৰা এই প্ৰত্যেকযোৰৰ প্ৰত্যেকটো শব্দৰে অৰ্থ বেলেগ বেলেগ। অৰ্থাৎ এইবোৰ সুকীয়া সুকীয়া শব্দ। অসমীয়া ভাষাত পোৱা এনে শব্দৰ এখন তালিকা প্ৰস্তুত কৰক।

৪। তলৰ শব্দবোৰৰ কিছুমান বানান শুদ্ধ আৰু কিছুমান অশুদ্ধ; যিবোৰ অশুদ্ধ শুদ্ধ কৰক ঃ

| | |
|---|---|
| প্ৰনালী | বাল্মীকি |
| বৈচিত্ৰ | সাকোঁ |
| সঞ্চৰণ | অন্তৰ্ভূক্ত |
| অঞ্জলী | বাঞ্চা |
| মণিষী | আৰম্ভনি |

### ৩.৩.৮.৩ পঠন অনুশীলনী

১। লেখন কলা মানে কি পঢ়ি লোৱাৰ পিছত ইয়াক কিয় 'কলা' বুলিব পাৰি বিচাৰি চাওক।

২। লেখন কলাৰ বিকাশৰ বাবে কোনবোৰ কথাৰ ওপৰত গুৰুত্ব দিব লাগে পঢ়ি চাওক আৰু মনত ৰাখক।

৩। লেখন কলা বিকাশৰ স্তৰ বা পদক্ষেপবোৰ মনত ৰাখিবলৈ চেষ্টা কৰক।

৪। সততে ভুল হোৱা বানানবোৰ মনত ৰাখক।

৫। প্ৰমাদবশতঃ অথবা অন্য ভাষাৰ প্ৰভাৱত হোৱা ভুলবোৰ পঢ়ক আৰু তেনে ভুল বিচাৰি উলিয়াবৰ চেষ্টা কৰক।

৬। লিখিত যোগাযোগৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিৰাম চিহ্ন আৰু যতি চিহ্নৰ বিষয়ে পঢ়ক আৰু পঢ়ি যাওঁতে আমি সেইবোৰ কেনেকৈ ৰক্ষা কৰোঁ পৰীক্ষা কৰি চাওক।

৭। পেৰাগ্ৰাফ এটা লিখাৰ ক্ষেত্ৰত সাধাৰণতে কোনবোৰ কথাৰ ওপৰত গুৰুত্ব দিয়া হয় পঢ়ি চাওক।

৮। সম্পাদকলৈ লিখা চিঠিৰ বিষয়বস্তু কেনে হ'ব পাৰে পঢ়ি ভাবি চাওক।

৯। 'নতুন মাধ্যম' বুলি ক'লে কোনবোৰ মাধ্যমক সামৰা হয় সেইখিনি পঢ়ি নতুন আৰু পুৰণি মাধ্যম উভয়ৰে সুবিধা-অসুবিধাসমূহ বিচাৰি চাওক।

১০। অসমীয়া ফণ্ট আৰু কী-বোৰ্ড সম্পৰ্কীয় কথাখিনি পঢ়ি তাত আকৌ কি কি যোগ দিব পাৰি ভাবি চাওক।



### ৩.৩.৮.৪ লেখন অনুশীলনী

১। লেখন কলাৰ বিষয়ে এটি ধাৰণা দিয়ক।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

২। লেখন কলা বিকাশৰ পদক্ষেপবোৰ চমুকৈ আলোচনা কৰক।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

৩। লেখা এটা লিখিত ৰূপদানৰ ক্ষেত্ৰত কোনবোৰ কথা বিশেষভাৱে মন কৰিব লাগে বিশ্লেষণ কৰক।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

৪। প্ৰবন্ধ এটাৰ ভিতৰত উদ্ধৃতি চিহ্নৰ ব্যৱহাৰ কেনেকৈ কৰিব লাগে বুজাই দিয়ক।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

৫। পেৰাগ্ৰাফ এটা কেনেকৈ লিখিব লাগে বিচাৰ কৰক।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

৬। সম্পাদকলৈ লিখা চিঠিৰ বিষয়বস্তু কেনেধৰণৰ হ'ব পাৰে ব্যাখ্যা কৰক।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

৭। আপোনাৰ অঞ্চলৰ সমস্যা বিৰৰি সম্পাদকলৈ এখন চিঠি প্ৰস্তুত কৰক।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

৮। অসমীয়া ফন্ট সম্পৰ্কে এটি ধাৰণা দিয়ক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

**লেখন কলাৰ বিকাশ**
(পেৰাগ্ৰাফ লিখন, সম্পাদকলৈ চিঠি, নতুন মাধ্যমৰ বাবে লিখন)

৯। অসমীয়া কী-বোৰ্ডৰ ব্যৱহাৰ সম্পৰ্কে লিখক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

১০। ডিজিটেল মাধ্যমত অসমীয়া লেখাৰ উপযোগিতা নিজে বিচাৰ কৰক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

## ৩.৩.৯ উত্তৰ সংকেত

আগতে বোধজ্ঞান আৰু ব্যাকৰণত অনুশীলনী যিবোৰ দিয়া হৈছিল সেইবোৰ এতিয়া তলত দিয়া উত্তৰৰ লগত মিলাই চাওক, আপোনাৰ যিবোৰ ভুল হৈছিল, এতিয়া সেইবোৰ শুধৰাই লওক।

### ৩.৩.৯.১ বোধজ্ঞান অনুশীলনী

১। ক (৩) খ(১)
গ (২) ঘ (১)
ঙ (২) চ (৪)
ছ (৪) জ (৩)
ঝ (২) ঞ (৩)

২। (ক) লেখন কলা বুলি ক'লে এজন মানুহে শব্দৰ মাজেৰে তেওঁৰ জ্ঞান, বিচাৰ, বোধ, ভাব আদিক সঠিক ৰূপত প্ৰকাশ কৰাৰ দক্ষতাকে বুজায়।
(খ) লেখা এটাৰ বাক্য চুটি বা দীঘল হ'ব এনে কোনো ধৰা-বন্ধা নিয়ম নাই।
(গ) লেখকে যাৰ বাবে লিখিছে তেৱেঁই লক্ষ্য পাঠক।
(ঘ) প্ৰত্যক্ষ উক্তিত দ্বিত্বভাৱে ঊৰ্দ্ধকমা ব্যৱহাৰ কৰিব লাগে।
(ঙ) লেখকে লিখি যাওঁতে কেতবোৰ সৰু সৰু ভাগ কৰি লিখে আৰু লেখা এটাৰ ভিতৰত থকা এই সৰু সৰু ভাগবোৰেই হ'ল পেৰাগ্ৰাফ।
(চ) বিষয় বাক্যত পেৰাগ্ৰাফটোৰ মূলভাবটো থাকে।
(ছ) নতুন মাধ্যম বুলি ক'লে সাধাৰণতে ডিজিটেল মাধ্যমকে সূচোৱা হয়।
(জ) নতুন মাধ্যম ইলেক্ট্ৰনিক যন্ত্ৰপাতিৰ ওপৰত নিৰ্ভৰশীল।
(ঝ) ড° দিলীপ কুমাৰ দত্তই 'ডিবৰু', 'বেঁকী' আৰু 'কপিলী' নামৰ তিনিটা ফন্ট উলিয়াইছিল।
(ঞ)এই মাধ্যমৰ জৰিয়তে কোনো কথা বা বিষয় সহজতে আৰু কম খৰচতে বহুজনৰ মাজলৈ নিব পাৰি।

### ৩.৩.৯.২ বৈয়াকৰণিক অনুশীলনী

১। একবচন বুজোৱা
-গৰাকী ঃ মানুহগৰাকী ভাল
-খিলা ঃ কাগজখিলা মোক দিয়া
-ধাৰ ঃ মণিধাৰ ইমান ধুনীয়া

বহুবচন বুজোৱা

-হঁত ঃ ল'ৰাহঁতে কামটো কৰিছে।

-সকল ঃ শিক্ষকসকলক আমি মাতিছোঁ।

-জাক ঃ চৰাইজাক উৰি গ'ল।

২। কৰ্তাকাৰক

ৰজা নৰনাৰায়ণে কামাখ্যা মন্দিৰ নতুনকৈ সজাই দিছিল।

কৰ্মকাৰক

গীতাই ৰীতাক গান শিকাইছে।

কৰণকাৰক

আমি বিমানেৰে দিল্লীলৈ গৈছিলোঁ।

নিমিত্ত কাৰক

পূজাৰ বন্ধত শিৱসাগৰলৈ গৈছিলোঁ।

অপাদান কাৰক

ধানৰ পৰা চাউল হয়।

অধিকৰণ কাৰক

বাণীকান্ত কাকতি বৰপেটাত জন্ম গ্ৰহণ কৰিছিল।

সম্বন্ধ পদ

কাজিৰঙাৰ গড় পৃথিৱী বিখ্যাত।

| | |
|---|---|
| ৩। আঁহ | আহ |
| কাঁৰ | কাৰ |
| পাঁচ | পাচ |
| ধোঁৱা | ধোৱা |
| গাঁও | গাওঁ |
| ছেঁই | ছেই |
| দোঁৱা | দোৱা |

৪। প্ৰণালী, বাল্মীকি, বৈচিত্ৰ্য, সাঁকো, সঞ্চৰণ, অন্তৰ্ভুক্ত, বাঞ্ছা, মনীষী, আৰম্ভণি।

## ৩.৩.১০ অতিৰিক্ত পঠন উপদেশ

আপোনালোকে লেখন কলাৰ বিকাশ সম্পৰ্কে জানিবলৈ হ'লে তলৰ কিতাপকেইখন পঢ়িব।

১। ব্যক্তিত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগ ঃ নীৰাজনা মহন্ত বেজবৰুৱা

অসমীয়া ভাষা সম্পৰ্কে জানিবলৈ হ'লে (ৰূপগঠন আৰু বাক্য গঠনৰ বিষয়ে) পঢ়িব ঃ

২। অসমীয়া ব্যাকৰণ প্ৰৱেশ ঃ ড° গোলোকচন্দ্ৰ গোস্বামী

৩। ভাষা বিজ্ঞান আৰু অসমীয়া ভাষা ঃ ড° অনুৰাধা শৰ্মা

(নতুন মাধ্যম সম্পৰ্কে বহলাই জানিবলৈ হ'লে আপোনালোকে ইণ্টাৰনেটত এই সম্পৰ্কে বিভিন্ন প্ৰবন্ধ পঢ়িবলৈ পাব।)

ignou
THE PEOPLE'S
UNIVERSITY